# অসমীয়া সমাজ জীৱনত অনুষ্ঠানভিত্তিক বিয়ানামৰ ভূমিকা ঃ যোৰহাট জিলাৰ বিশেষ উল্লিখনেৰে

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়, যোৰহাট শাখাৰ
পৰিৱেশ্য কলা, সংগীত বিভাগৰ স্নাতকোত্তৰ চতুৰ্থ যান্মাসিকৰ অন্তৰ্গত
ক্ষুদ্ৰ গৱেষণা গ্ৰন্থ


**প্ৰস্তুতকৰ্তা**
মুনমী বৰবৰুৱা দত্ত
ৰোল নং - **PA-32/23**
স্নাতকোত্তৰ চতুৰ্থ যান্মাসিক
পৰিৱেশ্য কলা বিভাগ (সংগীত)
মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়
যোৰহাট শাখা

**তত্ত্বাৱধায়ক**
জিন্তী দাস
সহকাৰী অধ্যাপক, সংগীত শাখা
পৰিৱেশ্য কলা বিভাগ
মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়
যোৰহাট শাখা



পৰিৱেশ্য কলা বিভাগ
মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়
শিক্ষাবৰ্ষ ঃ ২০২৩-২৪

# THE ROLE OF CEREMONIAL WEDDING SONG IN ASSAMESE SOCIETY : WITH SPECIAL MENTION OF JORHAT DISTRICT

**A Dissertation submitted to Mahapurusha Srimanta Sankardeva Viswavidyalaya**
**In partial fulfillment for the award of the Degree of Master of Performing Arts (Music)**


**Submitted by :**
Moonmi Borbaruah Dutta
Roll No. PA/32/23
MA 4th Semester
Department of Performing Arts (M)
Jorhat Unit

**Supervisor**
Jinti Das
Assistant Professor
Department of Performing Arts
MSSV, Jorhat



Department of Performing Arts
Mahapurusha Srimanta Sankardeva Viswavidyalaya
Session - 2023-24

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়
MAHAPURUSHA SRIMANTA SANKARDEVA VISWAVIDYALAYA
(Recognised Under Section 2(f) of UGC Act. 1956)
Srimanta Sankardeva Sangha Complex, Haladhar Bhuyan Path
Kalongpar, Nagaon, PIN - 782001, Assam, India

# CERTIFICATE

I have the pleasure to certify that Ms. Moonmi Borbaruah Dutta student of Performing Arts 4th Semester bearing Roll No. PA-32/23 with Registration No. MSSV-0023-013-001662 of 2023 has successfully completed the Disertation entitled **"অসমীয়া সমাজ জীৱনত অনুষ্ঠানভিত্তিক বিয়ানামৰ ভূমিকা ঃ যোৰহাট জিলাৰ বিশেষ উল্লিখনেৰে"।**

She has made successful completion of this research by her own.

I wish her all the very best for future endeavour.

Dr. Niranjan Kalita
HOD & Professor
Department of Performing Arts
MSSV

website : www.mssv.co.in. Email : mssvnagaon@gmail.com
Phone No.: 95310-89104

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়
MAHAPURUSHA SRIMANTA SANKARDEVA VISWAVIDYALAYA
(Recognised Under Section 2(f) of UGC Act. 1956)
Srimanta Sankardeva Sangha Complex, Haladhar Bhuyan Path
Kalongpar, Nagaon, PIN - 782001, Assam, India

# CERTIFICATE OF SUPERVISOR

This is to certify that **Ms. Moonmi Borbaruah Dutta** student of Performing Arts 4th Semester bearing Roll No. **PA/32/23** with Registration No. **MSSV 0023-013-001662** , Mahapurusha Srimanta Sankardeva Viswavidyalaya, Jorhat Unit has successfully carried out her dissertation entitled **"অসমীয়া সমাজ জীৱনত অনুষ্ঠানভিত্তিক বিয়ানামৰ ভূমিকা ঃ যোৰহাট জিলাৰ বিশেষ উল্লিখনেৰে"** as a student researcher under my supervision and guidance for the Partial fulfillment of the requirement for the award of the Degree of **Master of Arts in Performing Arts (Music).**

This work reported to this research has not been submitted elsewhere. I wish her all the very best for her future endeaviour.

Supervisor
Jinti Das
Assistant Professor
Department of Performing Arts
MSSV, Jorhat Unit

website : www.mssv.co.in. Email : mssvnagaon@gmail.com
Phone No.: 95310-89104

# ঘোষণা পত্ৰ

এই পত্ৰৰ দ্বাৰা জনাওঁ যে, “অসমীয়া সমাজ জীৱনত অনুষ্ঠানভিত্তিক বিয়ানামৰ ভূমিকা ঃ যোৰহাট জিলাৰ বিশেষ উল্লিখনেৰে” শীৰ্ষক ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখনি মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলা বিভাগ, যোৰহাট চৌহদৰ সহকাৰী অধ্যাপিকা শ্ৰী জিন্টি দাস বাইদেউৰ তত্ত্বাৱধানত প্ৰস্তুত কৰিছো। এই গৱেষণা গ্ৰন্থখনি বিশ্ববিদ্যালয় অথৱা অন্য কোনো বিশ্ববিদ্যালয়ৰ আন আনুষ্ঠানিক শিক্ষা গ্ৰহণত ব্যৱহাৰ নকৰো বুলি স্বীকাৰ কৰিলো।

তাৰিখ ঃ

স্থান ঃ যোৰহাট

মুনমী বৰবৰুৱা দত্ত

পৰিৱেশ্য কলা বিভাগ (সংগীত)

চতুৰ্থ ষান্মাসিক

ৰোল নং - PA/32/23

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়

যোৰহাট চৌহদ

# আগকথা

লোক সংস্কৃতি জাতি একোটাৰ সাংস্কৃতিক জীৱনৰ ভেঁটি। অসমখন নানা জাতি-জনগোষ্ঠীৰ লোক সংস্কৃতি ভঁৰালেৰে চহকী। ইয়াক সংৰক্ষণ, চৰ্চা আৰু গৱেষণাৰ প্ৰয়োজন আছে। অসমৰ লোক-জীৱনে যিবোৰ গীত-মাত, নৃত্য-নাট, কথা-কাহিনী, ৰীতি-নীতি, আচাৰ-বিচাৰ, উৎসৱ অনুষ্ঠান, ধৰ্ম-বিশ্বাস অতীজৰে পৰা পালন কৰি আহিছে সেইবোৰেই বৰ্তমানৰ সভ্যতা সংস্কৃতি চহকী কৰি আহিছে।

মৌখিক লোকবিদ্যা বা লোকসংস্কৃতি হিচাপে লোক পৰিৱেশ্য কলাৰ বিয়ানামবোৰ অনাক্ষৰী লোকৰ লোকগাঁথা। বিবাহ সামাজিক অনুষ্ঠান। ধৰ্ম, পৰিয়াল, ব্যক্তিত্ব, শৃংখলা, সংস্কৃতি হস্তান্তৰ আদিত বিবাহৰ ভূমিকা বেছি। বিবাহ অনুষ্ঠানৰ লগত জড়িত বিয়ানামবোৰ। বিয়ানাম সমূহৰ মাজেদি নাৰীমনৰ সুখ-দুখ, আশা-আকাংক্ষা প্ৰকাশ পায়। লগতে সামাজিক চিত্ৰ প্ৰতিফলিত হয়। অসমত বসবাস কৰা প্ৰত্যেক জনগোষ্ঠীৰ মাজতো বিবাহ পদ্ধতি প্ৰচলিত, লগতে আছে বিয়ানামৰ পৰিৱেশন। ভিন্নতা থাকিলেও সকলোৰে উদ্দেশ্য একেই। জোৰণৰ পৰা আৰম্ভ কৰা কইনা দৰা ঘৰ সোমোৱালৈকে অনুষ্ঠিত হোৱা সৰু-বৰ প্ৰতিটো নীতি-নিয়মৰ মাজত অসমীয়া সমাজ জীৱন প্ৰতিফলিত হয়।

বিবাহ আৰু বিয়ানামৰ পৰিসৰ বহল। বহল পৰিসৰত বিয়ানামৰ বিষয়ে চৰ্চা কৰিবলৈ এই ক্ষুদ্ৰ গৱেষণা গ্ৰন্থত অসুবিধা গতিকে 'অসমীয়া সমাজ জীৱনত অনুষ্ঠানভিত্তিক বিয়ানামৰ ভূমিকা ঃ যোৰহাট জিলাৰ বিশেষ উল্লিখনেৰে' বুলি ৰাখি এই গৱেষণা গ্ৰন্থভাগি প্ৰস্তুত কৰা হৈছে। অসমৰ লোকসংগীত হিচাপে বিয়ানামৰ সমাজ জীৱনত ভূমিকা উল্লেখ কৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়, যোৰহাট চৌহদৰ, পৰিৱেশ্য কলা বিভাগৰ চতুৰ্থ ষান্মাসিকৰ গৱেষণা গ্ৰন্থভাগি প্ৰস্তুত কৰা হৈছে।

# কৃতজ্ঞতা

“অসমীয়া সমাজ জীৱনত অনুষ্ঠানভিত্তিক বিয়ানামৰ ভূমিকা ঃ যোৰহাট জিলাৰ বিশেষ উল্লিখনিৰে” গৱেষণা গ্ৰন্থভাগি প্ৰস্তুত কৰোতে পথ প্ৰদৰ্শক আৰু তত্ত্বাৱধায়ক দায়িত্ব গ্ৰহণ কৰা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ যোৰহাট গোট, পৰিৱেশ্য কলা বিভাগৰ (সংগীত) সন্মানীয় সহকাৰী অধ্যাপিকা শ্ৰী জিন্তী দাস বাইদেউৰ উৎসাহ, প্ৰেৰণা আৰু পৰামৰ্শৰে এই গৱেষণা আগবঢ়াই নিয়াত সহায় কৰিলে। তাৰ বাবে তেখেতলৈ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

এই গৱেষণা গ্ৰন্থভাগি প্ৰস্তুত কৰোঁতে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ সন্মানীয় উপাচাৰ্য ড° শৰৎ হাজৰিকা দেৱ, পৰিৱেশ্য কলা বিভাগৰ মূৰব্বী অধ্যাপক ড° নিৰঞ্জন কলিতা ছাৰ, অধ্যাপিকা ড° জয়শ্ৰী চৌধুৰী বাইদেউ আৰু অধ্যাপক ড° দিলীপ কুমাৰ কলিতা ছাৰলৈ তেওঁলোকৰ দিহা-পৰামৰ্শৰে গ্ৰন্থভাগি প্ৰস্তুত কৰাত যি সহায় কৰিলে তাৰ বাবে অশেষ ধন্যবাদ ও কৃতজ্ঞতা জনালোঁ।

গৱেষণা পত্ৰখনি প্ৰস্তুত কৰোঁতে পলে পলে উৎসাহ আৰু পৰামৰ্শ দি সহায় কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়, যোৰহাট গোটৰ পৰিৱেশ্য কলা বিভাগৰ সহকাৰী অধ্যাপক শ্ৰী দীপাংকৰ বিশ্ব দত্ত ছাৰ, শ্ৰীমিনাক্ষী বৰুৱা বাইদেউ আৰু শ্ৰী সংহিতা পূজাৰী বাইদেউলৈ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

এই ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখনিৰ সমল বিচাৰি ক্ষেত্ৰ অধ্যয়নৰ বাবে যাওঁতে লগ পোৱা বিশিষ্ট লেখিকা তথা লোক সংস্কৃতিৰ সাধক, অতুল দলৈ ছাৰ, অনু শইকীয়া বাইদেউ, লোককলাৰ শিল্পী অনিন্দিতা ভৰালী, কুইন গগৈ, বয়োজ্যেষ্ঠ দুল দত্তৰ ওচৰত জনালোঁ অলেখ ধন্যবাদ ও কৃতজ্ঞতা।

মোৰ জীৱনৰ প্ৰতিটো মূহুৰ্ততে উৎসাহ, উদ্দীপনা, সহায় আৰু সহযোগিতা আগবঢ়াই অহা স্বামী, ঁ পিতৃৰ লগতে শ্ৰীকৃষ্ণ কান্ত দত্ত, মাতৃ শ্ৰী দিপীকা বৰবৰুৱা, পুত্ৰদ্বয় উদয় ভাস্কৰ দত্ত, নীলোৎপল দত্ত সকলোলৈকে জনালোঁ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা।

গৱেষণা গ্ৰন্থভাগি প্ৰস্তুত কৰোঁতে বিভিন্ন দিশত সহায় আগবঢ়োৱা মোৰ সমূহ সহপাঠী, বন্ধু-বান্ধৱী, আত্মীয় সকলোলৈকে কৃতজ্ঞতা জনালোঁ।

শেষত অতি কম সময়ৰ ভিতৰত গ্ৰন্থখনি অক্ষৰ বিন্যাস আৰু মুদ্ৰন কৰি উলিয়াই দিয়াৰ বাবে যোৰহাটৰ গেলেক্সী প্ৰিন্টাৰ্চৰ কৃষ্ণ কান্ত বৰাক কৃতজ্ঞতা জনালোঁ।

মুনমী বৰবৰুৱা দত্ত
পৰিৱেশ্য কলা বিভাগ (সংগীত)
যোৰহাট গোট

# সূচীপত্ৰ


| | পৃষ্ঠা নং |
|---|---|
| **প্ৰথম অধ্যায়** | |
| ১.০০ অৱতৰণিকা | ১ |
| ১.০১ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য | ২ |
| ১.০২ গৱেষণাৰ সমস্যা | ৩ |
| ১.০৩ অধ্যয়নৰ পৰিসৰ | ৩ |
| ১.০৪ বিষয় গুৰুত্ব | ৩ |
| ১.০৫ অধ্যয়নৰ ক্ষেত্ৰ | ৪ |
| ১.০৬ গৱেষণামূলক প্ৰশ্ন | ৪ |
| ১.০৭ পূৰ্ব্বকৃত অধ্যয়ণৰ সমীক্ষা | ৫ - ৬ |
| ১.০৮ অধ্যয়নৰ পদ্ধতি আৰু সমল | ৬ |
| **দ্বিতীয় অধ্যায়** | |
| ২.০০ অসমৰ লোকসংগীত ঃ এক আলোচনা | ৭ |
| ২.০১ অসমত লোক সংগীতৰ ইতিহাস | ৮ |
| ২.০১.০১ লোকগীতৰ বৈশিষ্ট্য | ১০ - ১১ |
| ২.০২ বিয়ানামৰ ঐতিহ্য তথা পৰম্পৰা | ১১ - ১২ |
| ২.০২.০১ বিয়ানামৰ বৈশিষ্ট্য | ১২ |
| ২.০৩ অসমৰ লোক সংস্কৃতিত বিয়ানামৰ গুৰুত্ব | ১২ - ১৪ |
| ২.০৪ বিবাহ অনুষ্ঠানৰ ভাগ সমূহ আৰু ইয়াৰ পৰিৱেশন শৈলী | ১৪ |
| ২.০৪.০১ তোলনি বিয়া | ১৪ - ২০ |
| ক) অন্যান্য জনগোষ্ঠীৰ মাজত নোৱাই তোলনি বিয়া | ২০ - ২২ |
| ২.০৪.০২ দৰা-কইনাৰ বিয়া | ২২ |
| ক) সুৱাগৰ ধান বনা | ২৩ |
| খ) জোৰণৰ বাকচত কইনাৰ কাপোৰ অলংকাৰ ভৰোৱা | ২৪ |

| | |
|---|---|
| গ) বিয়াৰ ৰভা খুটা পোতা | ২৪ |
| ঘ) জোৰণৰ দিনা ৰাতিপুৱা পদুলিত কলপুলি ৰোৱা | ২৪ |
| ঙ) ঘটত চাউল ভৰোৱা | ২৪ |
| চ) দুণৰি সজোৱা | ২৪ |
| ছ) মৰল-সজা | ২৪ |
| জ) বেই বনোৱা | ২৪ |
| ঝ) আমডালি অঁৰা | ২৫ |
| ঞ) জোৰণ পৰিধান কৰা | ২৫ - ২৯ |
| ট) পানীতোলা | ২৯ - ৩২ |
| ঠ) দৰা-কইনা গা ধুওৱা পৰ্ব | ৩২ - ৩৪ |
| ড) গন্ধ অধিবাস | ৩৪ - ৩৫ |
| ঢ) গাঁঠিয়ন খুন্দা | ৩৫ - ৩৬ |
| ণ) কুলাবুঢ়ী নাচ | ৩৬ - ৩৭ |
| ২.০৪.০৩ বিবাহৰ দিনা | ৩৭ |
| ক) দৈয়ন দিয়া | ৩৭ - ৩৮ |
| খ) ন-পুৰুষৰ শ্ৰাদ্ধ | ৩৮ |
| গ) সুৱাগুৰি তোলা | ৩৮ |
| ঘ) বৰযাত্ৰা | ৩৯ |
| ঙ) দুৱাৰ ধৰা | ৪০ - ৪১ |
| চ) কইনা সজোৱা | ৪১ - ৪৫ |
| ছ) দৰা আদৰা পৰ্ব | ৪৫ - ৪৭ |
| জ) কন্যা খোজা পৰ্ব | ৪৬ - ৪৭ |
| ঝ) কুশচিঙা আৰু সম্প্ৰদান | ৪৭ - ৫১ |
| ঞ) আখৈ দিয়া | ৫০ - ৫২ |
| ট) লগুন গাঁঠি | ৫১ |
| ঠ) সপ্তপদী গমন | ৫১ - ৫২ |

ড) আঙঠি খোলা ৫২ - ৫৩
ঢ) বাটি ঘূৰোৱা ৫৩
ণ) কইনা বিদায় ৫৩ - ৫৪
ত) কইনা আদৰা পৰ্ব ৫৪ - ৫৫
২.০৫ বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত বিয়ানামৰ লগতে অনুষ্ঠানসমূহ ৫৬
১) মিচিং জনজাতিৰ বিবাহ ৫৬ - ৫৭
২) বড়ো জনজাতিৰ বিবাহ ৫৮
৩) দেউৰী জনজাতিৰ বিবাহ ৫৮ - ৫৯
৪) চাহ-জনগোষ্ঠীসকলৰ বিবাহ ৫৯ - ৬০
৫) ৰাভা জনজাতিসকলৰ বিবাহ ৬০
৬) আহোম সম্প্ৰদায়সকলৰ বিবাহ ৬০
৭) সোণোৱাল কছাৰীসকলৰ বিবাহ ৬১
২.০৬ ভেকুলী বিয়া ৬১ - ৬২
২.০৭ পোহন বিয়া ৬২ - ৬৪

**তৃতীয় অধ্যায়**

৩.০০ বিয়ানামত নাৰীমনৰ প্ৰকাশ ৬৫ - ৬৯
৩.০১ বিয়ানামৰ বিশ্বায়ণৰ প্ৰভাৱ ৯৬ - ৭০
৩.০২ সামাজিক প্ৰেক্ষাপটত বিয়ানামৰ প্ৰাসংগিকতা ৭০

**চতুৰ্থ অধ্যায়**

৪.০০ সিদ্ধান্ত ৭১ - ৭২
৪.০১ উপসংহাৰ ৭২
গ্ৰন্থপঞ্জী
তথ্যদাতাৰ তালিকা
আলোকচিত্ৰ

# প্রথম অধ্যায়

# প্ৰথম অধ্যায়

## ১.০০ অৱতৰণিকা

অসম হ'ল নানা জাতি জনগোষ্ঠীৰে পৰিপূৰ্ণ ৰাজ্য। পাহাৰ-ভৈয়াম, নদ-নদী, খেতি-পথাৰ সাৰটি অসমৰ অন্যতম এই উত্তৰ-পূৰ্বাঞ্চল। অতীজৰে পৰা অসমত বাস কৰি অহা জাতি-জনগোষ্ঠীসমূহৰ ধৰ্মীয়-দৰ্শন, পৰম্পৰা, সামাজিক চিন্তা চেতনাৰ আধাৰত অনুষ্ঠানসমূহ পালন কৰি অহা হৈছে। এইবোৰে জাতিগত জীৱন ধাৰণৰ পদ্ধতি, আশা, উৎসৱ, অনুষ্ঠান, হৰ্ষ-বিষাদ, ধৰ্মীয় বিশ্বাস, আৱেগ-অনুভূতি, সৌন্দৰ্যতা প্ৰকাশ কৰি আহিছে।

সংস্কৃতিয়ে পৰম্পৰাগত ভাৱে চলি অহা ৰীতি-নীতি, লোকাচাৰ, খাদ্যভাস, সাজপাৰ, সমাজ পদ্ধতি, ধৰ্মীয় ভাৱনা, ভাৱ-ভাষা, চিত্ৰ-ভাস্কৰ্য, শিল্প কলা, সংগীত-নৃত্য সকলোবোৰ উপাদান বহন কৰি আহিছে। সমাজত সংস্কৃতিৰ প্ৰভাৱ সুদুৰপ্ৰসাৰী। ইয়াৰ নিজস্ব ৰূপ আছে। সমাজ, জনগোষ্ঠী বা অঞ্চলভেদে এই ৰূপ পৰিগৃহীত হয়। এখন সমাজৰ আচাৰ-আচৰণ তথা ব্যৱস্থাৰ জৰিয়তে ইয়াৰ সংস্কৃতিৰ ৰূপ নিৰ্ণয় কৰিব পাৰি।

অন্যান্য উৎসৱ অনুষ্ঠানসমূহৰ ভিতৰত সামাজিক জীৱনৰ লগত জড়িত বিবাহ অনুষ্ঠানেই হ'ল সাৰ্বজনীন ৰূপ গ্ৰহণ কৰা অনুষ্ঠান। বিভিন্ন জাতি জনগোষ্ঠীৰ ধৰ্মীয় দৰ্শন, নীতি-নিয়ম, আধ্যাত্মিক চিন্তা-চেতনাৰ মাজত বিবাহ অনুষ্ঠানে এক সুকীয়া সাংস্কৃতিক পৰিৱেশ গঢ়ি তুলিছে। বিবাহ মাঙ্গলিক অনুষ্ঠান। বিবাহ অনুষ্ঠানৰ মূল আকৰ্ষণ হ'ল বিয়ানামবোৰ। বিবাহ অনুষ্ঠানৰ এৰিব নোৱাৰা অংগ এই বিয়ানামবোৰ।

লোকসংগীত হিচাপে অসমীয়া জনজীৱনত বিয়ানামৰ এক সুকীয়া স্থান আছে। এই বিয়ানাম সমূহে অসমীয়া লোকসংগীত চহকী কৰাৰ লগতে সাহিত্যৰ ভঁৰাল ও চহকী কৰি ৰাখিছে। বিবাহ হ'ল এক সামাজিক অনুষ্ঠান। য'ত প্ৰতিফলিত হয় অসমীয়া সমাজৰ সভ্যতা-সংস্কৃতি, চিত্ৰকলা, প্ৰাকৃতিক পৰিৱেশ, ঠাইৰ নাম, আচাৰ-ৰীতি, মূল্যবোধ লগতে নিৰ্দোষ ধেমালি। বিয়ানামবোৰ অনুষ্ঠান মূলক লোকসংগীতৰ অন্তৰ্গত। বিবাহ অনুষ্ঠানৰ আৰম্ভণিৰ পৰা শেষলৈকে ভালেমান সৰু-বৰ অনুষ্ঠান থাকে। প্ৰতিটো অনুষ্ঠানৰ চিত্ৰ নামৰ জৰিয়তেই ফুটাই তোলা হয়। আয়তীসকলে বিবাহৰ বিভিন্ন কাৰ্য যেনে — জোৰোন আদৰা নাম, পানী তোলা নাম, গা-

ধুওৱা নাম, সুৱাগুৰি তোলা নাম, দৈয়ন দিয়া নাম, যোৰানাম, দৰা আদৰা নাম আদি সকলোবোৰক কেন্দ্ৰ কৰি বিয়া নাম পৰিবেশন কৰে।

আমাৰ অসমত বিবাহৰ প্ৰকাৰৰ ভিতৰত ছোৱালীৰ কন্যাকালৰ তোলনি বিয়া, দৰা কইনাৰ বিয়া, ভেকুলী বিয়া, পোহনী বিয়া ইত্যাদি দেখা পোৱা যায়। মাঙ্গলিক অনুষ্ঠান হিচাপে বিবাহ অনুষ্ঠানৰ মাঙ্গলিক ঐতিহ্যৰ নীতি-নিৰ্ধাৰণ কৰিছে বিভিন্ন জনগোষ্ঠীৰ ধৰ্মীয় দৰ্শন আৰু সংস্কাৰমুখী সামাজিক চেতনাই। প্ৰত্যেকটো বিবাহৰ প্ৰকাৰৰ লগত আচাৰ-ৰীতি, ধৰ্মীয় ধাৰণা বা বিশ্বাস জড়িত হৈ আছে। বিয়ানামবোৰ কেৱল ৰং ৰইচৰ গীত নহয়, বৰঞ্চ ইয়াৰ জৰিয়তে ঈশ্বৰক সন্তুষ্ট কৰা বা প্ৰাৰ্থনা কৰা, দৰা-কইনাক আৰ্শীবাদ দিয়া, দিহা-পৰামৰ্শ, ধৰ্মীয় বিশ্বাস আদি জড়িত হৈ আছে।

কিন্তু পৰিতাপৰ বিষয় যে আমাৰ সমাজত পৰম্পৰাগত ভাৱে চলি অদহা এই বিয়ানাম সমূহ বিশ্বায়নৰ প্ৰভাৱতেই হওঁক বা অন্য কাৰণতেই হওঁক ক্ৰমাৎ লুপ্ত হৈ অহা দেখা গৈছে। আজিকালি বিবাহ অনুষ্ঠানত বিয়ানাম গাব জনা জীয়ৰী-বোৱাৰীৰ সংখ্যাও তেনেই কম। পুৰণি দিনৰে পৰা চলি অহা এই সোণসেৰীয়া বিয়া-নামবোৰ আমাৰ মাজৰ পৰা হেৰাই যোৱাৰ উপক্ৰম হৈছে। সেয়েহে সময় থাকোতেই বিয়ানামসমূহ যাতে হেৰাই নাযায় তাৰ ব্যৱস্থা কৰা, এইবোৰক সংগ্ৰহ কৰা, প্ৰচাৰ-প্ৰসাৰৰ ব্যৱস্থা কৰা, নৱ-প্ৰজন্মক লোক সংগীতৰ প্ৰতি আকৰ্ষিত কৰাৰ চেষ্টা কৰা, এইবোৰৰ লগতে সামাজিক ৰীতি-নীতি, আচাৰ-অনুষ্ঠানসমূহ যাতে আমাৰ মাজৰ পৰা হেৰাই নাযায় তাৰ ব্যৱস্থা কৰাটো আমাৰ সকলোৰে কৰ্ত্তব্য। গাঁৱৰ বয়োজ্যেষ্ঠ আইসকল, লোক সংস্কৃতিৰ সাধকসকলৰ পৰা মুখে মুখে চলি অহা বিয়া নামবোৰ সংগ্ৰহ কৰিব পাৰিলে বিয়ানামসমূহ আমাৰ লোকসাহিত্যৰ আপুৰুগীয়া সম্পদ হৈ ৰ'ব। এই আপুৰুগীয়া বিয়া নামবোৰ, যিবোৰ পৃথিৱীতে বিৰল যাতে এইবোৰ বিলুপ্ত হৈ নাযায় তাৰেই প্ৰচেষ্টা মাথোঁ।

**১.০১ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য —**

ক) বিয়ানামৰ বিশ্লেষণাত্মক অধ্যয়ন কৰা।

খ) বিয়ানামৰ ঐতিহ্য পৰম্পৰাক চিহ্নিত কৰা।

গ) অসমৰ জাতি-জনগোষ্ঠীসমূহৰ বিবাহ পদ্ধতিৰ লগতে বিয়ানামসমূহৰ ওপৰত আলোকপাত কৰা।

ঘ) অনুষ্ঠান হিচাপে বিয়ানামৰ ভূমিকা বিচাৰ কৰা।

ঙ) এই গৱেষণা হ'ল এক দুৱাৰ স্বৰূপ। ইয়াৰ জৰিয়তে বিবাহ বা বিয়ানামৰ সম্পৰ্কে অনুপ্ৰাণিত কৰা।

**১.০৩ গৱেষণাৰ সমস্যা —**

আজি কালি সামাজিক অনুষ্ঠানৰ বিভিন্ন ভাগ দেখিবলৈ পোৱা যায়। সেইমতে বিবাহ অনুষ্ঠানৰ লগত জড়িত ৰীতি-নীতি, বিশ্বাস আদিও প্ৰত্যেক অনুষ্ঠানৰ বেলেগ বেলেগ দেখিবলৈ পোৱা যায়। প্ৰত্যেকৰে অনুষ্ঠান সমূহ ও ভিন্ন দেখা যায়। সকলোবোৰ আওঁতালৈ আনিবলৈ অসুবিধা। তথাপিও পৰম্পৰাগত ভাৱে বা ঐতিহাসিক ভাৱে যি বিবাহ অনুষ্ঠান আৰু ইয়াৰ লগত জড়িত ধৰ্মীয় বিশ্বাস, আচাৰ, ৰীতি-নীতিৰ ওপৰতেই এই গৱেষণা।

**১.০৩ অধ্যয়ণৰ পৰিসৰ —**

অসমৰ লোক সংগীতৰ ইতিহাসৰ লগত লোককলা হিচাপে পৰম্পৰাগত বিবাহ অনুষ্ঠান, বিয়া নামৰ পৰিবেশন শৈলী ইয়াৰ লগত জড়িত আচাৰ, ৰীতি-নীতি সমূহৰ লগতে যোৰহাট জিলাস্থিত বয়োজ্যেষ্ঠ ব্যক্তি তথা লোক-সংস্কৃতিৰ সাধক সকলৰ সংগত বিয়া নামৰ মৌলিকতা ৰক্ষাধৰ্মী ব্যৱস্থা সমূহৰ ওপৰত আলোকপাত কৰা হৈছে। সংস্কৃতিৰ ৰূপ, বিয়া নামৰ মৌলিক ৰূপ ইয়াৰ লগত জড়িত অন্যান্য বিবাহধৰ্মী অনুষ্ঠানৰ গুৰুত্ব আদিৰ ওপৰত আলোচনা কৰা হৈছে। অন্যান্য জাতি জনগোষ্ঠীৰ মাজত প্ৰচলিত বিবাহকেন্দ্ৰিক অনুষ্ঠানৰ লগতে বিয়া গীত আলোচনা কৰা হৈছে।

**১.০৪ বিষয়ৰ গুৰুত্ব —**

সংস্কৃতি জাতিৰ প্ৰাণ। এটা জাতিৰ জাতীয় সংস্কৃতিৰ অধ্যয়ন আৰু সংৰক্ষণৰ দ্বাৰা পূৰ্ব পুৰুষসকলৰ কৰ্মস্পৃহা, চিন্তা-চেতনা, সভ্যতা সংস্কৃতিৰ পৰিচয় পোৱা হয়। এটা জাতিৰ কলা সংস্কৃতিৰ ঘূনে ধৰা মানে জাতিটোও নিশ্চিহ্ন হোৱাৰ পথত। বৰ্তমান বিশ্বায়নৰ বজাৰ কেন্দ্ৰিক প্ৰতিযোগিতা আৰু উদাৰীকৰণে দেশ, জাতি, মানুহ, সমাজ, অৰ্থনীতি, সভ্যতা-সংস্কৃতি সকলোতে প্ৰভাৱ পেলাইছে। সাংস্কৃতিক প্ৰমূল্যক পণ্যলৈ ৰূপান্তৰিত হোৱাৰ পৰা আমাৰ সংস্কৃতিক ৰক্ষা কৰাটো নিতান্তই প্ৰয়োজনীয়। ঐতিহ্য আৰু পৰম্পৰাক বিকৃত নকৰাকৈ বিয়ানামৰ যি সংস্কৃতিক বাতাবৰণ তাক সময়োপযোগী ৰূপত তুলি ধৰিবৰ হ'ল।

সমাজ-সংস্কৃতি সদায় গতিশীল, পৰিৱৰ্তনশীল। পৰিৱৰ্তন স্বাভাৱিক। কিন্তু পৰিৱৰ্তনৰ নামত এটা জাতিৰ সাংস্কৃতিক ঐতিহ্যক ছিন্নমূল কৰি লোক-সংস্কৃতিক ওফৰাই পেলালে নহ'ব।

**১.০৫ অধ্যয়নৰ ক্ষেত্ৰ —**

লোক সংগীতৰ পৰম্পৰাগত ইতিহাসৰ লগতে বিয়ানামৰ আনুষ্ঠানিক গুৰুত্বৰ ওপৰত অধ্যয়নৰ ক্ষেত্ৰ হিচাপে অসমৰ বিয়া নামৰ পৰম্পৰাগত ৰূপৰ ওপৰত ভিত্তি কৰি যোৰহাট জিলাৰ অন্তৰ্গত পূৱ-পশ্চিম-উত্তৰ-দক্ষিণ এই চাৰিও দিশৰ লোক সংস্কৃতিৰ সাধক তথা বয়োজ্যেষ্ঠসকলৰ সংস্পৰ্শত বিবাহৰ অনুষ্ঠানসমূহৰ লগতে বিয়ানামৰ ত্বাতিকতা আৰু প্ৰয়োজনীয়তা সম্পৰ্কত তথ্য সংগ্ৰহ কৰা হৈছে।

**১.০৬ গৱেষণামূলক প্ৰশ্ন —**

এই গৱেষণা পত্ৰ প্ৰস্তুত কৰোঁতে কিছু প্ৰশ্নাৱলী তৈয়াৰ কৰি লোৱা হৈছিল। যিবোৰ হ'ল এনেধৰণৰ—

১) সংস্কৃতিয়ে এটা জাতিৰ কেনেদৰে ৰূপ নিৰ্ণয় কৰে?

২) সামাজিক প্ৰেক্ষাপটত বিবাহধৰ্মী অনুষ্ঠানবোৰৰ ভূমিকা কেনেদৰে হোৱা উচিত?

৩) বিয়ানামবোৰ কেনেদৰে অধ্যয়ন তথা সংৰক্ষণ কৰা উচিত?

৪) বিয়ানামবোৰ ইয়াৰ মৌলিক সুৰ কেনেদৰে ধৰি ৰাখিব?

৫) বিশ্বায়নৰ প্ৰভাৱত আমি আমাৰ সংস্কৃতি পাহৰি যোৱা উচিত নে?

৬) লোককলাৰ অধ্যয়ন কৰাটো কিমান প্ৰয়োজনীয়তা?

৭) অন্যান্য জাতি-জনগোষ্ঠীসমূহৰ মাজত বিবাহধৰ্মী অনুষ্ঠান সমূহ কেনেদৰে পালন হয়? ইয়াৰ লগত গীতবোৰৰ পৰিৱেশন শৈলী কেনেধৰণৰ?

৮) বিয়ানামবোৰে সংস্কৃতি ৰক্ষাত কেনেদৰে সহায়ক হ'ব?

৯) বিয়ানামবোৰে সমাজলৈ কি বহন কৰি আনে?

১০) লোক সংস্কৃতি সমাজৰ বাবে কিমান জৰুৰী?

১১) প্ৰগতিশীল সমাজে কেনেদৰে নিজৰ প্ৰতিভা খামুচি ৰাখিব বৰ্তমান?

১২) অন্যান্য বিবাহধৰ্মী অনুষ্ঠানবোৰৰ উদ্দেশ্য কি?

**১.০৭ পূৰ্ব্বকৃত অধ্যয়নৰ সমীক্ষা —**

অসমৰ লোক সংস্কৃতিৰ অন্যতম বিবাহ অনুষ্ঠান তথা বিয়ানামবোৰৰ বিষয়ে অধ্যয়ন কৰিবলৈ যাওঁতে লোক-সংস্কৃতিৰ বিভিন্ন গ্ৰন্থসমূহৰ পৰা তথ্য আহৰণ কৰা হৈছে। গৱেষকৰ গৱেষণাৰ পৰাও তথ্য আহৰণ কৰা হৈছে। অৱশ্যে লোক-সংস্কৃতি, বিয়া নাম বুলি বেছি সংখ্যক গ্ৰন্থ পোৱা নগ'ল।

লোক সংস্কৃতিৰ কেইখনমান গ্ৰন্থ উল্লেখ কৰা হ'ল —

ঃ নেওঁগ, হৰিপ্ৰসাদ ঃ গগৈ, *লীলা ... অসমীয়া সংস্কৃতি,* চতুৰ্থ প্ৰকাশ ঃ ২০০৩, প্ৰকাশক - অসম সাহিত্য সভাৰ হৈ — শ্ৰীমাখন হাজৰিকা, বনলতা ডিব্ৰুগড় - ১

ঃ উক্ত গ্ৰন্থভাগত ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'অসমৰ লোক সংস্কৃতি' শীৰ্ষক এটি সাধাৰণ আলোচনা পোৱা যায়। লগতে 'লোকসংস্কৃতি বিৱৰ্তন' শীৰ্ষক এটি আলোচনাও পোৱা যায়।

ঃ গগৈ, *লীলা ... অসমৰ সংস্কৃতি,* ৬ষ্ঠ (বনলতা সংস্কৰণ) প্ৰকাশক ঃ শ্ৰী মাখন হাজৰিকা, বনলতা, ডিব্ৰুগড়।

উক্ত গ্ৰন্থভাগত 'সংস্কৃতি' শীৰ্ষক এটি আলোচনা পোৱা যায়।

ঃ দাস, ড° ভূৱন মোহন ... *অসমীয়া সংস্কৃতি সংৰক্ষণ আৰু অন্যান্য,* প্ৰথম প্ৰকাশ, জুন ২০০৩ প্ৰকাশক ঃ গিৰিপদ চৌধুৰী, বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড, পাণবজাৰ, গুৱাহাটী।

উক্ত গ্ৰন্থভাগত বিয়ানামৰ ওপৰত চমু আলোচনা পোৱা যায়।

ঃ কলিতা, ড° থুনু ... *বিবাহ উৎসৱ পৰম্পৰা আৰু বিয়ানাম,* প্ৰকাশক ঃ ক্ৰান্তিৰাম প্ৰকাশন, এম.জি. ৰ'ড, নগাঁও - ৭৮২০০১

উক্ত গ্ৰন্থভাগত বিবাহৰ লগত জড়িত পৰম্পৰা, সামাজিক আৰু সংস্কৃতিৰ দিশত বিবাহৰ তাৎপৰ্য, বিয়ানাম আদিৰ উল্লেখনীয় তথ্য পোৱা যায়।

ঃ আহমেদ, এলি ... *আমাৰ সমাজ আৰু লোক সংস্কৃতি,* দ্বিতীয় প্ৰকাশ, জানুৱাৰী ২০১৪, প্ৰকাশক ঃ শ্ৰী পবিত্ৰ জীৱন বৰুৱা, শতাব্দী প্ৰকাশন, গুৱাহাটী - ৭৮১০০৩

উক্ত গ্ৰন্থভাগত 'সমাজ' শীৰ্ষক আলোচনা পোৱা যায়।

ঃ চেতিয়া, ড° চন্দ্ৰ কমল ... *অসমৰ সংস্কৃতি অধ্যয়ন,* ২০২০

এই গ্ৰন্থত সংস্কৃতিৰ স্বৰূপ, সংজ্ঞা, শ্ৰেণীবিভাজন আদিৰ ওপৰত আলোচনা পোৱা গ'ল।

ঃ শইকীয়া, অনু ... *লোক সংস্কৃতিৰ বাহক বিয়ানাম,* মে’ ২০১৩, প্ৰকাশক ঃ যোৰহাট জিলা সাহিত্য সভা।

এই গ্ৰন্থভাগত ‘লোক সংস্কৃতিৰ বাহক বিয়ানাম’ নামেৰে বিবাহ অনুষ্ঠানৰ লগতে বিয়ানাম পোৱা হয়।

ঃ বৰুৱা, সোণমণি ... *অসমৰ বিয়ানাম ঃ এক বিশ্লেষণাত্মক অধ্যয়ন,* অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ডিব্ৰুগড়, অসম, ২০১৫ চন।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত পি.এইচ.ডি. উপাধিৰ বাবে দাখিল কৰা গৱেষণা গ্ৰন্থভাগত বিয়ানামৰ ওপৰত বিস্তৃত বিৰৰণ পোৱা যায়।

**১.০৮ অধ্যয়নৰ পদ্ধতি আৰু সমল —**

অধ্যয়নৰ পদ্ধতি হিচাপে গৱেষণাত সহায় হোৱাকৈ বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে।

এই অধ্যয়নত দুই প্ৰকাৰৰ সমলৰ সহায় লোৱা হৈছে। সেয়া হৈছে মুখ্য সমল আৰু গৌণ সমল। মুখ্য সমল হ’ল — শিক্ষাগুৰুসকল, লোক সংস্কৃতিৰ সাধকসকল, সহপাঠীসকল, জ্যেষ্ঠসকল আৰু গৌণ সমল হ’ল — বিভিন্ন গ্ৰন্থ, গৱেষণা পত্ৰ, পুঁথিভৰাল আৰু ইন্টাৰনেটৰ পৰা প্ৰয়োজনীয় তথ্য লোৱা হৈছে।

# দ্বিতীয় অধ্যায়

# দ্বিতীয় অধ্যায়

## ২.০০ অসমৰ লোকসংগীত ঃ এক আলোচনা —

এটা জাতিৰ সংস্কৃতিৰ মাজেৰে জীৱন প্ৰতিভাৰ প্ৰকাশ ঘটে। লোক-সংস্কৃতি জাতি একোটাৰ সাংস্কৃতিক জীৱনৰ ভেটি। সাংস্কৃতিকভাৱে অসম ৰাজ্যও বাৰে-ৰহণীয়া সংস্কৃতিৰে ভৰপুৰ। নানা জাতি-জনগোষ্ঠী সমূহৰ কৃষ্টি-সংস্কৃতি, কলাৰ উপকৰণেৰে অসমৰ লোক সংস্কৃতিৰ ভঁৰাল চহকী কৰি ৰাখিছে।

সময়ৰ অগ্ৰগতিৰ লগে লগে মানুহৰ জীৱনলৈ ন-ন ৰূপ আহি পৰিছে। সভ্যতাৰ বিকাশৰ লগে লগে মানুহে সু-সংহত ব্যৱস্থাৰ লগতে জীৱনৰ ধাৰণৰ বাবে অনুকূল অৱস্থা পাইছে। কিন্তু এই পৰ্যায় পাবলৈ সত্য আৰু সংস্কৃতিবান সমাজে বহু পথ অতিক্ৰম কৰি আহিছে। সেই পথৰ আটাইতকৈ গুৰুত্বপূৰ্ণ এছোৱা হ'ল অনাক্ষৰী লোক জীৱনৰ স্তৰ। এই স্তৰত অনাক্ষৰী লোক জীৱনে যিবোৰ গীত-মাত, নৃত্য-নাট, কথা-কাহিনী, ৰীতি-নীতি, আচাৰ-বিচাৰ, উৎসৱ-অনুষ্ঠান, ধৰ্ম-বিশ্বাস আদি সমূহীয়াকৈ সৃষ্টি কৰিছিল। সেইবোৰৰ ভেঁটিতেই অসমীয়া সমাজ প্ৰতিষ্ঠিত।

বৰ্তমান কালত শিল্প আৰু বিজ্ঞানৰ ক্ৰমোন্নয়নৰ ফলত অনাক্ষৰী লোক-জীৱনৰ চানেকিসমূহ লোপ পাই আহিব ধৰিছে। এই লোপ পাবলৈ ধৰা লোক সংস্কৃতিসমূহ অধ্যয়ন আৰু চৰ্চাৰ লগতে গৱেষণাৰ প্ৰয়োজনীয়তা আহি পৰিছে।

অসমৰ লোক সংস্কৃতিৰ অন্যতম লোক সংগীত সমূহ এক সমৃদ্ধিশালী ঐতিহ্য। ইয়াৰ গানবোৰত অসমীয়া সংস্কৃতি ইতিহাস আৰু লোক জীৱনৰ প্ৰতিফলন ঘটিছে। অসমৰ বিভিন্ন জনগোষ্ঠীৰ লোকসংগীত নিজস্ব বৈশিষ্ট্যৰে সমৃদ্ধ। লোক সংগীতসমূহৰ বিষয়বস্তু-বিবাহ, পূজা-পাৰ্বন, কৃষি, সামাজিক লোকাচাৰ আদি। লগতে প্ৰাকৃতিক সৌন্দৰ্য, জীৱনৰ অভিজ্ঞতাও লোকসংগীতৰ অন্যতম মুখ্য আকৰ্ষণ।

অসমীয়া লোকসংগীতে অসমীয়া সাহিত্য, সংস্কৃতি আৰু সমাজ জীৱনত গভীৰ প্ৰভাৱ পেলাইছে। লোক কলা বা পৰিৱেশ্য কলা ৰীতিয়ে অসমৰ লোক সংস্কৃতিত বৈচিত্ৰতা প্ৰদান কৰিছে।

## ২.০১ অসমৰ লোক সংগীতৰ ইতিহাস —

মানৱ সমাজত প্ৰচলিত প্ৰাচীনতম সংগীতেই হ'ল লোকসংগীত। কথাৰে, সুৰেৰে মনৰ ভাৱ প্ৰকাশ কৰাটো মানৱ সমাজৰ বৈশিষ্ট্য। অসমৰ জাতীয় জীৱনৰ এক বৰ্ণাঢ্য ইতিহাস আছে। লগত আছে জাতি-জনগোষ্ঠীসমূহৰ সাংস্কৃতিক ঐতিহ্য পৰম্পৰাৰ সমন্বয়ৰ ইতিহাস। অতীজৰে পৰা অসমত বসবাস কৰা জাতি-জনগোষ্ঠীসমূহৰ ধৰ্মীয় দৰ্শন, চিন্তা-চেতনাৰ আধাৰত পৰম্পৰাগতভাৱে বিভিন্ন উপলক্ষত বিভিন্ন অনুষ্ঠান পালন হৈ আহিছে। অসমৰ জাতীয় জীৱনৰ ইতিহাসত উৎসৱ অনুষ্ঠানৰ গুৰুত্ব বহুত।

মানৱ জাতিৰ জন্মৰ লগে লগে লোক-সংস্কৃতিৰো জন্ম। লোক-সংস্কৃতিয়ে লোক সমাজত পৰম্পৰাগত ভাৱে চলি অহা জন্ম, মৃত্যু, বিবাহৰ লগত সম্পৰ্ক থকা বিভিন্ন কৰণীয় অনুষ্ঠান - কৃষি উৎসৱ, পূজা উৎসৱ, লোক কলা, লোক নৃত্য, লোক কাহিনী, লোকগীত, লোক ভাষা ইত্যাদিবোৰক সামৰি লয়।

লোক সংগীতে পূৰ্বৰ পৰা বিকশিত সমসাময়িক ধাৰাটোক সামৰি লয়। অসমীয়া সমাজ জীৱনৰ চিত্ৰপটখন সংগীতেৰেই আৰম্ভ হৈ সংগীততেই শেষ হয় বুলি ক'ব পাৰি। পুৱা শুই উঠি প্ৰাৰ্থনাৰে পৰা, কেঁচুৱাৰ নিচুকণি গীত, পথাৰৰ গীত, ম'হ চৰাওতে গীত, মাছ ধৰোতে গীত, বিহুনামত গীত, নাও মেলোৱা গীত, আই নাম, বিয়া নাম, দেহ বিচাৰৰ গীত, টোকাৰী গীত, গোসাই নাম, বনগীত, শেষত সন্ধ্যা নামঘৰৰ ডবা কোবাই প্ৰাৰ্থনা কৰালৈকে কেৱল গীতেৰেই অসমীয়া সমাজ জীৱন প্ৰতিফলিত হৈ যায়। এই গীতবোৰ গ্ৰাম্য লোকৰ সৃষ্টি। এই গীতসমূহৰ জৰিয়তে মানুহে মনৰ সুখ-দুখ, আনন্দ-উল্লাহ, আৱেগ-অনুভূতি, তুতি-মিনতি আদি প্ৰকাশ কৰে।

অসমীয়া লোক সংগীতৰ ক্ষেত্ৰখন অতি সমৃদ্ধিশালী। এই লোকগীতবোৰে জাতিৰ জাতীয়তাবোধৰ পৰিচয় বহন কৰে। লোকগীতসমূহৰ জৰিয়তে জনসাধাৰণৰ সঁচা মনৰ ভাৱ প্ৰকাশ হয়। এই লোকগীতসমূহ কোনে কেতিয়া, কি পৰিস্থিতিত ৰচনা কৰিছিল তাৰ তথ্য পোৱা নাযায়। এই গীতসমূহ অখ্যাত গীতিকাৰৰ ৰচনা। এইবোৰ হ'ল মুখ বাগৰা গীত। লোকগীতৰ প্ৰধান লক্ষন হ'ল সুৰৰ সীমাবদ্ধতা। সুৰ সপ্তকৰ আৱিষ্কাৰ হোৱাৰ পূৰ্বতে পৰা লোকগীতবোৰৰ প্ৰচলন। যাৰ ফলত সুৰৰ শাস্ত্ৰসন্মত সংজ্ঞা লোকগীতবোৰত পোৱা নাযায়। উচ্চাংগ আৰু লোকসংগীতৰ পথ আৰু লক্ষ্য একে নহয় যদিও উচ্চাংগ সংগীত লোকসংগীতৰ পৰা একেবাৰে পৃথক নহয়। কাৰণ লোকসংগীত সমূহৰ পৰা সমল গ্ৰহণ কৰিহে সেইবোৰক প্ৰণালীবদ্ধ ভাৱে চালি-জাৰি চাই নতুন ৰূপত উচ্চাংগ সংগীতৰ সৃষ্টি।

বিষয়বস্তু অনুসৰি লোকগীতবোৰক চাৰিটা ভাগত ভাগ কৰা হৈছে —

ক) অনুষ্ঠানমূলক গীত,

খ) কৰ্মবিষয়ক গীত,

গ) আখ্যানমূলক গীত,

ঘ) বিবিধ বিষয়ক গীত।

ক) **অনুষ্ঠানমূলক গীত** ঃ অনুষ্ঠানমূলক লোকগীত সমূহক দুটা ভাগত ভাগ কৰা হৈছে সেয়া হ'ল —

১) ভক্তিমূলক গীত আৰু

২) ভক্তি নিৰেপক্ষ গীত

১) **ভক্তিমূলক গীত** ঃ

অসমীয়া সমাজত লোকসকল ধৰ্মীয় বিশ্বাসৰ লগত জড়িত। লোকবিশ্বাসত বিভিন্ন দেৱ-দেৱীৰ স্থান উচ্চ। এই দেৱ-দেৱীসকলক সন্তুষ্ট কৰি দৈনিক জীৱন যাত্ৰা সুকলমে আৰু সুখময় কৰিবৰ অৰ্থে প্ৰাচীন কালৰে পৰা পূজা উপাসনা কৰে। এই অনুষ্ঠানসমূহৰ লগত ভক্তিমূলক গীত পৰিৱেশন কৰে। সেইসমূহ হ'ল — আই নাম, সুৰচনী নাম, গোঁসাই নাম, দেহবিচাৰ গীত, টোকাৰী গীত, অপেশ্বৰী গীত, লখিমী সবাহৰ গীত ইত্যাদি।

২) **ভক্তি নিৰপেক্ষ গীত** ঃ

এই সমূহ অসমীয়া লোক সাহিত্যৰ অন্যতম। এই গীতবোৰ ধৰ্মনিৰপেক্ষ তথা সমাজৰ আন আন দিশৰ লগত জড়িত উৎসৱ অনুষ্ঠানত পৰিবেশন কৰা হয়। এই শ্ৰেণীৰ গীতৰ ভিতৰত বিহুগীত, বিয়া নাম, মহোহো গীত, বহুৰঙী গীত ইত্যাদি।

খ) **কৰ্মবিষয়ক গীত** ঃ কৰ্মৰ লগত জড়িত গীতবোৰক কৰ্মবিষয়ক গীত বোলা হয়। শ্ৰমদায়ক কামত শ্ৰম লাঘৱ কৰিবৰ বাবে এই গীতবোৰ গোৱা হয়। এইবোৰৰ ভিতৰত নিচুকণি গীত, গৰখীয়া গীত, হালবোৱা গীত, কুঁহিয়াৰ পেৰা গীত, বৰশী বোৱা গীত আদি।

গ) **আখ্যানমূলক গীত** ঃ কোনো আখ্যান অথবা কাহিনীৰ ওপৰত এই গীতবোৰ ৰচিত। এইবোৰ গীতত বুৰঞ্জীমূলক নাইবা কল্পনা প্ৰধান কোনো ঘটনা সৰল ভাষাত বৰ্ণনা কৰা হয়।

এই আখ্যানমূলক গীতসমূহক আকৌ তিনিটা ভাগত ভাগ কৰা হৈছে —

১) **বুৰঞ্জীমূলক মালিতা ঃ**

বুৰঞ্জীৰ কোনো ঘটনা, চৰিত্ৰ বা কাহিনীক কেন্দ্ৰ কৰি নিৰ্মিত এই গীতবোৰ। ইয়াৰ ভিতৰত বৰফুকনৰ গীত, হৰদত্ত-বীৰদত্তৰ গীত, মণিৰাম দেৱানৰ গীত, জয়মতী কুঁৱৰীৰ গীত, গৌৰীনাথ সিংহৰ গীত, চিকন সৰিয়হৰ গীত, নাহৰৰ গীত আদি।

২) **জনশ্ৰুতিমূলক মালিতা ঃ**

এই গীতবোৰ জনসমাজত প্ৰচলিত আখ্যান কিছুমানক লৈ ৰচিত। ইয়াত অতিপ্ৰাকৃত বা অলৌকিক ঘটনাৰ বিশেষ সমাহাৰ ঘটে। এই শ্ৰেণীৰ গীতৰ ভিতৰত — ফুলকোঁৱৰৰ গীত, কমলা কুঁৱৰীৰ গীত, দুবলা শান্তিৰ গীত, জনাগাভৰুৰ গীত, মইনামতীৰ গীত, গোপীচন কোঁৱৰৰ গীত, লীলাৱতী গীত ইত্যাদি।

৩) **কাল্পনিক মালিতা ঃ**

এই শ্ৰেণীৰ গীতৰ ভিতৰত কপাহৰ জুনা, নাহৰৰ জুনা, কন্যা বাৰমাহীৰ গীত, দুবলা শান্তিৰ গীত, জয়ধন বনিয়াৰ গীত অন্তৰ্ভূক্ত।

ঘ) **বিবিধ বিষয়ক গীত ঃ** বিভিন্ন কৰ্মৰ লগত জড়িত খেল-ধেমালীৰ লগত জড়িত এই গীতবোৰ। কৰ্মবিষয়ক গীতৰ ভিতৰত ধাইনাম, বৰশীবোৱা গীত, ম'হোহো গীত, চটকা গীত, গৰখীয়া গীত, মৈষাল গীত, হাতী মাউতৰ গীত আদি। আনহাতে খেল-ধেমালিৰ গীতৰ ভিতৰত নাওখেলৰ গীত, হাউখেলৰ গীত, ধূপখেলৰ গীত আদি।

লোকগীতসমূহ অসমীয়া জাতিৰ আপুৰুগীয়া সম্পদ। কিন্তু আধুনিকতাৰ গ্ৰাসত উপযুক্ত সংগ্ৰহকৰ অভাৱত এই গীতবোৰ হেৰাই যাবলৈ ধৰিছে।

### ২.০১.০১ লোকগীতৰ বৈশিষ্ট্য —

ক) লোকগীতসমূহ কোনে, কেতিয়া, কি কাৰণত, কি পৰিস্থিতিত ৰচনা কৰিছিল তাৰ কোনো তথ্য পোৱা নাযায় বাবে এইবোৰক যুগ-নিৰপেক্ষ সাহিত্য বুলি কোৱা হয়।

খ) কোনো ব্যক্তিবিশেষৰ সাহিত্য নহয়। ইয়াৰ লেখকৰ কোনো তথ্য নাই।

গ) লোকগীতসমূহৰ মাজত ধৰ্মীয় বিশ্বাস, অলৌকিক বিশ্বাস জড়িত হৈ থাকে।

ঘ) সৰলতা লোকগীতৰ প্ৰধান বৈশিষ্ট্য। লোকগীতত চহা মানুহৰ কোমল মনৰ অনুভূতিৰ প্ৰকাশ ঘটে।

ঙ) লোকগীতসমূহত লোকমনৰ অনুভূতিৰ স্বতঃস্ফুৰ্ত প্ৰকাশ ঘটে।

চ) ইয়াক সামাজিক জীৱনৰ বুৰঞ্জী বুলি ক'ব পাৰি। কাৰণ ইয়াৰ জৰিয়তে দৈনন্দিন জীৱন, খাদ্যভাস, সাজপাৰ, কৰ্ম, ৰীতি-নীতি, বিশ্বাস, পৰম্পৰা, সামাজিক ব্যৱস্থা, লোকবিশ্বাস, লোকাচাৰ আদি সকলো দিশৰে প্ৰকাশ ঘটে।

ছ) লোকগীতসমূহে নৈতিকতাৰ শিক্ষা প্ৰদান কৰে।

**২.০২ বিয়া নামৰ ঐতিহ্য তথা পৰম্পৰা —**

বিয়া নামৰ লগত অসমীয়া সমাজৰ মানুহৰ ধৰ্মীয় বিশ্বাস, পৰম্পৰা, ঐতিহ্যতা সকলো দিশত জড়িত হৈ আছে। এই বিয়ানামসমূহ অসমীয়া গীতি সাহিত্যৰ এক মূল্যবান সম্পদ। বিয়ানামসমূহৰ মাজেৰে উপদেশমূলক গভীৰতাৰে উৎসৱ-অনুষ্ঠানৰ মাধ্যমেৰে এইসমূহ পৰিৱেশন কৰা হয়। ইয়াত আছে ভাৱৰ স্বকীয়তা, সমাজ জীৱনৰ প্ৰতিফলন, প্ৰকৃতিৰ বৰ্ণনা, সংগীত ধৰ্মিতা, কল্পনাৰ প্ৰকাশ, ভাষাৰ বিচিত্ৰতা, যোৰানামৰ চমৎকাৰিতা।

অসমীয়া সমাজত বিবাহ অনুষ্ঠানৰ লগত বিভিন্ন অনুষ্ঠান বিয়ানামৰ মাধ্যমেৰে প্ৰকাশ পায়। যেনে — জোৰোণৰ নাম, পানীতোলা নাম, নোওৱা নাম, সজোৱা নাম, অধিবাসৰ নাম, গাঁঠিয়ন ঘুন্দা নাম, দৈয়ন দিয়া নাম, কলৰ গুৰিত গোৱা নাম, সুৱাগ তোলা নাম, কইনা সজোৱা নাম, দৰা আগচা নাম, হোমৰ গুৰিত গোৱা নাম, দুৱাৰ ধৰা নাম, দৰা-কইনা আদৰা নাম ইত্যাদি। এই বিয়া নামবোৰৰ জৰিয়তে প্ৰতিটো অনুষ্ঠানৰ হুবহু বৰ্ণনা পোৱা যায়।

বিয়ানামসমূহৰ ৰচনাকালৰ সময় নিৰূপণ কৰিবৰ অসুবিধা। তথাপিও ধৰিব পাৰি যে মানুহে সমাজ পাতি সভ্যভাৱে বসবাস কৰিবলৈ লোৱা কালৰ পৰাই হয়তো এইবোৰৰ প্ৰচলন। বিয়ানামসমূহ নাৰীয়ে নিজেই নিজৰ বাবে ৰচনা কৰা গীত। ইয়াৰ মাজেদি নাৰী মনৰ সুপ্ত অনুভূতিৰ প্ৰকাশ, সৃষ্টিশীলতা, পৰিয়াল তথা সংসাৰৰ প্ৰতি থকা দায়িত্ববোধ, কৰ্ত্তব্যপৰায়ণতা ফুটি উঠে। বিয়ানামবোৰত উপদেশমূলক ৰূপত ৰচনা কৰিবলৈ যাঁওতে পৌৰাণিক কাহিনী বা চৰিত্ৰবোৰৰ নামৰ সহায় লোৱা হৈছে। কৃষ্ণ-ৰুক্মিনী, শিৱ-পাৰ্বতি, ৰাম-সীতা, উষা-অনিৰুদ্ধ আদি পৌৰাণিক তথা ঐতিহাসিক চৰিত্ৰসমূহে ইয়াত ঠাই পাইছে।

অসমীয়া লোকসকলৰ ওপৰিও অসমত বসবাস কৰা অন্যান্য জনগোষ্ঠীসকলৰ মাজতো পৰম্পৰাগতভাৱে বিয়া নাম তথা ইয়াৰ লগত জড়িত অনুষ্ঠানসমূহৰ প্ৰচলন চলি আহিছে। ভাষাগত আৰু সুৰৰ পাৰ্থক্য এই বিয়ানামবোৰত দেখা যায় যদিও ভাববোধৰ ক্ষেত্ৰত সাদৃশ্যতা আছে। অসমত প্ৰচলিত অন্যান্য বিবাহধৰ্মী অনুষ্ঠান যেনে — তোলনী বিয়া, ভেকুলী বিয়া, পোহন বিয়া আদিবোৰতো বিয়া নামৰ পৰিৱেশনৰ নিয়ম আছে।

**২.০২.০১ বিয়ানামৰ বৈশিষ্ট্য —**

ক) বিয়ানাম হ'ল বিবাহ অনুষ্ঠানত বিভিন্ন সময়ত আয়তীসকলে গোৱা মাংগলিক গীত।

খ) বিয়ানামবোৰ পৰিৱেশন কৰোতে পৌৰাণিক চৰিত্ৰসমূহৰ নামৰ সহায় লোৱা হয়।

গ) বিয়ানামবোৰৰ জৰিয়তে অনাক্ষৰী লোকৰ চহা মনৰ সৰলতা ফুটি উঠে।

ঘ) বিভিন্ন সামাজিক প্ৰথা, নীতি-নিয়ম, সংস্কাৰ, সমাজ জীৱনৰ প্ৰতিফলন বিয়ানামবোৰৰ মাজত দেখিবলৈ পোৱা যায়।

ঙ) এখন বিবাহ অনুষ্ঠানত অনুষ্ঠিত প্ৰতিটো সৰু-বৰ অনুষ্ঠানত পৰিবেশনৰ বাবে সুকীয়া সুকীয়া বিয়ানাম আছে।

চ) বিয়া নামবোৰৰ মাজেৰে সমাজ জীৱনৰ নৈতিকতা প্ৰকাশ পায়।

ছ) বিবাহ আৰু বিজ্ঞান, ইটো-সিটোৰ লগত ওতঃপ্ৰোতভাৱে জড়িত।

**২.০৩ অসমৰ লোক সংস্কৃতিত বিয়ানামৰ গুৰুত্ব —**

অসমৰ লোক সংস্কৃতিৰ চোতালত বিয়ানামৰ গুৰুত্ব যথেষ্ট। মাতৃসকলৰ সৃষ্টিৰাজিৰে পৰিৱেশিত এই বিয়ানামৰ সংখ্যা যথেষ্ট। অন্যান্য লোকগীতৰ তুলনাত বিয়া নামৰ সংখ্যা বেছি। আজিও ঠাইতে বিয়ানাম ৰচনা কৰি গাব পৰা লোকৰ সংখ্যা আছে।

কুমাৰী কালৰ প্ৰথম ৰজস্বলা হোৱাৰ চতুৰ্থ দিনা ইকৰাৰ বেইৰ তলত গোপিনীক সাক্ষী কৰি গা-ধুৱাওতেই বিয়ানামৰ প্ৰথম আৰম্ভনি। ঠিক তেনেদৰেই প্ৰতিখন বিয়াৰ প্ৰথম দিনটোক মুৰত তেল দিয়া বুলি কয় আৰু সেইদিনা গা ধুৱাবৰ বাবে ছোৱালীৰ মাকে নৈত পানী তুলিবলৈ যায়। "ৰাম কৃষ্ণ পানী তুলিবলৈ ..." বুলি জল তুলি আনি বেইৰ তলত মাহ-হালধীৰে গা ধুৱাই। তেতিয়া আয়তীসকলে অনেক বিয়ানাম জোৰে। "গা ধুই

আইদেউৰে মাকক সুধিলে, ঐ ৰাম কিনো সাজ সলাব পাৰি হে" ... ইয়াৰ পিছত ৰভাৰ তলত কন্যা বা দৰাৰ মূৰত তেলটেঙা দি নতুন সাজপাৰ পিন্ধাওতেও বিয়ানাম গায়। কইনা সজোৱা পৰতো বিয়া নাম গায়।

অকল যে দৰা কইনাকে কেন্দ্ৰ কৰি বিয়া নাম গোৱা হয়, এনে নহয়। কইনা বা দৰাৰ সখী, মাক দেউতাককে ধৰি প্ৰতিজন আত্মীয়ক জুৰিও বিভিন্ন ধৰণৰ বিয়ানাম গোৱা হয়। দৰা আদৰি আনি ৰভাৰ তলত বহাৰ পিছত দৰা ভায়েকে কন্যা খুজিব যাওঁতেও বিয়া নাম গোৱা হয়। তাৰ পিছত দৰা-কইনা হোমৰ ওচৰত বহি থাকোতে পুৰোহিতে যাৱতীয় কাম-কাজ কৰি থাকোতেও আয়তীসকলে যোৰা নাম গায় —"অ' পকা বিলাহী দৰাঘৰৰ ল'ৰাবোৰ কথাত বৰ চলাহী"। আকৌ দৰাঘৰৰ আয়তীয়েও সমানে "টেবুলৰে তাচপাত - কইনা ঘৰৰ নামতিৰ মুখ নহয় কচুপাত"। এইদৰে নানান ধেমালী ধুমুলাৰ মাজেৰে টোপনি দূৰ কৰি ৰাইজে ৰং ৰহইচ কৰে। অকল যে ৰং ৰহইচ কৰে এইটোও নহয়। কইনাৰে ভায়েকে অগ্নিসাক্ষী কৰি গোত্ৰ ছেদ কৰি আখৈ দিয়া পৰ্ব পায় তেতিয়া সকলোৰে চকু সেমেকি উঠে আৰু আয়তীসকলে সেমেকা চকুৰেই বেজাৰতে নাম জুৰে। এইদৰে কন্যা বিদায় পৰ্বও সামৰণি পৰে। নানান উপদেশমূলক পৰামৰ্শৰে বিয়ানাম গাই আয়তীসকলে ন-কইনাক নতুন ঘৰত ভালদৰে থাকিবলৈ আৰ্শীবাদ দিয়ে।

বিবাহ হ'ল এক সামাজিক অনুষ্ঠান। বিবাহ বহিৰ্ভূত এখন সমাজ কল্পনাই কৰিব নোৱাৰি। ইয়াত জ্ঞান-বিজ্ঞান, জীৱন-পৰিক্ৰমা সকলো সোমাই আছে। পৃথিৱীৰ প্ৰতিখন দেশতে বিবাহৰ পৰম্পৰা আছে। ইয়াক কোনেও নস্যাৎ কৰিব নোৱাৰে।

অসমীয়া সমাজত বিয়ানামৰ গুৰুত্ব সৰ্বাধিক। ঠিক তাৰ লগতে বিয়ানামৰো অন্ত নাই। আমাৰ সমাজত খৰাং পৰিলে কৃষকে মেঘ দেৱতাক সন্তুষ্ট কৰিবলৈ মানুহৰ দৰেই নিয়ম কৰি ভেকুলীৰ বিয়াও পাতে। গাঁৱৰে এঘৰত মতা ভেকুলী, এঘৰত মাইকী ভেকুলী ৰাখি দুয়োকে কাপোৰ কাণি পিন্ধাই নোৱাই-ধোৱাই বিয়ানাম গাই বিবাহ সম্পন্ন কৰে। ইয়াৰ উপৰিও অসমৰ জনজাতীয় সমাজতো বিবাহ অনুষ্ঠানৰ লগতে বিয়ানামৰ প্ৰচলন আছে।

হিন্দু ধৰ্ম শাস্ত্ৰৰ মতে পতি-পত্নীৰ সম্পৰ্ক হ'ল তেজৰ লগত তেজ-মঙহৰ লগত মঙহ আৰু দুখন হৃদয় অনাদি কাললৈ এক হোৱা এক প্ৰক্ৰিয়া। যাৰ জৰিয়তে সন্তান প্ৰাপ্তি হয়। এক বংশ আগবাঢ়ে।

তোলনি বিয়াৰ পৰা আৰম্ভ কৰি নানান উপমা, উপদেশ আৰু মঙ্গল উচ্চাৰণেৰে যি গীত গোৱা হয় তাক বিয়ানাম বুলি আখ্যা দি আমাৰ অসমীয়া সংস্কৃতিৰ ভঁৰাল টনকীয়াল কৰিলে। বিয়ানামে অসমীয়া সংস্কৃতিৰ গুৰি-বঁঠা ধৰিলে।

বিবাহ হৈছে সমাজৰ দাপোন স্বৰূপ। ভাৰতৰ অন্যান্য প্ৰাদেশিক ভাষাবোৰতো প্ৰাদেশিক বিয়ানামৰ প্ৰচলন দেখা পোৱা যায়। নাৰীমনৰ গভীৰতা, আৱেগ, স্বকীয় অভিব্যক্তি ইয়াৰ বৈশিষ্ট্য। কাব্যিক সৌন্দৰ্য, সুৰৰ মাধুৰ্য আৰু চিত্ৰ-প্ৰাচুৰ্যই বিয়ানামক লোক-সংস্কৃতিৰ অমূল্য সম্পদ কৰি তুলিছে।

আশা-সৌন্দৰ্য চৰ্চা, সাজপাৰৰ আধুনিকতা বৃত্তিমুখী শিক্ষাৰ ধামধুমীয়া, বিশ্বায়ন এইবোৰৰ মাজতো নৰ-প্ৰজন্মই বিয়ানামৰ পৰম্পৰাক জীয়াই ৰাখিব।

## ২.০৪ বিবাহ অনুষ্ঠানৰ ভাগসমূহ আৰু ইয়াৰ পৰিবেশন শৈলী —

হিন্দু বিবাহ ৮ প্ৰকাৰৰ —

যেনে - ব্ৰাহ্ম, দৈৱ, আৰ্য, প্ৰজাপত্য, গান্ধৰ্ব, আসুৰ, পৈশাচ আৰু ৰাক্ষস।

সমাজত দৈৱ বিবাহৰ প্ৰচলনেই হয়। আমাৰ অসমীয়া সমাজত প্ৰচলিত বিবাহৰ প্ৰকাৰ সমূহ হ'ল —

১) তোলনি বিয়া

২) দৰা-কইনাৰ বিয়া

৩) ভেকুলী বিয়া

৪) পোহন বিয়া ইত্যাদি।

এই সকলোবোৰ বিবাহৰ লগত বিয়ানামৰ নিজস্ব পৰিৱেশন শৈলী বা অনুষ্ঠান আছে। লগত আছে ভিন্ন উদ্দেশ্য।

### ২.০৪.০১ তোলনি বিয়া ঃ

অসমীয়া সমাজত বহুল প্ৰচলিত এক লোকাচাৰ হ'ল তোলনি বিয়া। এজনী ছোৱালী যেতিয়া প্ৰথম পুষ্পিতা হয় তেতিয়া তাই নাৰীত্বৰ প্ৰথম খোজত ভৰি দিয়ে। ই নাৰীৰ যৌৱনপ্ৰাপ্তিৰ অলংঘনীয় নিয়ম। তোলনি শব্দটো সংস্কৃত উত্তোলন শব্দৰ পৰা আহিছে। ঠাই বিশেষে তোলনি বিয়া অনুষ্টুপীয়াকৈ আৰু ঠাই বিশেষে খুব ধুমধামেৰে পতা হয়। উজনি অসমৰ ফালে তোলনি বিয়া ধুম ধামেৰে পতা হয়।

এগৰাকী কন্যা পুষ্পিতা হোৱাৰ লগে লগে ওচৰ-চুবুৰীয়া গাঁৱৰ বয়োজ্যেষ্ঠ সকলক গোটাই নতুন বস্ত্ৰ পিন্ধাই চন্দ্ৰ-সূৰ্য আৰু পুৰুষে নেদেখাকৈ এটা আছুতীয়া কোঠাত ৰাখে। মাটিত ধানখেৰ পাৰি তাৰ ওপৰত

মালভোগ কলৰ মাৰলিৰ ওপৰত নতুন বস্ত্ৰ পাৰি আয়তীসকলে উৰুলি মঙ্গল ধ্বনিৰে কন্যাক বহিব দিয়ে। কন্যাৰ ওচৰত এটি দুণৰি ৰখা হয়। তাত থাকে চাউল, তামোল-পান এযোৰ সৈতে এগছি বন্তি জ্বলাই ৰাখে। শোৱা বিছনাৰ মূৰৰ শিতানত ঘট এটাৰ ডিঙিত বগা এঁৰা সূতা মেৰিয়াই পানী এঘট ভৰাই ৩-৫ টা আম পাতৰ থকা ডালি এটা সেন্দুৰৰ ফোঁট দি ঘটত ভৰাই ৰখা হয়। লগতে বাঁহৰ বাটি এটাত চাউল, তামোল-পান, মাননিসহ এভাগ ভোজনি সজাই ৰখা হয়। কন্যাৰ হাতত এখন কটাৰী, এযোৰ তামোল, ৰঙা ৰুমাল এখনত বান্ধি লৈ থাকিব দিয়া হয়।

গণকৰ ওচৰত 'যোগ' চোৱাই গণনা মতে পোৱা সুভগা, কান্তা, পতিহিতা, পতিহীনা, দুভগা, বেশ্যা, সুশীলা, দুঃশীলা প্ৰভৃতি যোগ অনুসৰি বিয়াৰ দিন থিক কৰা হয়। যোগ অনুসৰি কন্যাক খোৱাৰ যোগাৰ ধৰা হয়।

চাৰিদিন পৰ্যন্ত কন্যাক কেৱল ফলাহাৰ খুওৱাৰ নিয়ম। চাৰিদিনৰ দিনা আয়তীসকলৰ উপস্থিতিত কন্যাক মাহ-হালধিৰে গা ধুৱাই নতুন বস্ত্ৰ পিন্ধাই দিয়া হয়। তাৰ পিছত লগৰ ৩-৪ গৰাকী মান কন্যা মাতি আনি একেলগে কলপাতত কেঁচা পিঠাগুৰি, গাখীৰ, কল খাব দিয়া হয়। চাৰিদিনৰ পিছৰ পৰা গধূলি জোন ওলালে হাতৰ পিঠিৰে তিনি বা চাৰি পিঠি চাউল, মগু দাইল, পাচলি সিজোৱা কন্যাগৰাকীক বিয়াৰ দিন পৰ্যন্ত খাবলৈ দিয়া হয়।

**কইনা ৰখা নাম ঃ**

তোলনি বিয়াৰ আগদিনা কইনা ৰখাৰ অনুষ্ঠান পালন কৰা হয়। গাঁৱৰে জীয়ৰী-বোৱাৰী সকলে নিশা কন্যা গৰাকীৰ কাষত থাকি বিভিন্ন বিয়াৰ নাম পৰিৱেশন কৰে। এইবোৰ সাধাৰণতে উপদেশমূলক হয়।

যেনে ঃ-

অ' সোণ তৰা, আজিৰ পৰা তুমি গাভৰু হ'লা।

গাভৰু জীৱনত সাৱধান হ'বা

মা-দেউতাৰ কথাবোৰ মানি চলিবা।

চাৰিদিনৰ দিনা নোৱাওতে গোৱা নাম ঃ

জোন বেলি, সূৰ্যই নেদেখে

জোন বেলি, চন্দ্ৰই নেদেখে

হৰি মোৰ এই নেদেখে স্বৰ্গৰে তৰা।

জোন বেলি চাৰিদিনৰ মূৰত

জোন বেলি ওলাই আহে আইদেউ

হৰি মোৰ ঐ দেউতাকৰ বৰঘৰৰ পৰা।[১]

এইদৰে চাৰিদিনৰ দিনা গা -ধুওৱাৰ পিছত দুণৰি সজাই আৰু কনাই বান্ধে। কনাই হ'ল ৩ ৰ পৰা ৫ টা লগ লাগি থকা কেঁচা তামোলৰ আঙনি, এটা সোনৰ মনি, এযোৰ পোৱাল মনি, কেইডালমান ছিঙা চুলি, এখন নতুন গামোচাত বন্ধা হয়। আয়তী সকলে এই সময়ত উৰুলি দিয়ে। এই কনাইভাগ ভোজনিৰ বাতিৰ ওপৰত থৈ বিবাহৰ দিনা কইনাৰ মাক আৰু আন কেইগৰাকীমান আয়তীয়ে মাঙ্গলিক কাৰ্য কৰি কন্যাৰ লগত কোলা-কোলিকৈ চুমা খায়।

গণকে চাই দিয়া যোগ অনুসৰি ছোৱালীৰ ভাগ্য জড়িত হৈ থাকে বুলি বিশ্বাস কৰা হয়। পতিহিতা, কান্তা, সুভগা যোগ ভাল বুলি বিশ্বাস কৰাৰ লগতে প্ৰত্যেকটো অশুভ যোগৰ ক্ষেত্ৰত হোমাগ্নি  কৰি দান দি পুৰোহিত সৈতে লগৰীয়াক ভোজন কৰাই ব্ৰত ভঙাৰ নিয়ম।

সাত দিনৰ দিনা কন্যাক মাহ-হালধিৰে নোৱাই -ধুৱাই গা ধুওৱা হয়। এই বেইৰ ওচৰত ঠায়ে ঠায়ে কলপুলি আৰু কিছু জেগাত তামোল পুলি ৰোৱাৰ নিয়ম আছে। এইটো দৰাৰ প্ৰতীক বুলি ধৰা হয়। ঠায়ে ঠায়ে কচুপুলি ৰোৱাৰো নিয়ম দেখা যায়। ইয়াক সন্তানৰ ৰূপত ধৰা হয়। কন্যাই গা পা ধুই নতুন বস্ত্ৰ পৰিধান কৰি কল পুলিটো নোৱাই একে ঠাইতে আখৈ পিঠাগুৰি লৈ পুলিটোৰ গুৰিত সেৱা জনায়। কন্যা ৰোনাই থাকোতে আয়তীসকলে বিয়া নাম পৰিৱেশন কৰে এনেদৰে—

হৰি মোৰ উজাই আহিলে

হৰি মোৰ মাছে ডগৰে

হৰি মোৰ উজাই আহিছে জাঁজি

হৰি মোৰ ঐ এই নো সাতে দিনে

হৰি মোৰ ক'তে আছিলা

হৰি মোৰ কপৌবাহ এখনি সাঁজি।[২]

---

১. ড° থুনু কলিতা, বিবাহ উৎসৱ ঃ পৰম্পৰা আৰু বিয়ানাম, পৃষ্ঠা নং - ৩৮

২. ড° থুনু কলিতা, বিবাহ উৎসৱ ঃ পৰম্পৰা আৰু বিয়ানাম, পৃষ্ঠা নং - ৪০

মাংগলিক উৰুলি ধ্বনিৰে শিশুমতী কন্যাক আয়তীসকলে বিয়ানামৰ জৰিয়তে বুজনিও দিয়ে এনেদৰে —

গোলাপ ফুলৰ বাগিচা যতনেৰে ৰাখিবা
অচিনাকি ভোমোৰা পৰিবলৈ নিদিবা
অচিনাকি ভোমোৰাই ফুলৰ ৰেণু চুহি খায়
ফুলৰ বাগিচাকনি
কলিতে মৰহি যায়। [৩]

জাত নাম ও গায় সেইদৰে—

জাত ঃ অতি চিকুন গাজ ভলুকা
অতি চিকুন মোকাল
অতি চিকুন আমাৰ আইদেউ
যেন চিঞা মৰা কঁকাল। [৪]

নাম ঃ তাঁততে এৰিলা চেলেংচাৰি কাঠি
যঁতৰত এৰিলা পাঁজি
এইনো সাতেদিনে ক'তে আছিলা
বুকুত পানী ল'ৰা বান্ধি।
ল'ৰা হ'ল বুলি ৰাইজক শুনালা
সাদিন নিৰামিষ খালা
বাৰীৰ পিছফালৰ কেঁচা তামোলকেইটা
তাকে ল'ৰা পাতি ল'লা। [৪]

পুষ্পিতা হোৱাৰ লগে লগে কন্যাগৰাকীৰ দায়িত্ব বাঢ়ে আৰু বিয়ানামৰ দ্বাৰা আয়তীসকলে এই কথা কন্যাক শিকাই দিয়ে —

ঘূৰণীয়া পৃথিৱী সেউজীয়া দুবৰি
মনত ৰাখিবা আইদেউ তুমি হ'লা জীয়াৰী

৩. অনু শইকীয়া, লোক সংস্কৃতিৰ দাপোন, পৃষ্ঠা নং - ১০৫

৪. ড° থুনু কলিতা, বিবাহ উৎসৱ ঃ পৰম্পৰা আৰু বিয়ানাম, পৃষ্ঠা নং - ৪১

সাৱধানে চলিবা, মাৰাৰ কথা শুনিবা

য'তে ত'তে ডেকা ল'ৰাক হাতে তামোল নিদিবা।

হাতে তামোল নিদিবা চকুলৈকো নাচাবা

তেওঁ যদি কিবা কয়

মা দেউতাক জনাবা।[৫]

ইয়াৰ পাছত কন্যাগৰাকীক ৰভাতললৈ আনে আৰু সকলোৰে মাজতে নতুন বস্ত্র পিন্ধাই খোপা বান্ধি, সেন্দুৰ দি, আ-অলংকাৰ পিন্ধাই ন-কইনা ৰূপত সজাই তোলা হয়।

কইনা সজাওতে গোপীসকলে নাম গায় এনেদৰে —

আইদেউৰ আঙুলি চম্পা ফুলৰ কলি

ঐ ৰাম চকু সৰগৰ তৰা হে

মহাদেৱ গোঁসাইকে কাকূতি কৰিছো

ঐ ৰাম পাওক যেন মনোমত দৰাহে।[৬]

কইনা সজোৱা গৰাকীক লৈও আয়তীসকলে নাম গায় এনেদৰে —

কইনাক সজাবলৈ কোনজনী আহিছে

চকুযোৰ লাগিছে ভাল

আইদেউৰ কঁপালত ফোঁটে বেয়া হ'লে

দেহালৈ পৰিব টান[৭]

কন্যাগৰাকীক কাপোৰ কানি ভালদৰে পিন্ধিবলৈ দিহা দিয়ে এনেদৰে —

চাদৰ ল'বা ছটিয়াই

পাৰি দুটি উলিয়াই

মেখেলাখন পিন্ধিবা

পানী গাঁঠি লুকুৱাই[৮]

---

৫. ড° থুনু কলিতা, বিবাহ উৎসৱ ঃ পৰম্পৰা আৰু বিয়ানাম, পৃষ্ঠা নং - ৪২

৬. ড° থুনু কলিতা, পূৰ্বোলিখিত, পৃষ্ঠা নং - ৪৪

৭. কুইন গগৈ, তথ্যদাতা, যোৰহাট

৮. কুইন গগৈ, তথ্যদাতা, যোৰহাট

ৰভাৰ তলত এইদৰে কন্যা বহুওৱা ঠাইত চাৰিটা কলপুলি পুতি এটা মৰল সাজি থোৱা হয়। কাষত এখন ডাঙৰ আইনা থাকে। কন্যাৰ আগত ৫ টা মান বঁটাত আখৈ পিঠাগুৰি সজাই এযোৰকৈ তামোল পান দি থোৱা হয় লগতে এখন কাঁহৰ কাঁহিত ৫ৰ পৰা ৭ টা পিঠাগুৰি লাডু সজাই থয়।

ইফালে আয়তী সকলৰ নাম বন্ধ নহয়।

তেওঁলোকে গায় —

"আম লাগে মলিয়াই"

তামোল লাগে ডবিয়াই

ভন্টি তোমাৰ বাল্যকাল

কিদৰে দিলা বিদায়। [৯]

ৰভাতলত সমাজত প্ৰথমে কন্যাৰ মাকে কনাই কোলা লয়। এবাটি চাউলসহ কাঁহৰ বাটি এটাত থৈ এবাৰ কন্যাৰ কোলাত আৰু এবাৰ মাকৰ কোলাত দি ইকোলা সিকোলা কৰি চুমা খায়। কন্যাৰ আইতাক আৰু আন জ্যেষ্ঠ গোপিনীসকলেও এনেদৰেই কনাই কোলা লয়। কনাই কোলাত লোৱা হোৱাৰ পিছত সজাই থোৱা পিঠাগুৰি আৰু আখৈ আয়তী পাঁচগৰাকীক ভাগ কৰি দিয়ে। একেদৰে লাডুকেইটাও যেনে ধৰণৰ সন্তান বিচাৰে তেনে ধৰণৰ সুস্থ সৱল ল'ৰা -ছোৱালী কন্যাই কোলাত লৈ তেওঁলোকক লাডু খুওৱাই। ইয়াৰ পিছত কন্যাক উপহাৰ বা আশীৰ্বাদ দিব অহা আত্মীয় পৰিয়াল বয়োজ্যেষ্ঠ সকলক বঁটাৰপৰা লৈ পিঠাগুৰি সনাৰ নিয়ম। এয়াও একধৰণৰ ফূৰ্তি।

ইয়াৰ মাজতে আকৌ কন্যাৰ বৰমাক, পেহী, মাহী আৰু আত্মীয়সকলৰ পৰা বিয়ানামৰ মাধ্যমেদি মৰটন, মছলা খোজাৰ নিয়ম। এয়া একধৰণৰ স্ফূৰ্তি। বিয়ানাম গায় এনেদৰে —

"আমদালি গাঁঠিছো দৰ্জাই দৰ্জাই আঁৰিছো

প্ৰথমে জোৰানাম পেহীদেউকে জুৰিছো" [১০]

---

৯. ড° থুনু কলিতা, বিবাহ উৎসৱ ঃ পৰম্পৰা আৰু বিয়ানাম, পৃষ্ঠা নং - ৪৫

১০. কুইন গগৈ, তথ্যদাতা, যোৰহাট

"দৰ্জাৰ তলা

সঁচাকৈয়ে পেহীদেউৰ কান দুখন কলা

কলা যি কলা ঐ ব্ৰজ কলা

চিএৱৰি থাকিলেও নুশুনা হ'লা। [১১]

এইদৰে মৰান বিচাৰি শেষত পেহীয়েও মৰটন মছলাৰে শৰাই ভৰাই আনি আয়তীসকলৰ ওচৰত সেৱা ধৰেহি।

আয়তীসকলে যোৰানাম গাই ধেমালি কৰাৰ বাবে আকৌ ক্ষমাও বিচাৰে এনেদৰে—

"চালনিৰে চালিছো

কুলা লৈ জাৰিছো

বেয়া নাপাব দেই ধেমালিহে কৰিছো।" [১২]

এইদৰে আন আন আত্মীয়ক জুৰিও বিয়ানাম গায় আয়তী সকলে। শেষত সকলোবোৰ মৰটন মছলা সকলোৰে মাজত ভাগ কৰি দিয়া হয়। মাননী ৰাজহুৱা নামঘৰলৈ বা আইসকলৰ মাজত ভাগ কৰি লয়।

এনেদৰে মাঙ্গলিক প্ৰথাৰে বিবাহৰ কাম সমাপ্ত হোৱাৰ পিছত কন্যাৰ মূৰত ওৰণি দি তামোল পানৰ শৰাই সহ পদূলিমূৰলৈ গৈ তিনিমুনি বাটৰ তিনিজন দেৱতাক উদ্দেশ্য কৰি সেৱা কৰে। শেষত কন্যাই মাক - দেউতাক আৰু গোপিনী সকলক সেৱা কৰে।

এইখিনি হ'ল তোলনি বিয়া পালনৰ নীতি-নিয়ম। ঠায়ে ঠায়ে নীতি-নিয়মৰ পাৰ্থক্য থাকিলেও কিন্তু প্ৰায় আচাৰ অনুষ্ঠান একেই।

আজিকালি অৱশ্যে আধুনিকতাৰ প্ৰভাৱত পৰি বহু নীতি-নিয়ম বহু সময়ত এৰাই চলে। আগৰ কলপটুৱাৰ বা টিঙৰ ৰভাতলত ঠাইত এতিয়া ডাঙৰ ডাঙৰ ভাৰা দিয়া পেণ্ডেল হে ব্যৱহাৰ দেখা যায়। তথাপিও সকলোতে কন্যাকালৰ এই প্ৰথম ৰজস্বলা অনুষ্ঠান ভাগ উলহ-মালহেৰে পতাটোৱেই নিয়ম।

**ক) অন্যান্য জনগোষ্ঠীৰ মাজত নোৱাই তোলনি বিয়া ঃ**

অসম হ'ল ভিন্ন জাতি-জনগোষ্ঠীৰ বাসস্থান। প্ৰত্যেক জাতি জনগোষ্ঠীৰে ইয়াত নিজা নিজা লোকাচাৰ আছে। এইসকলৰ মাজতো কিছু কিছু পৰিমানে তোলনি বিয়া পতাৰ নিয়ম আছে।

---

১১. কুইন গগৈ, তথ্যদাতা, যোৰহাট

১২. কুইন গগৈ, তথ্যদাতা, যোৰহাট

১) টাই আহোমসকলৰ ছোৱালী পুষ্পিতা হ'লে পুৰোহিতে বান চেং চাই কেইদিন ব্ৰত কৰিব লাগে বুজাই দিয়ে। তিনিদিন ধৰি জোন, বেলি, তৰা নেদেখাকৈ কন্যাগৰাকীক ৰাখি চতুৰ্থদিনা ঘৰৰ আত্মীয়সকলৰ লগ হৈ চাৰিডাল পাটীদৈ গছ পাতেৰে চাৰিওফালে চাৰিটা পুতি ওখ ভেটি কৰি এযোৰ আগলি কলপাত দি তাত তামুলী পীৰা পাৰি দিয়ে। এযোৰ তামোল পান, চাকি আগবঢ়াই কন্যাগৰাকীকো পীৰাত বহুৱাই গা ধুৱায়।

এইদৰে সাতদিনৰ দিনা চাৰিখন মেহেঙা সজাই টাই-আহোমসকলৰ চাৰিজন দেৱতা ক্ৰমে লাঙকুৰি, জানছাইলুং, লাৰেঙ, জাচিংফাকে প্ৰত্যেককে স্তুতি কৰে। ম'লুঙসকলে কন্যা আৰু মাকক আৰ্শীবাদ দিয়ে। ইয়াৰ পিছতে পছলাৰ সৈতে এটি মতা কুকুৰা ৰান্ধি মলুঙসকলক খুওৱা হয়।

২) মিচিং জনগোষ্ঠীসকলৰ মাজত কন্যাকালৰ পুষ্পিতাৰ বিশেষ অনুষ্ঠান নাই। মাত্ৰ কন্যাগৰাকীক আছুতীয়াকৈ ৰাখি সাধাৰণ কিছুমান ৰীতি নিয়মহে পালন কৰে।

৩) একেদৰে তিৱাসকলৰ মাজতো কন্যাকালৰ তোলনি বিয়া পতাৰ নিয়ম নাই। মাত্ৰ কন্যাগৰাকীক পৰিস্কাৰ কাপোৰ পিন্ধাই সাতদিন ঘৰতে সাৱধানে ৰাখি স্নান কৰোৱাই।

৪) ঠেঙাল কছাৰী সকলৰ মাজত শান্তি বিয়া বৰ আনন্দ উল্লাসেৰে পতা হয়। পুষ্পিতা হোৱাৰ লগে লগেই চন্দ্ৰ-সূৰ্য আৰু কোনো পুৰুষে নেদেখাকৈ কন্যাগৰাকীক আছুতীয়াকৈ ৰাখে। চাৰিদিনৰ দিনা সকলো লগ হৈ তিনিডাল পাটীদৈৰে বেই সাজি গা-ধুৱা পৰ্ব সামৰে। গণকৰ গণণা মতে দিন বাৰ চোৱাই সাতদিনত, ন দিনত বা এঘাৰ দিনত বিয়া পাতি বিয়াৰ আগদিনা আখৈ ভজাটো এওঁলোকৰ নিয়ম।

বিয়াৰ দিনা জাতি বাঁহেৰে বেই সাজি উলিয়াই দৌলকৃতিৰ ৰূপত। ন-পাবৰ বাঁহডালৰ চুঁচি ফুলৰ দৰে বনাই এটা কলডিল খুচি দিয়াৰ নিয়ম। বেইৰ তলত তামোল পান, পইচা সহ এটা হাঁহ কণী পোতা হয়। এওঁলোকৰ বেইৰ সোঁ কাষে কলপুলি ৰোৱাৰ নিয়ম। এই কলপুলিটো পিছত ভালদৰে ৰুই দিয়া হয়। এইদৰে নোৱাই ধুৱাই কন্যাক ন বস্ত্ৰ পৰিধান কৰোৱাই কনাই কোলা লৈ আখৈ পিঠা দিয়াৰ নিয়ম। ইয়াতো আয়তীসকলে ইগৰাকীয়ে সিগৰাকীক পিঠাগুৰি, সেন্দুৰ আদি সনাৰ নিয়ম।

৫) চাহ জনগোষ্ঠীসকলে তোলনি বিয়াক, 'ফুলচাদী' বুলি কয়। এওঁলোকেও কন্যাগৰাকীক আঁৰ বেৰ কৰি আছুতীয়াকৈ ৰাখে। ফলাহাৰ খাবলৈ দি সাতদিনৰ দিনা গা-পা ধুৱাই ন বস্ত্ৰ পিন্ধাই ওচৰ-চুবুৰীয়া মহিলাসকলৰ সহযোগত 'ফুলচাদী' অৰ্থাৎ তোলনি বিয়া পাতে।

৬) দেউৰী সকলে তোলনি বিয়া নাপাতে। তথাপিও তেওঁলোকে সাজ -পাৰ পিন্ধোৱাৰ ক্ষেত্ৰত কন্যাগৰাকীৰ পিন্ধনত পৰিৱৰ্ত্তন আনে। পুস্পিতা হোৱাৰ আগত ছোৱালীবোৰে ইগেঁঠ পিন্ধে, তাৰ পিছতহে বিয়াৰ পিছত ওপৰৰ অংশ দিগ্ৰাইগা পিন্ধিবলৈ দিয়ে।

ডাঙৰ ছোৱালীসকলে যেতিয়া 'জকা ছিবা' পিন্ধিবলৈ লয় তেতিয়া তেওলোকৰ বিবাহৰ উপযুক্ত বুলি ধৰা হয়।

নাৰী জীৱনৰ পৰিক্ৰমাত বহুত পৰ্যায় পাৰ হয়। ৰজস্বলা বা পুস্পিতা হোৱাটো নাৰীৰ বাবে এনে এক পৰ্যায় যেতিয়া ভৰিষ্যৎ নাৰী জীৱনৰ বাবে, কাৰোবাৰ পত্নী, মাতৃ ৰূপত নিজক গঢ়ি তুলিবৰ বাবে সাজু হৈ উঠিব লাগে শাৰিৰীক ভাৱেও মানসিকভাৱেও।

নাৰীৰ বাবে তোলনি বিয়াৰ সেইবাবে মহত্ব আছে। এই তোলনি বিয়াক নাৰীৰ উৰ্বৰা আৰু প্ৰজনন শক্তিক আগত লৈ গঢ় লোৱা অনুষ্ঠান বুলিব পাৰি।

অ' পকা বিলাহী কানাই কোলাত লোৱাহি
আমি দূৰণীয়া আমাক বিদায় দিয়াহি।

**২.০৪.০২. দৰা-কইনা বিয়া ঃ**

সাধাৰণ ভাষাত পুৰুষ আৰু নাৰীৰ মাজত শাৰিৰীক মানসিক, সামাজিক আৰু বৌধিকভাৱে সম্বন্ধ স্থাপন কৰিবলৈ অনুষ্ঠিত অনুষ্ঠানক বিবাহ বুলি ধৰা হয়। হিন্দু ঐতিহ্যত হৰ-গৌৰীৰ বিবাহক আদৰ্শ বিবাহ বুলি ধৰা হয়। বিবাহ হ'ল সাংসাৰিক দায়িত্ব পালন কৰি প্ৰজন্ম ৰক্ষা কৰি চলি অহা প্ৰক্ৰিয়া। বিবাহৰ দ্বাৰা হোৱা মিলন বাস্তৱত ধৰ্মৰ বান্ধোন হয়। ধৰ্মীয় অনুশাসনে সমাজক নিয়ন্ত্ৰণত ৰাখে. বিবাহ কেৱল শাৰিৰীক সামাজিক প্ৰয়োজন হৈ নাথাকি ধৰ্মীয় কৰ্ত্তব্যলৈ ৰূপান্তৰিত হয়। বিবাহ এক মাঙ্গলিক অনুষ্ঠান। হোম-যজ্ঞসাক্ষী কৰি আখৈ আহুতি, সপ্তপদী গমন, কন্যাদান আদি বিবাহৰ বিশেষ বিধি।

বিবাহৰ প্ৰাৰম্ভিক পৰ্যায়ত উপযুক্ত পাত্ৰ-পাত্ৰী থাকিলে কোনো তৃতীয় ব্যক্তিৰ হতুৱাই চা-চিনাকি হৈ দুয়োখন ঘৰ বিবাহৰ কামত আগবাঢ়ে হয়। দৰাঘৰে প্ৰথমতে দিন বাৰ মিলাই আত্মীয়সকলক লৈ কন্যাঘৰত গৈ তামোল পানৰ শৰাই দি কইনা খোজাৰে নিয়ম। একো আপত্তি নাথাকিলে কইনাঘৰেও একেই শৰাই দি বিবাহত সন্মতি প্ৰদান কৰে।

ইয়াৰ পিছত আঙুঠি পিন্ধোৱা অনুষ্ঠান পতা হয়। ঠায়ে ঠায়ে তামোল পান পেলাওতেই আঙুঠি পিন্ধাই থৈয়ে আহে আৰু ঠায়ে আঙুঠি পিন্ধোৱা অনুষ্ঠান নাপাতি বিবাহ অনুষ্ঠানেই পতা হয়।

এই আঙুঠি পিন্ধোৱা অনুষ্ঠানত কইনাৰ বাবে তেল, সেন্দুৰ, ফনি, সুগন্ধি বস্তু, কাপোৰ আদিৰে জোৰোণৰ অলপ দিন আগত গৈ দৰাঘৰীয়াই কন্যাক দি থৈ আহে। দৰাৰ মাকে কইনাৰ মূৰত তেল-পানী দি মূৰ ফণিয়াই সেন্দুৰৰ ফোঁট দি কন্যাৰ বাওঁহাতৰ অনামিকা আঙুলিত আঙুঠি পিন্ধায়। গোপিনী সকলে মঙ্গলধ্বনিৰে উৰুলি দিয়ে। কন্যাই ইয়াৰ পিছত দৰাঘৰীয়াসকলক তামোল-পান দি ন-বস্ত্ৰৰে মান ধৰে।

গণকে গণনা কৰা দিন বাৰ চাই বিয়াৰ দিন বাৰ ঠিক কৰা হয়।

বিবাহৰ যা-যোগাৰ হোৱাৰ পৰা বিবাহৰ দিনালৈকে ইয়াৰ লগত জড়িত বিভিন্ন নীতি-নিয়ম, অনুষ্ঠান পতা হয়। সকলো অনুষ্ঠান নীতি-নিয়মৰ মাজেৰে পালন কৰা হয়। বিয়াৰ দিনৰ আগে আগে পতা অনুষ্ঠানসমূহ এনেধৰণৰ —

**ক) সুৱাগৰ ধান বনা ঃ**

ঢেঁকীৰ সন্মুখত আগলি কলপাত এখিলাত এযোৰ তামোল পান দি এগছি চাকি জ্বলাই ঢেঁকী বা উৰালত, কুলা বা চালনিত সেন্দুৰৰ ফোঁট দি উৰুলিৰে সুৱাগৰ ধান বানে। জোৰোনৰ দিনা দৰাঘৰে এই চাউল এটা টেকেলিত কইনা ঘৰলৈ লৈ যায়। বাকীখিনি দুনৰিত আৰু সুৱাগুৰি তোলোতে ব্যৱহাৰ কৰে। এইখিনি কৰোতেও আয়তীসকলে বিয়ানাম জুৰে এনেদৰে—

বান্ধা বান্ধা ধান বান্ধা সুৱাগৰে ধান
ঢেকিতে তেল সেন্দুৰ দিয়া ঐ সখী
থোৱা তামোল পান। [১৩]

**(খ) জোৰোণৰ বাকচত কইনাৰ কাপোৰ অলংকাৰ ভৰোৱা ঃ**

বিবাহ অনুষ্ঠানত জোৰণ এক গুৰুত্বপূৰ্ণ অনুষ্ঠান। সেইবাবে বাকচত কাপোৰ কানি, অলংকাৰ ভৰাওতে নিয়ম কৰিহে ভৰোৱা হয়। প্ৰথমে বাকচত চাৰিওফালে চাৰিটা গোটা টকা থোৱা হয়। উৰুলি দি চাউল চটিয়াই ইয়াৰ পাছত কাপোৰ ভৰোৱা হয়। কাপোৰো বিযোৰীয়াকৈ হে দিয়াৰ নিয়ম। হয় ৫ যোৰ, ৭ যোৰ, ৯ যোৰ এনেদৰে। লগতে বাকচত তেল সেন্দুৰ, ফনি, আ-অলংকাৰ অন্যান্য সামগ্ৰীসমূহো ভৰোৱা হয়।

---

১৩. নিজস্ব

এনেদৰে কইনা ঘৰতো কইনাই লগত অনা কাপোৰ ভৰোৱাৰ নিয়ম আছে। ঘৰৰ আত্মীয়, ওচৰ চুবুৰীয়াৰ উপস্থিতিত এখন চেলেং, গামোচা গোটা টকাৰে পোন প্ৰথমতেই বাকচত ভৰাই লোৱা হয়। তাৰ পিছতত হে অন্যান্য সা-সামগ্ৰী ভৰোৱা নিয়ম।

**(গ) বিয়াৰ ৰভাৰ খুঁটা পোতা ঃ**

বিবাহৰ বাবে ৰভা খুটা পোতাৰো নিয়ম আছে। বিয়াৰ বাবে ৰাইজক ভৰসা কৰা হয়। দিন বাৰ চাই ৰভা খুঁটা পোতাৰ নিয়ম। তামোল পান, ধূপ-চাকি জ্বলাই ৰভা খুঁটা পতা হয়।

**(ঘ) জোৰোণৰ দিনা ৰাতিপুৱা পদুলিত কলপুলি ৰোৱা ঃ**

এই দিনাখন পুৱাই পদুলিমুখত দুফালে দুটা কলৰ পুলি ৰুই দুটা মাটিৰ কলহত পানী ভৰাই তাৰ ওপৰত নাৰিকল দি কলৰ গুৰিত বহাই দিয়াৰ নিয়ম। নাৰিকলৰ গাত সেন্দুৰৰ ফোঁট আকি দিয়ে।

**(ঙ) ঘটত চাউল ভৰোৱা ঃ**

তিনিৰ পৰা পাঁচগৰাকী আয়তীয়ে হাতত একাঁজলিকৈ চাউল লৈ উৰুলি দি ঘটত চাউল ভৰাই। ইয়াৰ পাছত আমৰ পাঁচ পতীয়া আম-ডালি ভৰাই তামোল পান আৰু টকা এটা দিয়ে। ঘটত সেন্দুৰৰ ফোঁট দি ডিঙিত বগা কাপোৰ বা বগা এঁৰা সূতা বান্ধি দিয়ে।

**(চ) দুণৰি সজোৱা ঃ**

কইনা ঘৰৰ দুনৰিত চাউল ভৰাই মৰলৰ ওচৰত ৰখা হয়। জোৰোণত আহোতে দৰা ঘৰৰ পৰা অনা ঘটৰ চাউল সেই দুনৰিত ৰখা হয়। দৰা ঘৰৰ দুনৰি কইনাই স্পৰ্শ কৰি দিয়া চাউলেৰে ভৰোৱা হয়। তামোল-পান, চাকি আৰু টকাৰে দুনৰি সজোৱা হয়।

**(ছ) মৰল সজা ঃ**

জোৰোণৰ আগদিনা গাঁৱৰ ডেকা ল'ৰাহঁতে মৰল সজা নিয়ম। ৰং ৰহইচ, গীত মাতেৰে ডেকাহঁতে মৰলৰ চাৰিওপালে কল পুলি পুতি মৰল সাজে। মৰলৰ মাজত বালিৰ টিপত সাতোৰঙেৰে আল্পনা অঁকা হয়। তাৰ পাছত চাৰিওফালে আমডলি আঁৰি ফুলেৰে মৰল সজাই তোলা হয়। কথিত আছে যে এই মৰল ছোৱালী ঘৰে দৰা ঘৰৰ আৰু দৰা ঘৰে ছোৱালী ঘৰৰ চাব নাপাই। সেইবাবে ই আছুতীয়া জেগাত বনোৱা হয়।

**(জ) বেই বনোৱা ঃ**

এই বেই বনোৱাটো অসমীয়া বিবাহৰ এক অলংঘিত নিয়ম। বিবাহৰ ঠিক দুদিন আগত আৰু বিবাহৰ দিনাৰ বেই বনোৱাৰ পদ্ধতি বেলেগ। দুদিনীয়া বা তিনিদিনীয়া বিয়াত মৰলৰ ওচৰত ইকৰাৰ বেইত দৰা কইনাক নুওৱা হয়।

আনহাতে বিবাহৰ দিনা বেই চাৰিওফালে কলপুলি পুতি আঁমডালি আঁৰি বনোৱা হয়। মাজত থাকে এখন পীৰা আৰু তাৰ তলত থাকে ভোজনীসহ এটা হাঁহৰ কণী।

**(ঝ) আঁমডালি অঁৰা ঃ**

ঘৰৰ আত্মীয়, ওচৰ-চুবুৰীয়া ছোৱালী বোৱাৰীহঁতে লগ লাগি জোৰোণৰ দিনা ৰাতিপুৱা পদুলিমুখৰ কল পুলিত আৰু দৰ্জা মুখবোৰত আঁমডালি আৰে। আঁমডালিৰ আঁৰে আঁৰে বিয়া নামো জুৰে আয়তীসকলে এনেদৰে—

আঁমডালি গাঁঠিছো, দুৱাৰমুখত আঁৰিছো

আমাৰ আইদেউ/বোপাৰ বিয়ালৈ

সকলোকে মাতিছো।

**(ঞ) জোৰণ পৰিধান কৰা ঃ**

জোৰণ বিবাহৰ এক অপৰিহাৰ্য অংগ। জোৰণ বিয়াৰ আগদিনাও পতা হয়, ঠায়ে ঠায়ে আৰু ঠায়ে ঠায়ে বিবাহৰ দিনাই অৰ্থাৎ পুৱা জোৰণ তাৰ পিছত বিবাহ সম্পন্ন হয়।

জোৰণ যোৱাৰ আগে আগে দৰাঘৰত সমাজ পাতি দৰাই চোলা-চুৰিয়া পিন্ধি ৰাইজৰ আগত সেৱা ধৰে। দৰাৰ মূৰত মাকে কেঁচা তামোল থিয় কৰি তেল দিয়াৰ নিয়ম। জোৰণত নিবলগীয়া বস্তুবোৰ হ'ল — এথোক তামোল, তাৰ লগত পাঁচ গুচি পান, মাননি, দুখনি শৰাই, এযোৰ নাৰিকল। লগত থাকে মছলা, মিঠাইৰ প্লেট বা অসমীয়া পিঠা, থুৰিওৱা তামোল ইত্যাদি।

কইনাৰ বাবে থাকে বাকচত কাপোৰ-কানি, আ-অলংকাৰ, সুগন্ধিদ্ৰব্য, সেন্দুৰ, আইনা, ফনি, কইনাৰ মাকৰ বাবে কাপোৰ, চেলেং চাদৰ, নোৰনিৰ কাপোৰ আদি। ইয়াৰ উপৰিও চাউলেৰে পূৰ্ণ দুটা টেকেলি, দৈয়ন দিবৰ বাবে গৰুৰ দৈ টেকেলি দুটা, পিতলৰ টেকেলি দুটা য'ত বগা এঁৰা সূতা বন্ধা থাকে। ৰূপৰ তামোল কটাৰী, মাটিৰ চাকি, ধূপ-ধূনা, গামোছা ইত্যাদি অনেক বস্তু নিয়াৰ নিয়ম জোৰণত।

কইনাৰ বাবে নোৱাবলৈ মাহ-হালধি, লগত বাতি চাৰিটা, গাঁঠিয়ন বেলেগকৈ থাকে। এটা মাহ-হালধিৰ টোপোলা কইনাই দৰাক গা-ধুৱাবৰ বাবে স্পৰ্শ কৰি ওভতাই পঠিয়াই।

আগৰ দিনত মাকৰ 'পেটপোৰা ভাৰ' বুলি কয়, যিটো চাউল, কোমোৰা, এটা মাছ লগত লৈ যোৱাও নিয়ম আছিল। এতিয়াও ঠায়ে ঠায়ে কেৱল মাছ লৈ যোৱা দেখা যায়।

দৰাই কইনা ঘৰলৈ নিবলগীয়া এই সকলোবোৰ বস্তু সমাজৰ আগতে স্পৰ্শ কৰি দিয়ে কইনালৈ বুলি জোৰণ ওলেৰোৰ আগে আগে আয়তীসকলে নাম জুৰে এনেদৰে—

"ওলাই আহা আইদেৰে

ৰজাৰ মহাদৈ

শুভক্ষণে যাত্ৰা কৰো জোৰণ দিবলৈ।"

দৰাৰ হৈ গায় এনেদৰে —

"আহা বোপা বহাহি, সেৰা এটি লোৱাহি

জোৰণ ওলাই যাব, ৰাইজক সেৰা কৰাহি।"

আকৌ গায় —

"খাৰু মনি কাকৈ ফনি কুণ্ডল জোনেবিৰি

তেল সেন্দুৰ সাতেসৰী লোৱা শৰাই ভৰি।" [১৪]

ইফালে কইনাৰ ঘৰত জোৰণ আহি পায়হি আৰু আইসকলে ভিতৰত বিয়া নাম জুৰে এনেদৰে —

"দবা শংখ মুৰুলি

আজিৰ শুভক্ষণত সৰে দিয়া উৰুলি।"

এইবুলি জোৰোণ আহি পোৱাৰ লগে লগে মঙ্গলধ্বনিৰে আইসকলে উৰুলি দিয়ে।

ধূপ-চাকি জ্বলোৱা, শৰাইখনি সজোৱা

জোৰণ আহি ৰৈ আছে আদৰোগৈ ওলোৱা।

জোৰণ আহি কইনাৰ ঘৰৰ পদুলি পোৱাহি লগে লগে কইনাৰ মাকে গোপিনীসকলৰ লগত জোৰণ আদৰিবলৈ যায়। শৰাইত তামোল পান, চাকি, ধূপ সহ কইনাৰ মাকে জোৰণ আদৰে।

ইফালে দৰাৰ মাকেও শৰাই লৈ ৰৈ থাকে। এইখিনিতে দুয়োখন শৰাই সলোৱাৰ নিয়ম। দৰাঘৰৰ শৰাইখন কইনাঘৰে আৰু কইনাঘৰৰ শৰাইখন দৰাঘৰে ঠাইতে তিনিপাক ঘূৰাই সলাই লয়। সকলোৰে মিলি প্ৰাৰ্থনা কৰে। এইদৰে জোৰণ আদৰি ভিতৰলৈ লৈ যায়। এইখিনিতে বিয়া নাম গায় এনেদৰে—

"জনকৰ পদুলিতে বঁটাৰ তামোল সলোৱা

বিয়নীক আদৰি আনি সমাজত বহুৱা।"

---

১৪. অনিল শইকীয়া, তথ্যদাতা, মৰাণ মহাবিদ্যালয়

কইনাঘৰত ইতিমধ্যে ভকতসকলে সমাজ পাতি বহি থাকে। তাতে দৰাৰ মাকে আত্মীয়সকলৰ লগত জোৰণৰ সামগ্ৰী সমূহ থৈ সেৱা লয়। চাহ তামোল পানেৰে আপ্যায়নৰ পিছত ইতিমধ্যে গা পা ধুই কাপোৰ পিন্ধি বহি থকা কইনাক লগৰ এগৰাকীয়ে সমাজৰ আগলৈ উলিয়াই আনে। কইনাও প্ৰথমে ভকত সেৱা কৰে।

জোৰণ সজাবৰ বাবে এডোখৰ ঠাই আছুতীয়াকৈ সজাই তোৱা হয়। দৰাঘৰৰ গোপীনীসকলে গৈ তাতে বহে। কইনা সজাবৰ বাবে মাজতে এখন ডাঙৰ আইনা থৈ দিয়া হয়। দৰাঘৰৰ পৰা লৈ যোৱা পাটী পাৰি দিয়া হয় আৰু তাতে গৈ কইনা বহে।

বিয়া নাম গাই এনেদৰে—

"ওলাই আহা আইদেউৰে দুৱাৰডলিৰ মাজে

তোমাক সজাব লাগে নকৰিবা লাজে।"

কইনা আহি বহাৰ লগে কইনা ঘৰৰ নাম জুৰে এনেদৰে —

"ৰাম কৃষ্ণ আগৰখন বাৰতে

ৰাম কৃষ্ণ কি কি আনিছে

হৰি মোৰ ঐ সমাজৰ আগতে থোৱা"

ৰাম কৃষ্ণ পাছৰখন বাৰতে

ৰাম কৃষ্ণ কি কি আনিছে

হৰি মোৰ ঐ আইদেউৰ আগতে থোৱা।

মাকে ইতিমধ্যে কইনাৰ মূৰত তামোল থৈ এটা সোণৰ আঙুঠি ওপৰত দি মূৰত তেল দিয়ে। আয়তী সকলে উৰুলি দিয়ে। তাৰ পাছত সেই আঙুঠিৰেই কইনাৰ শিৰত সেন্দুৰ দিয়ে আৰু অনামিকা আঙুলিৰে কপালত ফোঁট দিয়ে। আঙুঠিটো কইনাক পিন্ধাই দিয়ে। বাকী আ অলংকাৰ কিনিও কইনাক পিন্ধাই দিয়া হয়।

দৰাঘৰীয়া আয়তীসকলে গায় —

"মাৰাৰ অলংকাৰ থোৱা কাটি কৰি

ঐ ৰাম দেউতাৰাৰ অলংকাৰ থোৱা হে

ৰামে দি পঠাইছে বিচিত্ৰ অলংকাৰ

ঐ ৰাম হাতে যোৰে কৰি লোৱা হে।"

“অ’ সোণৰ খাৰু আজি শিৰত সেন্দুৰ

কিয় ল’লা বাৰু ?

মুকুন্দ মুৰাৰী, আজি শিৰত সেন্দুৰ

নল’লে নোৱাৰি।”[১৫]

জাত নাম ঃ অ’ সৰু চৰাই ল’লে জোৰণ পিন্ধাই

কাইলৈ ৰাতিপুৱাই নিব বিয়া কৰাই [১৬]

উপদেশো দিয়ে এনেদৰে —

দেউতাৰাৰ ফুলনি দেখিবলৈ শুৱনি

বোৱাৰীৰ শুৱনি শিৰৰ সেন্দুৰখিনি

সযতনে ৰাখিবা, নিয়ম-নীতি মানিবা

শিৰৰ সেন্দুৰখিনিৰ

মৰ্যাদা ৰাখিবা। [১৭]

কইনাঘৰীয়া নামতিয়ে কইনাৰ মনৰ দুখ বুজি গায় —

টেবুলৰ ফুলদানিত ফুল সজাই থোৱা

তোমাক কি লাগে আজিয়েই কোৱা।

একো মোক নালাগে সকলো আছে,

জীয়ৰী জীৱনটো ঘূৰাই মোক লাগে। [১৮]

এইদৰে কইনাক দৰাঘৰৰ পৰা অনা নতুন কাপোৰ পিন্ধাই শেষত দৰাৰ মাকে ৰুমালত বন্ধা ৰূপৰ তামোল কটাৰীযোৰ গতাই দিয়ে।

খোৱা বোৱাৰ পিছত কইনাই দৰাঘৰীয়া ভকত-বান্ধৱ, আয়তী, আত্মীয় সকলোকে মান ধৰে আৰু ভকত সেৱা কৰে। দৰালৈ বুলি কইনাই গামোচা, চুৰিয়া, চেলেং, পাঞ্জাবী চাৰ্ট, গাৰু গিলিপ, ৰুমাল আদি দি

---

১৫. ড° থুনু কলিতা, বিবাহ উৎসৱ ঃ পৰম্পৰা আৰু বিয়ানাম, পৃষ্ঠা নং - ৭৩

১৬. ড° থুনু কলিতা, পূৰ্বোলিখিত, পৃষ্ঠা নং - ৭৩

১৭. ড° থুনু কলিতা, পূৰ্বোলিখিত, পৃষ্ঠা নং - ৭৫

১৮. দিপাঞ্জলী চেতিয়া গগৈ, তথ্যদাতা, শিৱসাগৰ

পঠায়। আজিকালি লগত সুগন্ধি সামগ্ৰীও দিয়াৰ নিয়ম। মিঠাইৰ টোপোলাও দৰাঘৰলৈ বুলি বান্ধি পঠিয়ায়।

কইনাঘৰীয়া এগৰাকী আয়তীয়ে দৰাঘৰৰ পৰা লৈ যোৱা টেকেলিৰ চাউল কইনাঘৰত ৰাখি কইনাঘৰৰ চাউল তাত ভৰাই তামোল-পান মাননি দি ঘুৰাই দিয়ে, কিছুমান ঠাইত জোৰণত দুটা ঘট লৈ যায় আৰু এটা ঘট কইনাঘৰত থৈ আহে। এটা ঘটৰ চাউল কইনাঘৰত থৈ কইনাঘৰৰ চাউল খালী হোৱা ঘটটোত ভৰাই লৈ অহাৰ নিয়ম। সেই চাউল আহি দৰাঘৰৰ দুণৰিত ভৰোৱা হয়। কইনা ঘৰত এই যে জোৰণত এটা ঘট থৈ অহা নিয়ম বাবে ইয়াক 'টেকেলি দিয়া' অনুষ্ঠান বুলিও কোৱা হয়।

এইদৰে নানান নীতি-নিয়মৰ মাজেৰে দৰাঘৰৰ মানুহে জোৰণ দি ওভতনি যাত্ৰা লয়।

**ট) পানী তোলা ঃ**

দৰা কইনাক গা ধুৱাবৰ বাবে কৰা পানী তোলা অনুষ্ঠান বিবাহত উল্লেখযোগ্য। নদীৰ পানীৰ গংগা, যমুনাৰ জলৰ দৰে পবিত্ৰ জ্ঞান কৰি আয়তীসকলে পানী তুলিবলৈ যায়।

কইনাঘৰৰ পৰা অনা চাউল দুনৰিত ভৰাই ভিতৰত তামোল পাণ আৰু মাটিৰ চাকি জ্বলাই তোলা হয়। আঁমডালেৰে দুণৰিটো সজাই তোলা হয়। একেই নিয়ম কইনাঘৰতো কৰা হয়। দিনটোৰ সামৰণিৰ অন্তত গধূলি বেলা দৰা কইনা ঘৰৰ মাক আৰু আয়তীসকল পানী তুলিবৰ যাবৰ বাবে সাজু হয়। কইনাৰ মাকে দৰাই দিয়া কাপোৰ যোৰ পানী তুলিবলৈ যাওঁতে পিন্ধি যোৱা নিয়ম। পানী তুলিবলৈ সাজু হয় আয়তীসকলে বিয়ানামেৰে—

"সজোৱা দুনৰি ঘট মঙ্গল কৰিয়া,
লগোৱা সহস্ৰ বাতি গন্ধ তেল দিয়া।
সেৱা কৰি তুলি লোৱা ধৰমৰ টেকেলি,
সন্ধ্যাতে তুলিব লাগে কিয় এত বেলি"। [১৯]

আকৌ গায়—

"কাষে লোটা লোৱা আই
হাতে লোৱা সেৱা,
যমুনালৈ যাব লাগে
নকৰিবা হেলা।"

---

১৯. ড° থুনু কলিতা, বিবাহ উৎসৱ ঃ পৰম্পৰা আৰু বিয়ানাম, পৃষ্ঠা নং - ৮৩

পানী তুলিবলৈ যাওঁতে কিছু কিছু ঠাইত গায়ন বায়ন আৰু বেছি ভাগ ঢোলে দগৰে বেণ্ডপাৰ্টি লৈ যোৱাৰ নিয়ম। এগৰাকী আয়তী বা কুমাৰী ছোৱালীয়ে দুণৰিটো লয় আৰু আগে যায় পাছত যায় মাক। নদী বা পুখুৰী পাই নাম গায় এনেদৰে—

"জয় ইঘাটে দুবৰি জয় সিঘাটে দুবৰি
জয় তুলিম কোন ঘাটে পানী,
জয় যি ঘাটে ৰামচন্দ্ৰই জয় গা স্নান কৰা
জয় সেই ঘাটে তোলা ৰাম পানী।" [২০]

"লাই হালে জালে ফুল চন্দন তুলসী
লফা হালে জালে পাতে ঐ
ফুল চন্দন তুলসী, ভৰিল নে নভৰিল
ৰাধা তোমাৰ কলচী "।

ঘাটত নামি মাকে প্ৰথমে তামোল পাণ, টকা জল কুঁৱৰীলৈ বুলি উৎসৰ্গা কৰি সেৱা জনায়। ছুৰী কটাৰীখনেৰে পুৱা-পশ্চিমা-উত্তৰা-দক্ষিণাকৈ তিনিবাৰ পানী কাটে। তাৰ পিছত ঘটৰ মুখৰ কাপোৰ খুলি ঘটত পানী ভৰাই আধা পানী পেলাই দিয়ে, এইদৰে তিনিবাৰ কৰি শেষৰবাৰে সম্পূৰ্ণ পানী ভৰাই।

"যমুনা যমুনা অ' আই যমুনা
যমুনা আছা ঐ ভৰি
জল এৰি দিয়া আই জলকুঁৱৰী
মুঠিতে আনিছো কড়ি।" [২১]

'জল ভৰি যশোদা জলতে নামিলা
ঐ ৰাম সাত ডুব দিলা গণিহে।
গুৱাপান দিয়া হাতে ছুৰী লৈয়া
ঐ ৰাম যমুনাৰ নাভি কাটিলা।"

---

২০. ড° থুনু কলিতা, বিবাহ উৎসৱ ঃ পৰম্পৰা আৰু বিয়ানাম, পৃষ্ঠা নং - ৮৪

২১. ড° থুনু কলিতা, পূৰ্বোলিখিত, পৃষ্ঠা নং - ৮৬

পানী কাটি থাকোতে এগৰাকী আয়তীয়ে মাকক সোধে —

প্ৰশ্ন ঃ কাৰ পানী কাটিছা ?

উত্তৰ ঃ সীতা ৰামৰ পানী কাটিছো

প্ৰশ্ন ঃ কি দেখি আহিছা

উত্তৰ ঃ হৰ গৌৰীৰ বিয়া দেখি আহিছো।

প্ৰশ্ন ঃ কি সাজ, কি বৰণ ?

উত্তৰ ঃ ধুঁৰলি-কুঁৰলি, সৰে হবা সাক্ষী আইদেউৰ / বোপাৰ পানী কাটো কটাৰী ধৰি। [২২]

এইদৰে পানী তুলি ঘটৰ মুখ কাপোৰেৰে বান্ধি কঁকালত কলচী লৈ উভতনি লয়। মাকক উদ্দ্যেশি বিয়ানাম জুৰে এনেদৰে—

"ৰাম কৃষ্ণ জল ভৰি যশোদা

ৰাম কৃষ্ণ পাছলৈ নাচাবা

হৰি মোৰ ঐ সাগৰো আহিব ভাহি ।" [২৩]

আয়তীসকলে খোজ কাঢ়ি ভাগৰ লাগি নাম জুৰে —

"অ' মন জৰী, পানী তুলিবলৈ নানিলা গাড়ী

আহোতে যাওঁতে বিষালে ভৰি।

নৈ হল দুৰনি, বাট হ'ল ঘুৰণি

গোপিনীৰ নচলে ভৰি,

অত ধন সোণ, কেলেই লাগিছে

বিয়ালৈ নানিলা গাড়ী ।" [২৪]

পানী তুলি ঘৰৰ মুখ পাই জাত নাম গাই এনেদৰে —

জাত ঃ " অ মন তৰা , গংগা জল আনিছো গংগাৰ পৰা

নাম ঃ পানী তুলি আহে যশোদা আই

---

২২. ড° থুনু কলিতা, বিবাহ উৎসৱ ঃ পৰম্পৰা আৰু বিয়ানাম, পৃষ্ঠা নং - ৮৮

২৩. ড° থুনু কলিতা, পূৰ্বোলিখিত, পৃষ্ঠা নং - ৮৯

২৪. ড° থুনু কলিতা, পূৰ্বোলিখিত, পৃষ্ঠা নং - ৯১

ঐ ৰাম আইদেউৰ সুন্দৰী আই

দুৱাৰ মেল দুৰৰী সোমাই যাওঁক কুঁৱৰী

ঐ ৰাম দুৱাৰত ঘুনুচা জৰীহে। ”

ঘৰ পাই মাকে ঘটৰ আমপাতকেইটা ঘটৰ পানীত ডুবাই ঘৰৰ ছালত ছটিয়াই আৰু আয়তীসকলে উৰুলি দিয়ে। এইদৰে তিনিবাৰ কৰে।

নাম জুৰে এনেদৰে —

“চালত পানী দিবা, ধাৰে নিচিঙিবা,

ঐ ৰাম মৰল চাই টেকেলি থবা হে।

মৰল চাই টেকেলি থবা ভালে কৰি,

ঐ ৰাম আইদেউৰ মৰমৰ বিয়াহে। ”[২৫]

ইয়াৰ পিছত মৰলত গৈ ঘটটো থয়, কাযতে থয় দুনৰিটো। এতিয়া আহে গা ধোৱা পৰ্ব।

**ঠ) দৰা -কইনা গা ধুওৱা পৰ্ব ঃ**

আগতেই সাজি থোৱা বেইৰ তলত দৰা/কইনা গা ধুৱাবলৈ আয়তীসকল সাজু হয়। বেইৰ মাজত দৰা কইনাক বহি গা ধুৱাবলৈ এখন তামুলী পীৰা, বা চামৰ পীৰা পৰা থাকে। ভৰি থবৰ কাৰণে থাকে এখন আগলি কলপাত, লগত দুটা ধানখেৰৰ সোপা, মাজত এটা শিল বা পটাগুটি। এখন শৰাইত থাকে গা ধুৱাবৰ বাবে মাটি মাহ, হালধি বাটি, মিঠাতেল আদি। এটা পটাত থাকে দৈ আৰু পান। আন এখন শৰাইত থাকে পিন্ধিবলৈ ন বস্ত্ৰ, চেলেং, গামোচা ইত্যাদি।

কইনাক মাকে মূৰত চেলেং এখনৰে ওৰণি দি চেলেং খনৰে আগটোত ধৰি আনি বেইৰ চাৰিওফালে তিনি পাক ঘূৰাই পীৰাখনত বহিব দিয়ে। দৰাকো মাকে আনি একে পদ্ধতিৰে বহাই দিয়ে।

আয়তীসকলে নাম জুৰে এনেদৰে—

“ওলাই আহা আইদেউৰে, দুৱাৰ ডলিৰ বাজে

তোমাকে নোৱাব লাগে নকৰিবা লাজে। ”

“ওলাই আহা ৰামচন্দ্ৰ

ঐ শশী মাটিত মঙ্গল চাই

গণকে গণিতা কৰে

ঐ শশীথাপ চৰি যায়। ”[২৬]

---

২৫. ড° থুনু কলিতা, বিবাহ উৎসৱ ঃ পৰম্পৰা আৰু বিয়ানাম, পৃষ্ঠা নং - ৯২

২৬. ড° থুনু কলিতা, পূৰ্বোলিখিত, পৃষ্ঠা নং - ৯৪

বেইত বহোঁতে গায়—

"বেই পাই ঘুৰিলে, পীৰা পাই বহিলে
পাট পাই মেলিলে ভৰি
তেল পাই আইদেউৰ বৰণে সলালে
ঐ হালধিত উঠিলে চৰি।"

কইনাৰ মাকে কইনাৰ মূৰত আঙঠি তামোল থৈ তেল দিয়ে। আকৌ গায়,

আইদেউৰ পদূলিতে ভাঙি আছে নল
কলহে কলহে ঢালে যমুনাৰে জল।"

"মাহ কেলৈ ঘঁহিছা পানী কেলৈ ঢালিছা
কাৰ কাৰণে নো ইমান কষ্ট কৰিছা।"

এইদৰে ঘৰৰ , আত্মীয় আৰু আয়তীসকলে দৰা/কইনাক অলপ অলপ গালে মূৰে, হাতে ভৰিয়ে মাহ হালধি সানি দিয়ে আৰু পানী ঢালি গা ধুৱাই।

দৰা কইনা গা ধুই হোৱাৰ পিছত পাঁচ গৰাকী আয়তীয়ে মূৰত চাউল দি বিয়া নাম গায়—

"আগে দিয়া পাছে দিয়া
পঞ্চ আয়তীয়ে,
দুৰ্বা ঘাটৰ পানী আনি
আইদেউৰ মূৰত ঢালে।"

এইদৰে দুনৰিৰ চাকিৰ পৰা দুহাতেৰে উত্তাপ লৈ দৰা কইনাৰ মুখৰ ওচৰত পিছত নিজৰ বুকুৰ ওচৰত তিনিবাৰ চাকি সা দিয়ে।

আন আন সম্বন্ধীয়সকলে দৰা কইনাক নোৱাবলৈ তেওঁলোকক জোকাৰিও বিয়ানাম জোৰাৰ নিয়ম—

"বোপাক নোৱাবলৈ বায়েক আহিছে
দিবলৈ আনিছে কি?
দিবলৈ আনিছে ফটা জাল এখনি
ভিনিহিক বন্ধকত দি।"[২৭]

২৭. ড° থুনু কলিতা, বিবাহ উৎসৱ ঃ পৰম্পৰা আৰু বিয়ানাম, পৃষ্ঠা নং - ৯৯

আম সাহ, চাকি সাহ দি দৰা/কইনাক চেলেং এখনেৰে মেৰিয়াই মাকে বেইৰ চাৰিওফালে আকৌ তিনি পাক ঘুৰে। আগে যায় দুনৰি লৈ কুমাৰী ছোৱালী। আন এগৰাকীয়ে গৈ পানী লৈ দৰা/কইনাৰ ভৰিলৈ ছটিয়াই যায়।

নাম গায় —

"ৰাম কৃষ্ণ বেইৰ চৌপাশে

ৰাম কৃষ্ণ ঘুৰে লয়লাসে।

হৰি মোৰ ঐ মাকৰ আঁচলত ধৰি

ৰাম কৃষ্ণ আইদেউ কুমলীয়া

ৰাম কৃষ্ণ ঘুৰিব নোৱাৰে

হৰি মোৰ ঐ আগলৈ নচলে ভৰি ।[২৮]

কিছু কিছু ঠাইত খাৰ নোৰনো কৰাৰ নিয়ম। ইয়াত মূৰৰ ওপৰত চাৰিওফালে চাৰিগৰাকী গোপিনীয়ে এখন চেলেং কাপোৰ মেধিৰি তাৰ ওপৰত কলখাৰৰ টুপলি এটা দি দিয়ে। তাৰ পিছত ইফালে এবাৰ সিফালে এবাৰ কৰি আঁচল পাতি আন এগৰাকী গোপনীয়ে লৈ লয়। সোণৰ গহনাও একেদৰেই কৰে।

"গা ধুই আইদেউৰে মাকক সুধিলে

ঐ ৰাম কি সাঁজ সলাব পাৰিহে।

ছাঁতে শুকুৰা, মাটিতে লুকুৰা

ঐ ৰাম সেই সাঁজ সলাব পাৰি হে। "

এইদৰে দৰা/কইনাই আইসকলক সাক্ষী কৰি ন সাজ পিন্ধি সেৰা জনাই গা ধোৱা পৰ্ব সামৰে।

**ড। গন্ধ অধিবাস ঃ**

দুদিনীয়া বিয়া বা তিনিদিনীয়া বিয়াত জোৰোণত দিনা নোওৱাৰ পিছত সন্ধিয়া অধিবাস হয়। দৰা/ কইনাক নোৱাই মৰলৰ ওচৰত বহাই পুৰোহিতে শাস্ত্ৰীয় বিধি অনুসৰি মন্ত্ৰ পাঠ কৰি অধিবাস দিয়ে।

আইসকলে নাম জুৰে —

"ওলাই আহা ৰামচন্দ্ৰ

ঐ শশী বহা সিংহাসনে।

---

২৮. ড° থুনু কলিতা, বিবাহ উৎসৱ ঃ পৰম্পৰা আৰু বিয়ানাম, পৃষ্ঠা নং - ১০০

পিন্ধা পাটৰ বস্ত্ৰ আনি

ঐ শশী ৰত্ন অলংকাৰে ।[২৯]

“ আজি ৰামৰ অধিবাস কালিলৈ বিবাহ

কোনে জানে কৈকেয়ীয়ে দিব বনবাস।

শঙ্খ বাজে, ঘন্টা বাজে, বাজে মৃদংখোল

আজি ৰামৰ অধিবাসত উৰুলিৰে ৰোল।[৩০]

“ আজি  আইদেউৰ অধিবাস

কালিলৈ আইদেউৰ বিয়া

সমনীয়াই আনন্দ কৰে

মাকৰ পোৰে হিয়া।[৩১]

পাটিত বহি ৰুক্মিনীয়ে মাটিত মঙ্গল চাই

কেতিয়া আহিব কৃষ্ণ সোণৰ বংশী বাই।

বেদনিধিক  দুত পঠাই মাধৱৰ ঠাই

আহিব আহিব বুলি আছে বাট চাই।”

এইদৰে পুৰোহিতৰ মন্ত্ৰ, আয়তিৰ উৰুলিৰে বিয়ানাম, যোৰা নাম গাই অধিবাস শেষ হয়।

**ত) গাঁঠিয়ন খুন্দা ঃ**

অধিবাসৰ দিনাই গাঁঠিয়ন খুন্দাৰ নিয়ম। দৰা / কইনাক মৰলত বহুৱাই কাপোৰেৰে ঢাকি মাক সহ সাতগৰাকী  আয়তীৰে গাঁঠিয়ন খুন্দে। নাম গাই গাই তিনিখুন্দা পটাত মাৰি  গাঁঠিয়ন  খুন্দা  নিয়ম। গাঁঠিয়ন হ'ল আদা গছৰ নিচিনা এজোপা শিপা জাতীয় যাক এক প্ৰকাৰৰ বনৌষধ বুলিও  কব পাৰি।

বিয়ানাম গায় —

“উজনিৰ ৰাইজৰ গুণে গাঁঠিয়ন

নামনিৰ ৰাইজৰ পতা,

---

২৯. ড° থুনু কলিতা, বিবাহ উৎসৱ ঃ পৰম্পৰা আৰু বিয়ানাম, পৃষ্ঠা নং - ১০৭/১০৮

৩০. ড° থুনু কলিতা, পূৰ্বোলিখিত, পৃষ্ঠা নং - ১০৮

৩১. ড° থুনু কলিতা, পূৰ্বোলিখিত, পৃষ্ঠা নং - ১০৮/১০৯

সাতো আয়তীয়ে গাঁঠিয়ন খুন্দিছে

উৰুলি এজোকাৰ দিয়া।”

“গাঠিয়ন খুন্দিলো, মুঠাও খুন্দিলোঁ

পিন্ধি গান্ধ বিৰিণাৰ পাতহে,

কেএগ্রা বনৰ গুটি পিহি তেলত দিলো

আইদেউৰ মূৰত লগাও বুলিহে। ”[৩২]

এইদৰে কৰি দৰা/কইনাৰ কপালত ফোঁট দিয়ে। জনবিশ্বাস মতে এনে কৰিলে কাৰো বেয়া চকু নপৰে বুলি বিশ্বাস। এইখিনি কৰাৰ মাজতে আয়তীসকলে নিজৰ মাজতে ধেমালিও কৰে। ইগৰাকীৰ চাদৰৰ আঁচল সিগৰাকীৰ লগত বন্ধা, কাৰোবাৰ আঁচলত চামোচ, মগ, ঘট বন্ধা ইত্যাদি।

**ণ। কুলাবুঢ়ী নাচ ঃ**

ঠায়ে ঠায়ে অধিবাসৰ শেষত কুলাবুঢ়ী নাচ নচাৰ নিয়ম। দুগৰাকী আয়তী বুঢ়া-বুঢ়ীৰ ভেশ ধৰি আহে। বুঢ়াজনে হাতত লাখুটি লৈ আহে। বুঢ়ীৰ মূৰৰ ওপৰত এখন কুলাত তামোল পাণ , চাকি, ধান পতান, পইচা আদি থাকে। বিশেষ ধৰণৰ এক ভংগীমাৰে নাচি নাচি দুয়ো দৰা/কইনাৰ ওচৰ চাপি ধেমেলীয়া ভাষাত সাংসাৰিক জীৱনত পালন কৰিব লগীয়া কিছুমান উপদেশ দিয়ে। এইদৰে দৰা/কইনাক নানান ধৰণৰ প্ৰশ্নও কৰে।

এইদৰে ধেমালিৰ চলেৰে দাম্পত্য জীৱনত পালন কৰিবলগীয়া নীতি-নিয়ম মৰমেৰে সকীয়াই দিয়ে। মানুহে আনন্দ পায় আৰু কৌশলেৰে উপদেশ দিয়ে। নামো গায় এনেদৰে—

“নাচ কুলাবুঢ়ী নাচ

ঘাটৰ চেলেকনা মাছ

তই বুঢ়ী, মই বুঢ়া

একেখন বিলৰে মাছ। [৩৩]

‘ঘেন দাওঁ দাওঁ

যেন দাওঁ দাওঁ

লাখুটি বাওঁ

---

৩২. ড° থুনু কলিতা, বিবাহ উৎসৱ ঃ পৰম্পৰা আৰু বিয়ানাম, পৃষ্ঠা নং - ১১২

৩৩. ড° থুনু কলিতা, পূৰ্বোলিখিত, পৃষ্ঠা নং - ১১৪

লাখুটী বাওঁ

লাখুটী নহলে কেনেকৈ যাওঁ। ” ৩৪

এইদৰে দৰা/কইনাক আশীৰ্বাদ দিয়ে আৰু আন আয়তীসকলে কুলাখনত পইচা দিয়ে। কুলাবুঢ়ী নাচৰ মূল উদ্দেশ্যে দৰ/কইনাক প্ৰাপ্তবয়স্কৰ শিক্ষা দিয়া। এইদিনা ৰাতিয়েই দৰা ঘৰৰ পৰা অনা মাছ ৰান্ধি লগে লগে খোৱাৰ নিয়ম।

**২.০৪.০২ বিবাহৰ দিনা**

বিবাহৰ দিনাও পুৱাৰ পৰা দৰা ওলোৱা লৈকে, কইনা ঘৰতো দৰা অহালৈকে নানান ধৰণৰ অনুষ্ঠান পতাৰ নিয়ম। বিবাহ উৎসৱৰ লগত নানা ধৰণৰ ৰং ধেমালি, নাচ গানৰ মাজেৰে বংশ পৰিয়াল, আত্মীয় , ওচৰ চুবুৰীয়া সকলো লগ লাগি বিয়াৰ নীতি নিয়মবোৰ পালন কৰে।

**ক) দৈয়ন দিয়া ঃ**

বিবাহৰ দিনা দোকমোকালিতে এই নিয়ম কৰা হয়। মাকৰ সৈতে পাঁচগৰাকীমান আয়তীয়ে এই কাৰ্য সমাধা কৰে। ঘৰৰ মূল দুৱাৰ মুখত এখন আঁৰ কাপোৰ লৈ মাক বাহিৰ ফালে থাকি দৰা/কইনা ভিতৰফালে থাকে। ঘটৰ পানী আমপাতেৰে ছটিয়াই তিনিবাৰকৈ আম সা, চাকি সা দিয়ে দুনৰিৰ পৰা। দৰা/কইনাই দাঁত খৰিকাই চৰিয়াত পানী আৰু ঘৰিয়া পেলায়। তাৰ পিছত পাণত দৈ লগাই দৰ/কইনাৰ গালত, বাহুত, কঁকাল, আঁঠু, ভৰিত তললৈ মূৰ কৰি লগাই দিয়ে। মাকে নিজৰ ফালে ওফৰলৈ লগায়। মাকে এইদৰে দুডাল ধূপ লৈ ভিতৰপিনে মুখ কৰি দুৱাৰখন চাদৰ এখনেৰে ধৰি থাকে। দৰাই মাকৰ বাও বাঁহুৰ তলেৰে ভূমুকিয়াই সোঁবাহুৰ তলেৰে, কইনাই সোঁবাহুৰ তলেৰে ভূমুকিয়াই বাওঁবাহুৰ তলেৰে বাহিৰলৈ ওলাই যায়। মাক ভিতৰলৈ সোমাই যায়। দৰা কইনা ঘৰলৈ যাব লগীয়া বাটৰ ফালে আৰু কইনা দৰা অহা বাটৰ ফালে আগবাঢ়ি যাব লাগে।

আয়তীয়ে নাম গায়,

“ওলাই আহা আইদেউ সিংহ দুৱাৰলৈ

মায়েৰাই দৈয়ন দিব আঁঠু কাঢ়ি লৈ,

দৈয়ন দিয়া, দৈয়ন দিয়া আপোনাৰে আই

আঁঠু কাঢ়ি দৈয়ন দিয়া শৰীৰ জুৰাই।’

---

৩৪. ড° থুনু কলিতা, বিবাহ উৎসৱ ঃ পৰম্পৰা আৰু বিয়ানাম, পৃষ্ঠা নং - ১১৫

“উঠা ৰাম যাত্ৰা কৰা মাতৃক সেৱা কৰি

আশীৰ্বাদ কৰি মাতা পঠোৱা সাদৰি।

জীৱন যাত্ৰা আজি কৰি আয়োজন

ভৱিষ্যত গণি ৰামে কৰিছে গমন।” ৩৫

সূৰ্য উদয় হোৱাৰ আগতেই দৈয়ন দিয়া কাম সমাপ্ত কৰাৰ নিয়ম। গা পা ধুই নুওৱাৰ পিছতহে দৰা/কইনা ভিতৰলৈ প্ৰবেশ কৰে।

**খ) ন পুৰুষৰ শ্ৰাদ্ধ ঃ**

পূৰ্ব পুৰুষৰ আশীৰ্বাদ বিচাৰি ন পুৰুষৰ শ্ৰাদ্ধ পতা হয়। পুৱাতেই এই কাম পুৰোহিতে সমাপ্ত কৰে। শৰাই আগবঢ়াই, তেল ধূপ, চাকি অৰ্চনি দি। শেষত প্ৰসাদ বিতৰণ কৰি কলগছেৰে বনোৱা পতোৱাত জলপান খাই দৰা/কইনাক আশীৰ্বাদ দি এই অনুষ্ঠান সামৰা হয়।

**গ) সুৰাগুৰি তোলা ঃ**

দিনটোত বিবাহৰ অনুষ্ঠানৰ পাছত সন্ধিয়া পানী তোলাৰ দৰেই মাক আৰু আয়তীসকলে সুৰাগুৰি তোলে দৰা/কইনাক পানী তুলি গা ধুৱাই ৰভাৰ তল বহাই থৈয়ে আয়তীসকলে সুৰাগ জাৰিবলৈ যায়। গাঁৱৰ কোনো ডাঙৰ পুখুৰী আদি এই কাৰ্য কৰা হয়। আগতেই খুন্দি থোৱা ধানৰ চাউলতে সুৰাগ জাৰে। এখন ডলাৰ ওপৰত পাঁচ গছ চাকি, মাহ, ধান আদিৰ ওপৰিও দৈ গাখীৰ আদি লৈ যায়। চাউল ভৰাই নিয়ে ‘ডুনী’ত। ডুনীটোত কল এক আখি থাকে। তামোল পাণ ও লগত তাকে। সুৰাগ জৰাৰ গীত বিলাকক খিছা গীত বুলিও কোৱা হয়। তেনেধৰণৰ এক গীত হ’ল —

“ঘিউৰ চাকি হাতে লৈ

যমুনাৰ ঘাটলৈ

বহি থাকা বোপাদেউ / আইদেউ লগৰীয়াক লৈ

যমুনাতে তোমাৰ মাতৃ সুৰাগ জাৰিবগৈ।” ৩৬

নিৰ্দিষ্ট দৰা যাব লগীয়া বা আহিব লগীয়া তিনিআলিত চাউল ছটিয়াই তামোল পান, মাননি আগ কৰি মাকে দেৱা ধৰে। পিছত এবাৰ এবাৰ কৈ তামোল পাণ, বন্তি, ধূপ, লাডুত খৰিকা খুচি চাৰিওফালে সকলো

৩৫. ড° থুনু কলিতা, বিবাহ উৎসৱ ঃ পৰম্পৰা আৰু বিয়ানাম, পৃষ্ঠা নং - ১২১

৩৬. কুইন গগৈ, তথ্য দাতা, যোৰহাট

দিশতে সকলো সন্তুষ্ট হওঁক বুলি প্ৰাৰ্থনা কৰে।

‘পূবে হনুমন্ত সন্তৰ্পে ৰাখন্ত

পশ্চিমে গৰুড় পখি

উত্তৰত শ্যাম

দক্ষিণত ৰাম

সততে থাকে নিৰখি। ” [৩৭]

জলাশয়ৰ পৰা পানী তোলা নিয়মত পানী কাটি পানী তুলি আনি এচলু মুখত ভৰাই মাকে পিছলৈ নোচোৱাকৈ সেই পানী মজিয়াত আহি পেলায় দৰা/কইনাক কাণৰ ওচৰত সা দিয়ে।

কন্যাঘৰত সুৰাগৰ গান গায় এনেদৰে —

“এটা বাটিতে লাড়ু পাণে পাতে

এটা বাটিতে দৈ ৰাম জানকী

সুৰাগ তুলিবলৈ মাক আহিছে

ঐ ৰাম মূৰত ওৰণি লৈ ৰাম জানকী।” [৩৮]

**ঘ) বৰযাত্ৰা ঃ**

দৰা ওলাবৰ হলত গা পা ধুৱাই পাটৰ ধূটি , পাটৰ চোলা, চেলেং , গামোচা পিন্ধাই মূৰত তুলসীৰ মালা দি চন্দনৰ ফুঁট লৈ বৰযাত্ৰা যাবলৈ সাজু হয়। আয়তীসকলে গায় —

“ৰাম তুমি যোৱাগৈ

তোমাৰ কন্যা সজাই থৈছে

সম্প্ৰদান লোৱাগৈ। ”

দৰাৰ সখীক জোকাই গোৱা নাম —

বৰঘৰৰ ঢকুৱা সজাইছে নটুৱা

তাঁতী সোণাৰীৰ জামা।

---

৩৭. ড° থুনু কলিতা, বিবাহ উৎসৱ ঃ পৰম্পৰা আৰু বিয়ানাম, পৃষ্ঠা নং - ১২৬

৩৮. ড° থুনু কলিতা, পূৰ্বোলিখিত, পৃষ্ঠা নং - ১২৯

সজাওঁতে পৰাওতে দাপোন চাই থাকোতে

লোকে লৈয়ে যাব সীতা।” ৩৯

বৰযাত্ৰাত সখী সহযাত্ৰী হয়। সখীক ছাঁতি ধৰা বুলি কোৱা হয়। দৰা আৰু সখীৰ মাজত সম্পৰ্ক হল আত্মীয়তাৰ সম্পৰ্ক। গোটেই জীৱনলৈ সুখে দুখে, বিপদে আপদে একেলগে থকাৰ প্ৰতিশ্ৰুতিৰে এই সম্পৰ্ক। এইদৰে দৰা যাবলৈ ওলায়। দৰাঘৰীয়াই লগত দৰা বহিবলৈ পাটী, শৰাই, তামোল পাণ, হোম পুৰিবলৈ এশ ডাল আমখৰি, ঘিউ, কলগছ, ফলমূল আদি হাতত জোগাৰ কৰি লৈ লয়। ইফালে কইনাৰ ভায়েকৰ বাবে ‘ভাই সাঁজ’ও লগত লৈ যায়।

দৰা ওলাই যোৱাৰ আগে আগে মাকে দৰাক পঞ্চামৃত খোৱাই পঠাই। দৰাই মাকক সেৱা কৰি ওলাই যায়।

**৬) দুৱাৰ ধৰা ঃ**

দৰা ওলাই যাবলৈ মাকে মূল দুৱাৰমুখত আঁৰ কাপোৰ লৈ বাট ভেটি ধৰে. দৰাই মাকৰ সোঁ বাহুৰ তলেৰে ভূমুকি মাৰি আকৌ বাঁহ বাহুৰ তলেৰে ভূমুকি মাৰি তৃতীয় বাৰ সোঁ বাহুৰ তলেৰে ওলাই যাব লাগে।

এইদৰে দৰা আত্মীয় কুটুম্ব, বন্ধু বান্ধৱ সহ সকলো বয় বস্তু লগত লৈ সমাজত সেৱা কৰি ওলাই যায়।

আয়তীসকলে গায়—

জাত ঃ অ’ মন তগৰ

ওলোৱা ৰামচন্দ্ৰ

মিথিলা নগৰ।

নাম ঃ আহা বোপা বহাহি

ৰাইজক সেৱা কৰাহি

যজ্ঞলৈ যাব লাগে

সেৱা এটি কৰাহি।

এই সময়ত দৰাক বিষ্ণু ৰূপ বুলি গণ্য কৰা হয়। দৰাৰ লগত বেণ্ডপাৰ্টি লৈ যোৱাও নিয়ম। সেইবাবে আয়তীসকলে গায়—

৩৯. ড° থুনু কলিতা, বিবাহ উৎসৱ ঃ পৰম্পৰা আৰু বিয়ানাম, পৃষ্ঠা নং - ১২৪

“সজাই থৈছো ৰথখনি পৰম সুন্দৰকৈ

কৃষ্ণৰ আগত বখানিছে আইসৰে ৰৈ।”

“যোৰা বোপা যোৰাগৈ

মা-দেউতাৰ আৰ্শীবাদ লৈ

আইদেউক লৈ আহাগৈ।”

দৰাক জোকাইও বিয়ানাম জুৰে আয়তীসকলে—

“আগতে কৈছিলা হেৰা বোপাদেউ

জীৱনত নাপাতো বিয়া

আইদেউৰ বাতৰি কোনেনো ক’লেহি

উটি পাতিলা বিয়া।”

এইদৰে বৰযাত্ৰা কইনা ঘৰ পায়গৈ।

**চ। কইনা সজোৱা পৰ্ব ঃ**

কইনা ঘৰত দৰা অহাৰ আগে আগে কইনাক গা ধুৱাই। গা ধুই হলে ককায়েকে ডাঙি আনি পাৰি থোৱা পাটিতে আনি কইনাক বহুৱাই দিয়াহি। এয়াই নিয়ম। কহ্নাৰ চাৰিওফালে গোপিনীসকল বহি লয়। তাৰেই দুগৰাকী মান জীয়াৰী বা বোৱাৰীয়ে কইনাক সজাব লয়।

এই সময়ছোৱাত কইনাক লৈ, কইনা সজোৱা দুগৰাকীক লৈ নানা ধৰণৰ বিয়ানাম গাই আইসকলে ফুৰ্তি কৰে।

বিয়ানাম এনেধৰণৰ —

“নৈ জান জুৰি, আইদেউক সজাই দিবা

ধুনীয়া কৰি,

খোপাটো বান্ধিবা ওখকৈ তুলি

শিৰতে বোলাবা সেন্দুৰী আলি।”

কইনাক লৈ যায় এনেদৰে—

“প্ৰথমে প্ৰহৰৰ ৰাতি ফুলি আছে যুতি

তোমাৰ স্বামী শ্ৰীকৃষ্ণক আজি কৰা স্তুতি। ”

কইনা সজোৱা দুগৰাকীক জোকাইও বিয়ানাম জুৰে —

'অ' দলি চপৰা

অইনক কি সজাবা

নিজৰ মূৰেই জপৰা।"

"ৰূপৰে খৰাহী পিতলৰ বাওঁ

বাইদেউক সজাবলৈ ননা ভাঁও

কইনা সজাবলৈ নাজানা বুদ্ধি

ঘৰতো নাহিলা ইজনক সুধি।"

"মকাল বাঁহৰ লেকেচী

বেয়াকৈ সজালে কঁকাল ভাঙিম ঠেকেচি।"

আয়তীসকলে এই ছেগতে কইনা গৰাকীক নতুন ঘৰত ভালদৰে থাকিব লাগিব, সংসাৰ দায়িত্ব কেনেদৰে পালন কৰিব লাগিব তাৰ উপদেশো বিয়ানামৰ দ্বাৰাই দিয়ে—

"আকাশত বগালে আকাশীলতা

শুনাচোন আইদেউ কেইষাৰমান কথা

ৰাতি নৌ পুৱাওতেই শুই উঠিবা

বাহি বন কৰি লৈ স্নান কৰিবা।

শহুৰ কথা মানিবা

শহুৰ সন্মান ৰাখিবা।

ওলাওতে সোমাওতে ওৰণিখন নেৰিবা

পুৱা আৰু গধূলি গুৰু সেৱা কৰিবা।

স্বামীক নোসোধাকৈ একোকে নাখাবা। "

কইনাক কন্দুৱাবৰ বাবেও আইসকলে নাম জুৰে —

"কিয় কান্দা আইদেউ কলাবাৰী চাই

কালিলৈকে পাহৰিবা তোমাৰ স্বামী পাই

একোখন মজিয়াতে খাইছিলো ভাত

ওলাওতে সোমাওতে লগাইছিলো মাত।” [৪০]

“মায়ে কান্দে দেউতাই কান্দে

কান্দে সৰু ভাই

আজি তোমাক ৰামে নিব

ঘৰ উদঙাই।”

জাত নাম গাই এনেদৰে —

“অ’ মন তগৰ

আজি শুদা হব দেউতাৰ নগৰ।

নাম ঃ আগফাল শুৰনি কাকিনি তামোল

পাছফাল শুৰনি পাণ

বৰঘৰ শুৰনি জীয়ৰী ছোৱালী

উলিয়াই দিবলৈ টান।” [৪১]

জাত ঃ খাইছিলা দাইল ভাত

পিন্ধিছিলা মূগা পাট

আজিৰ পৰা আইদেউ তোমাৰ

খোজে প্রতি অপৰাধ। [৪২]

এই কইনা সজোৱা পৰ্বতে কইনাৰ আত্মীয়সকলৰ পৰা ঘৰলৈ মছলা বিচৰাতো নিয়ম। ঘৰৰ আত্মীয় সকলক জুৰি নামতিসকলে নানা বিয়া নাম গায়।

‘অ’ মন তৰা

কইনাৰ বায়েক হেৰালে

বিচাৰ কৰা

---

৪০. ড° থুনু কলিতা, বিবাহ উৎসৱ ঃ পৰম্পৰা আৰু বিয়ানাম, পৃষ্ঠা নং - ১৪১

৪১. ড° থুনু কলিতা, পূৰ্বোলিখিত, পৃষ্ঠা নং - ১৪৩/১৪৪

৪২. ড° থুনু কলিতা, পূৰ্বোলিখিত, পৃষ্ঠা নং - ১৫১

বিচাৰি পালোঁগৈ
দুৱাৰৰ চুকত
মিঠাই ঢুকাল বাবে
নোলাইছে লাজত। [৪৩]

আকৌ “ অ’ মন ভাবি
মামীদেউৰ মছলা কিমাননো খাবি,
লৈ থ, লৈ থ ৰুমালত বান্ধি
ঘৰত গৈ খাবিগৈ আৰামত বহি।” [৪৪]

বৰমাকক কিনো চাবা
ইফালে সিফালে ঘুৰে ঐ
তামোল এখন দিব লাগে
মনতে নপৰে ঐ
যিবা একাপ চাহ দিলে
তাকো তিতা তিতা ঐ
নাখাওঁ আমি বাইদেউৰ বিয়া
আমাক বিদায় দিয়া ঐ।”

ইফালে দৰা অহাৰ খবৰ পাই কইনাক শুনাই নাম জুৰে এনেদৰে —

ৰামচন্দ্ৰ পালেহি ৰৈছে বাটত
আমাৰ আইদেউ শুই আছেগৈ
সুৱৰ্ণ খাটত।
“ এ সীতা ৰামচন্দ্ৰ আহিছে
এ সীতা সোণৰ ফুল আনিছে
এ সীতা আনিছে বেলৰে পাত
এ সীতা পালেহি ৰঘুনাথ। ”

---

৪৩. ড° থুনু কলিতা, বিবাহ উৎসৱ ঃ পৰম্পৰা আৰু বিয়ানাম, পৃষ্ঠা নং - ১৫৫

৪৪. ড° থুনু কলিতা, পূৰ্বোলিখিত, পৃষ্ঠা নং - ১৫৪

ইফালে দৰা আহি পোৱাৰ লগে সকলো আদৰিবৰ বাবে সাজু হয়।

**ছ) দৰা আদৰা পৰ্ব ঃ**

"আহিছে গোবিন্দি গোঁসাই

বাটত আছে ৰৈ,

ৰুক্মিনীয়ে স্তুতি কৰে

ঘৃত মধু লৈ।"

কইনাঘৰৰ পদূলি দৰা আদৰিবলৈ ইতিমধ্যে দুফালে দুটা কলপুলি আম পাত আৰু ফুলেৰে সজাই পুতি থোৱা হয়। মাজত এখন তামুলী পীৰা পাৰি থোৱা থাকে।

দৰা আহি পদূলি মুখ পোৱাৰ আগে আগে অলপ দূৰত ৰাস্তাত গাঁৱৰ লৰাহঁতেক দৰা আগছে। বাঁহ বান্ধি দৰা আগচা নিয়ম। দৰাক আগচি প্ৰশ্ন সোধে। উত্তৰ দিব পাৰিলে পাৰ হ'ব দিয়ে, নতুবা পইচা বিচাৰে। এইয়া একধৰণৰ ফুৰ্তি।

সখীসহ দৰা আহি তামুলী পীৰাত ভৰি দি উঠেহি। সখীয়ে দাতিতে ছাতি ধৰি ৰৈ থাকে। কইনা ঘৰৰ মানুহে দৰাঘৰীয়া, দৰাঘৰীয়াই কইনাঘৰীয়াক চাউল চটিয়াই। দৰাক লৈ আইসকলে নাম গাই জোকাৰে—

" অ' কঁলা চিয়াঁহী

ছোৱালী লুভীয়া

সন্ধ্যাতে পালাহি ।"

কইনাৰ আত্মীয়ক বিচাৰি নামতি নাম গায়—

" অ' পকা বিলাহী

কলৰ তলত জোঁৱাই আছে

কোলাত কৰি নিয়াহি।"

কইনাৰ ভনীয়েকে ঘটি এটাত পানী লৈ আহি দৰাক ভৰি ধুৱাই দিয়ে। দৰাই ভনীয়েকক মাননি দিয়ে।

কইনাৰ মাকে কাঁহৰ কাঁহি এখনত এগছি বন্তি, ধুপ, তিনিখন থুৰিয়া তামোল, তিনিটা পিঠাগুৰিৰ লাডু, দৈ পানীত পান দুখিলা, গামোচা আৰু দৰাক পিন্ধাবলৈ আঙুঠি বা চেইন লৈ আদৰিবলৈ আহে। এইখিনি কৰি থাকোতে মাকক এগৰাকী আয়তীয়ে এখনি বিচনীৰে মুখখন ঢাকি ৰাখে। আঙুঠি পিন্ধাই দি চাকিৰ সা দি, দৈ পানী দৰাৰ বাহু, গাল, আঠু, ভৰিত এবাৰকৈ ছটিয়াই দিয়ে। এইদৰে তিনিবাৰ কৰে। তাৰ পিছত পিঠাগুৰিৰ লাডুক দৰাক শুঙিব দি

সোঁ, বাওঁ, আৰু পাছলৈ দলিয়াই দিয়ে। থুৰিওৱা তামোল ঘটিৰ পানীৰে চৰিয়াত মুখ ধুৱাই গামোচাৰে মচি দিয়ে। বিচনীৰে বিচি দৰাক কইনাৰ মাকে অকনমান দাঙি দিয়াৰ দৰে কৰে।

দৰাই ইফালে নাকত ৰুমাল লৈ বৈ থাকে। কইনাৰ মাকে দৰাক নাকত ধৰাৰ নিয়ম। কিন্তু সহজভাৱে দৰাক নাকত ধৰিবলৈ নিদিয়ে। বিশ্বাসমতে নাকত ধৰিব পাৰিলে জোঁৱাইয়ে বোলে শাহুৰেকক মানি চলে। মাকে আদৰাৰ পাছত কইনাৰ দেউতাক, ভায়েক, ককায়েক আৰু আন আত্মীয়সকলেও দৰাক আদৰে।

এইসকলে বিয়ানাম জুৰে এনেদৰে —

"কাঁহিতে আনিছে লাডু পৰমান্ন
বাটিতে আনিছে দৈ।
জোঁৱাইক আদৰিব শাহুৰেক আহিছে
হাতত শলা বন্তি লৈ।"

দৰাঘৰীয়াইও নাম জুৰে এনেদৰে —

"কিনো কলপুলি ৰুলা হে জেঠেৰী
ঐ ৰাম গাতে হালি জালি পৰেহে।
আমাৰ কলপুলি চোৱাগৈ জেঠেৰী
ঘোৰ হাতী বান্ধিব পাৰে হে।" [৪৫]

কইনাৰ মাকে দৰাক লাডু খুৱাওঁতে গোৱা নাম —

"পকা কঁঠাল লপ্‌থপ্
শাহু আয়ে লাডু দিছে
খাই দিয়া টপটপ।"

এইদৰে আদৰি হোৱা পিছত দৰাক কইনাৰ কোনো আত্মীয়ই দাঙি নি ৰভাতলত বহুৱাই গৈ।

**জ) কন্যা খোজা পৰ্ব —**

দৰা আহি ৰভাতলত বহুৱাৰ পিছত সমাজত সেৱা কৰে। দৰাৰ লগত অহা ভকত আৰু কইনাঘৰৰ ভকতে আশীৰ্বাদ দিয়ে। দৰাঘৰীয়া অতিথিসকল বহে। কইনা ওলিয়াই আনিবলৈ দৰাৰ ভায়েকে লগত বন্ধুৰ লগত ভিতৰত বহি থকা কইনাক খুজিবলৈ যায়। লগত লৈ যায় শৰাই ভৰাই মৰটন, মছলা আৰু মাননি।

৪৫. ড° থুনু কলিতা, বিবাহ উৎসৱ ঃ পৰম্পৰা আৰু বিয়ানাম, পৃষ্ঠা নং - ১৬০

কইনাৰ লগত বহি থকা আয়তীসকলে সহজে কিন্তু দৰাঘৰক কইনাক ওলিয়াই আনিব নিদিয়ে। অলপ ধেমালি কৰে এনেদৰে নাম গাই —

"শৰাইৰ তামোল-পান আমালৈ দিয়া
লাগে যদি আইদেউক উলিয়াই নিয়া।"

"চৰাই হ'লে উৰিব - ডালত পৰি বিনাব
দৰাক যদি ছোৱালী লাগে দৰা নিজেই আহিব।"

আকৌ জোকাৰি গায়—

"পুঠি মাছৰ পোৱালী
এশ টকা নিদিলে নিদিও আমি ছোৱালী।"

এইদৰে জোকাৰি নাম গাই শেষত মান্তি হৈ কইনাক ওলিয়াই নিবৰ বাবে সাজু হয়।

ঝ) **কুশছিঙা আৰু সম্প্ৰদান কাৰ্য** —

"ওলাই আঁহা আইদেউৰে
হাতত আনা ধূপ,
দ্বাৰকাৰে কৃষ্ণ আহে
সাক্ষাৎ বিষ্ণু ৰূপ।"

দৰা-কইনাক হোমৰ গুৰিত বহাই পুৰোহিতৰ নিৰ্দেশত বৈদিক কৰ্ম্মৰে বিবাহৰ কাম আৰম্ভ হয়।

"ধেনু ভাঙি ৰামচন্দ্ৰই জলত দিলে হাত
স্বৰ্গৰ পৰা দেৱগণে কৰে আৰ্শীবাদ।
জনক ৰজাৰ ঘৰে আজি কৰে কন্যাদান
ধৰ্মৰে বান্ধিছে দৌল পৰ্বত সমান।" [৪৬]

দৰাৰ সখীয়েকক লৈও নাম জুৰে আয়তীসকলে —

"অ' মন তৰা
এজনী কইনাৰ
দুটিকৈ দৰা।"

---

৪৬. ড° থুনু কলিতা, বিবাহ উৎসৱ ঃ পৰম্পৰা আৰু বিয়ানাম, পৃষ্ঠা নং - ১৬৩

পুৰোহিতৰ নিৰ্দেশমৰ্মে কইনাৰ দেউতাকে অগ্নিপূজা কৰে। জ্ঞানৰ পোহৰেৰে নৱ দম্পত্তিৰ জীৱন জুইৰ পোহৰৰ দৰে উজ্জ্বল হ'বলৈ প্ৰাৰ্থনা কৰে। কন্যাদাতাই দৰাক বৰণ কৰে, আঙুঠি পিন্ধায়।

দৰা বৰণ কৰাৰ পিছত কন্যাৰ হাত বৰৰ হাতত দি কন্যা সম্প্ৰদান কৰে। কুশ চিঙি বেদমন্ত্ৰৰ সৈতে জীৱনৰ বাবে পিতৃকুলৰ  লগত সম্পৰ্ক শেষ কৰি কন্যাক বৰৰ হাতত গতাই দিয়ে। দৰাক কাঁহৰ বাচন দিয়ে দেউতাকে। কন্যাই বৰক মাল্যাৰ্পন কৰি পতি হিচাবে সেৱা কৰে। বৰেও কন্যাক মালা পিন্ধায়।

আয়তীয়ে নাম জুৰে এনেদৰে —

“ঐ গছৰ কোমল কুঁহি<br>ভাটৌ পৰি যায়,<br>দেউতাই পোহা সোণৰ পখী<br>লোকে লৈয়া যায়।”

দৰাক জোকাৰি ও বিয়া নাম গায় —

“ঘৰুৱা বেঙেনাৰ থোপা হৰি হৰি<br>ঐ ৰাম ঘৰুৱা বেঙেনাৰ থোপা হে',<br>সমাজৰ মাজতে দৰাটো বহিছে<br>ঐ ৰাম নাকত শেঙুনৰ থোপা হে।” [৪৭]

দৰাক উদ্দেশ্যি কইনাঘৰীয়াই কয় —

“অ' ল'ৰা ৰজা জয়মতীৰ নিচিনা<br>শাস্তি নিদিবা<br>সীতাৰ নিচিনাকৈ বনত নেমেলিবা<br>নিচেই আজলী আমাৰ আইদেউক<br>শিকাই বুজাই ল'বা।” [৪৮]

দৰাঘৰীয়াই গাই —

“অ' মন সোণ<br>তোমাৰ বাওঁ হাতে<br>সেইজনীনো কোন।”

---

৪৭. ড° থুনু কলিতা, বিবাহ উৎসৱ ঃ পৰম্পৰা আৰু বিয়ানাম, পৃষ্ঠা নং - ১৭৩

৪৮. ড° থুনু কলিতা, পূৰ্বোলিখিত, পৃষ্ঠা নং - ১৭২

কইনাঘৰীয়াই গায় —

'অ' ৰঙা মৰিছা

ওচৰ চাপি বহিছা

চিনি জানো পাইছা।"

এই সময়ত আটাইতকৈ ভাল লগা নাম হ'ল যোৰা নাম। দৰাঘৰীয়াই কইনাঘৰীয়াই উভয়কে জোকাৰি এই বিয়ানাম গায়।

প্ৰথমতে অনুমতি বিচাৰে এনেদৰে —

"কইনাৰ লগত আহিছো

ৰভাতলত বহিছো

যোৰা নাম গাবলৈ

অনুমতি মাগিছোঁ। [৪৯]

কইনাঘৰীয়া — "ৰভা খুটা বেলেকা

ৰভা খুটা হেলেকা

দৰা ঘৰৰ ল'ৰা কেইটাৰ

চকু কেইটা টেলেকা।" [৫০]

দৰাঘৰীয়া — "টেলেকা যদি টেলেকা

টেলেকা যদি টেলেকা

আমি খোৱা পাতবিলাক

তোমালোকে চেলেকা।" [৫১]

কইনাঘৰীয়া — "বাৰীৰ পিছৰ শিলিখা

ভিনদেউ তুমি টিলিকা

আমাৰ বাইদেউ ওখ-পাখ

সমাজতে জিলিকা।"

---

৪৯. দুল দত্ত, তথ্যদাতা, যোৰহাট

৫০. দুল দত্ত, তথ্যদাতা, যোৰহাট

৫১. দুল দত্ত, তথ্যদাতা, যোৰহাট

দৰাঘৰীয়া — "মাছৰ নামে বৰালি
আমাৰ ল'ৰা বেয়াযদি
কিয় দিলা ছোৱালী।" [৫২]

কইনাঘৰীয়া — "মকাল বাঁহৰ লেকেচী
দৰাঘৰৰ নামতিৰ
মুখ ভাঙিম ঠেকেচী।" [৫৩]

দৰাঘৰীয়া — "ভঁৰালৰ ঢকুৰা
কইনাঘৰৰ নামতী
ডাক দিয়া কুকুৰা।"

এইদৰে ধেমালি-ধুমুলা কৰি সময় পাৰ কৰে আয়তীসকলে। বেয়া নাপাব দেই ধেমালীহে কৰিলো বুলি যোৰা নাম সামৰে। কন্যাক উদ্দেশ্যিও বিয়া নাম জুৰে নামতিসকলে —

"নানান ফুলৰ মালাধাৰি হাতে তুলি লোৱা
বৰৰ ডিঙিত পিন্ধাই তুমি স্বামী বৰন কৰা।"
সপ্তপদী গমন কৰি তুমি শপত ল'বা
দাম্পত্য জীৱনত সুখেৰে থাকিবা।

সম্প্ৰদানৰ বিয়া নাম গায় একেদৰেই —

"সম্প্ৰদান কৰোতে হিমালয়ক সুধিলে
হৰি মোৰ ঐ
আদি পুৰুষৰে নামে কি ৰাম ৰাম। [৫৪]

এইদৰে কুশ চিঙি সম্প্ৰদান কাৰ্য সমাপ্ত হয়।

ঞ) **আখৈ দিয়া ঃ**

আখৈ দিয়ে কইনাৰ ভায়েকে। পুৰোহিতৰ নিৰ্দেশমৰ্মে এঁকাজলি এঁকাজলিকৈ ঘি মিহলোৱা আখৈ কইনাৰ হাতত তুলি দিয়ে আৰু কইনাই যজ্ঞত আখৈ আহুতি দিয়ে।

---

৫২. দুল দত্ত, তথ্যদাতা, যোৰহাট

৫৩. দুল দত্ত, তথ্যদাতা, যোৰহাট

৫৪. কুইন গগৈ, তথ্যদাতা, যোৰহাট

নাম গায় এনেদৰে —

আখৈ দিয়া আখৈ দিয়া

মৰমৰে ভাই

আজিৰ পৰা তোমাৰ বাইদেউ

গোত্ৰ চিঙি যায়।”

কইনাক উদ্দেশ্যি গায় —

“ৰামৰ হৈ এচলু হোমত ঘিউ দিয়া

সীতাৰ হৈ এচলু দিয়া।

ভাতৃয়ে আখৈ দিছে অঞ্জলি ভৰিয়া

সীতা হাতে পাতি লোৱা।” [৫৫]

**ট) লগুণ গাঁঠি ঃ**

এখন চেলেং চাদৰেৰে দৰা-কইনাক লগুণ গাঁঠি দিয়া হয়। কন্যাই যজ্ঞক সাক্ষী কৰি প্ৰেম বান্ধোনত বান্ধ খাবলৈ শপত লয় আৰু বৰে সত্যৰ গাঁঠিৰে সাংসাৰিক জীৱনৰ শপত লয়। লগুন গাঁঠিয়ে দৰা আৰু কইনাৰ মাজত এক পবিত্ৰ বন্ধনৰ সৃষ্টি কৰে।

**ঠ) সপ্তপদী গমন ঃ**

সপ্তপাদী গমন হিন্দু বিবাহৰ এক গুৰুত্বপূৰ্ণ অংশ। হোমযজ্ঞৰ উত্তৰফালে পিঠাগুৰিৰে সাতোটা বৃত্ত তৈয়াৰ কৰি ওপৰত এখিলাকৈ পাণ ৰখা হয়। পুৰোহিতৰ নিৰ্দেশমৰ্মে মন্ত্ৰোচাৰণৰ লগত কইনাই প্ৰতিখিলা পাণৰ ওপৰত ধীৰে ধীৰে এখোজকৈ দি সাতখোজ গমন কৰে। এই সপ্তখোজৰ লগত সাংসাৰিক জীৱনৰ ৭ টা শপত জড়িত হৈ থাকে।

এইদৰে বৰ-কন্যাৰ বিবাহ সম্পন্ন হোৱাৰ লগে লগে সকলোৰে আশীৰ্বাদ লৈ বিবাহ সম্পন্ন হয়।

আইসকলে নাম জুৰে —

“আয়ে অলংকাৰে সীতা হ’ল আমাৰে

উঠা ৰাম ঘৰলৈ যাওঁহে।

৫৫. ড° থুনু কলিতা, বিবাহ উৎসৱ ঃ পৰম্পৰা আৰু বিয়ানাম, পৃষ্ঠা নং - ১৮৬

নোৱাৰো যাব মই শাহু আয়ে মাতিছে

জোঁৱাই ভিতৰলৈ যাওঁহে।"[৫৬]

"শহুৰৰ ঘৰলৈ আঁহোতে আহোঁতে

বাটতো নপৰে ওৰ,

আজিৰ পৰা বোপা আহিব নালাগে

হৈ গ'ল কামনা পুৰ।" [৫৭]

কইনাক উদ্দেশ্যি গায় —

"হাতত পান বঁটা লৈ

মা-দেউতাক মাতাগৈ

মৰমৰ মা-দেউতা যাবলৈ ওলালো

যাববে সময়ত সেৱাহে জনালো।"

বিয়া হৈ যোৱাৰ পিছত দৰা-কইনাক ভিতৰলৈ লৈ যোৱা হয়। দৰা-কইনা দুয়োকে বহাই দুটা বাটিত জলপান খাবলৈ দিয়া হয়। লগত থাকে থুৰিওৱা তামোল। মুখ ধুবৰ বাবে চৰিয়া ইত্যাদি।

**ড) আঙঠি মালা ঃ**

দৰা কইনাৰ আগত এটা খৰাহিত এখৰাহী চাউল আনি থয়। তাত দৰাই বা কইনাঘৰৰ কোনোবা আয়তীয়ে এটা আঙুঠি লুকুৱাই দিয়ে। তাৰ পিছত দৰা-কইনাক চাউলত হাত ভৰাই আঙুঠিটো বিচাৰিবলৈ দিয়া হয়। যিজনেই বিচাৰি পায় সেইজনৰ ওচৰত অইনজন হাৰিল বুলি সকলোৱে ফুৰ্তি কৰে। বিয়ানাম জুৰে এনেদৰে —

"শুনা বাইদেউ শুনিবা

চাউলৰ মাজতে আঙুঠিটো লুকুৱাবা

ৰামে নেদেখোকৈ লুকুৱাই আনিবা।

তামোল কটা কটাৰী

তোমাৰ হাতৰ আঙুঠি

ৰামে ফুৰক বিচাৰি।" [৫৮]

---

৫৬. ড° থুনু কলিতা, বিবাহ উৎসৱ ঃ পৰম্পৰা আৰু বিয়ানাম, পৃষ্ঠা নং - ১৮৮

৫৭. ড° থুনু কলিতা, পূৰ্বোলিখিত, পৃষ্ঠা নং - ১৮৯

৫৮. ড° থুনু কলিতা, পূৰ্বোলিখিত, পৃষ্ঠা নং - ১৯২

জাত — “অ’ শ্ৰী ৰাম

আজি ৰামচন্দ্ৰ পৰীক্ষা চাম।

নাম — পাতিছে পাশাৰ শাৰী

ৰাম সীতাই বহি

ৰাম সীতাই পাশা খেলে

সাক্ষী আছে সখি।[৫৯]

ৰাম সীতাই পাশা খেলে

ৰাইজে আছে চাই

পাশাত যদি হাৰে ৰামে

কি হ’ব বিলাই।”[৬০]

**ত) ৰাতি ঘূৰোৱা —**

এখন কাঁহিৰ ওপৰত দুটা বাতি ৰাখি বৰ কন্যা দুয়োকে বাটি দুটা ধৰি ইটো সিটোৰ লগত লাগি নোযাৰাকৈ ঘুৰাব দিয়া হয়। কেনেবাকৈ বাটি দুয়োটা যুঁজ লাগিলে বৰ-কন্যাৰ সংসাৰত দ্বন্দ-থৰিয়াল হয় বুলি বিশ্বাস।

ইয়াৰ পিছত বৰ-কন্যাই গোঁসাই ঘৰত সেৱা লয়। দৰাই মাকৃ-দেউতাক আৰু আত্মীয়সকলক মান ধৰে।

**ণ) কইনা বিদায় ঃ**

কইনা বিদায়ৰ আগত ভিতৰত নি কিবা এটা খুওৱাই পঠিওৱা হয়। ইয়াৰ পিছত দুৱাৰ ধৰি কইনাৰ মাকে কইনাক বিদায় দিয়ে। কইনাই হাতত এমুঠি চাউল লৈ এছাটি পাকঘৰলৈ, এছাটি ভঁৰাললৈ আৰু এছাটি বৰঘৰলৈ মাৰি পিছলৈ নোচোৱাকৈ লাহে লাহে ওলাই যায়। মাকে কইনা ওলাই যোৱা নাচাই।

এই সময়কন সকলোৰে বাবে কৰুণ হৈ পৰে। কইনাই কান্দে, মাকে কান্দে, আত্মীয়ই কান্দে আৰু আয়তীসকলেও সেমেকা চকুৰে নাম গাই কইনাক বিদায় দিয়ে —

“যোৱা আইদেউ যোৱাগৈ

আজিৰ পৰা উদং হ’ব

মা-দেউতাৰ বৰঘৰ ঐ।”

---

৫৯. ড° থুনু কলিতা, পূৰ্বোলিখিত, পৃষ্ঠা নং - ১৯১

৬০. ড° থুনু কলিতা, পূৰ্বোলিখিত, পৃষ্ঠা নং - ১৯২

"ৰাম কৃষ্ণ মায়ে কান্দিছে
ৰাম কৃষ্ণ দেউতাৰাই কান্দিছে
হৰি মোৰ ঐ কান্দিছে সহোদৰে।"

দৰাঘৰীয়াই গায় —

"বোপা খোজ দিয়া খৰকৈ
মাৰাই চাই আছে
পদুলিলৈ ৰৈ ৰৈ।"

"তুলসীৰে মালা ধাৰি ক'তেনো পালা
পুৰোহিত বাপুৰে দিলে
গুণৱতী ভাৰ্যা তুমি ক'ত পালা ৰামচন্দ্ৰ
শহুৰে উচৰ্গি দিলে।"

এইদৰে কইনা বিদায় হয়। বৰে লৈ অহা বাহনত উঠি কন্যা লগত আত্মীয় কেইগৰাকীমান কইনাক দৰা ঘৰত থ'বলৈ যায়।

**ত) কইনা আদৰা পৰ্ব —**

দৰাঘৰৰ পদুলিমুখত বৰ-কন্যা উপস্থিত হোৱাৰ পিছত মাকে আদৰা কাৰ্য কৰে। বৰপীৰাত উঠি বৰ কন্যাৰ ভৰি ধুৱাই দিয়ে সৰু ছোৱালী এগৰাকীয়ে। দৰাই ভৰি ধুৱাওতে দিয়া পইচাৰ আধা পইচা ছোৱালী গৰাকীক কইনাই দিয়ে। দৰাক আদৰাৰ দৰে একে নিয়মেৰে কইনাক আদৰি মাকে বৰ-কন্যাক চুমা খাই ভিতৰলৈ লৈ যায়।

কইনা সোমাই যোৱা দুৱাৰ মুখত দুপিনে পানীপূৰ্ণ এটা পাত্ৰত মুদ্ৰা বা সোণৰ আঙঠি আৰু আনপিনে এখৰাহী চাউল থৈ দিয়া হয়। কইনাই ভিতৰ সোমাই যাওঁতে দুয়োটা পাত্ৰ হাতৰে চুই যায়। কইনাগৰাকী যিহেতু লক্ষী স্বৰূপ। সেইবাবে এই নিয়ম। ইয়াৰ পিছত গোঁসাই ঘৰত সেৱা কৰি কইনাক ভাতসহ পূৰ্ণ চৰুৰ পাকঘৰ দেখুৱাই কোঠাত নি বহুৱাই।

দৰাঘৰতো আঙুঠি বিচৰা, বাটি ঘুৰোৱা আদি অনুষ্ঠান কৰা হয়। কইনা চাবলৈ ওচৰ চুবুৰীয়া আত্মীয়সকলে উথপ থপ লগায়।

"আহিছো আনন্দে আমি

কইনা চাবলৈ

আনিছো কুসুমৰ মালা

তোমাক দিবলৈ।" [৬১]

কইনাক লৈ গায় —

"আজি শুভমানে তুমি সোমাইছাহি

ঘৰৰে বোৱাৰী হৈ

দেওৰ ননদকে চাবা মৰমেৰে

সবাৰে আদৰ হৈ।" [৬২]

কইনাক জোকাইয়ো বিয়ানাম জুৰে —

"অ' মন জুহি

দাদাতকৈ নৱৌ এহাতৰ চুটি

এইজনী নবৌয়ে কিনো ভূঁই ৰুব

পথাৰৰ বোকাতে লাগি ধৰিব। [৬৩]

"চুটি চুটি কৰি দুতাৰি বাঢ়নী

পিৰালি চুকতে আছে

বেগাই খোজে দিয়া তুমি যে নবৌ

চোতাল সাৰিবলৈ আছে।"

এনেদৰে ৰং ধেমালী কৰি চা-চিনাকি হোৱাৰ পিছত সকলো ঘৰাঘৰি যায়। কইনাই গা-পা ধুই আত্মীয় সকলৰ সহযোগত দৰাৰ মাক-দেউতাক, দৰা, সখী, দৰাঘৰীয়া অন্যান্য আত্মীয়সকলক মান ধৰে। তাৰ পিছত কইনাই লগত লৈ অহা মিঠাই, জলপানেৰে চাহ খায় সকলোৱে। বাহি বিয়া দিনাখন কইনাই দৰা ঘৰৰ একো বস্তু খাব নাপায়। শেষত কইনাক দৰাঘৰক গতাই কইনাৰ আত্মীয়সকল ঘৰমুৱা হয়।

---

৬১. ড° থুনু কলিতা, বিবাহ উৎসৱ ঃ পৰম্পৰা আৰু বিয়ানাম, পৃষ্ঠা নং - ২০০

৬২. ড° থুনু কলিতা, পূৰ্বোলিখিত, পৃষ্ঠা নং - ২০২

৬৩. ড° থুনু কলিতা, পূৰ্বোলিখিত, পৃষ্ঠা নং - ২০১

বিবাহৰ তৃতীয় দিনা খোবা-খুবী বুলিও এক অনুষ্ঠান পতা হয়। সন্ধিয়া গাঁৱৰ ভকত-আইসকলে নাম-পাঠৰ আয়োজন কৰি ভোজ ভাত খায়। দৰা-কইনাৰ খোবা-খোবী পাঠ শুনায়। সেইদিনা দৰা-কইনা উপবাসে থাকে দিন-জুৰি। আগতে দৰা-কইনাই দুনৰিৰ চাউল ঢেকীত খুন্দি পিঠাগুৰিৰ লাডু বনাইছিল। আজিকালি প্ৰায় এইখিনি নকৰেই।

এইদিনাখনৰ পৰাই দৰা-কইনাৰ সাংসাৰিক জীৱন আৰম্ভ হয়। আজিকালি এই অনুষ্ঠান আড়ম্বৰপূৰ্ণ ভাৱে পতা দেখা যায়। এইদৰেই বৰ-কন্যাৰ বিবাহৰৰ এক দীঘলীয়া কাৰ্যসূচীৰ সমাপ্ত পৰে। ইয়াৰ পিছতো অৱশ্যে আঠমঙলা, ঘৰ উঠা আদি দুই এটা সৰু সুৱা পৰ্ব থাকে।

সুৱাগৰ ধান বনাৰ পৰা কন্যা ঘৰ সোমাৱালৈকে এখন বিবাহৰ যিমানবোৰ অনুষ্ঠান হয়, প্ৰত্যেকৰে লগতে আয়তীসকলে বিভিন্ন বিয়ানাম পৰিৱেশন কৰে। বিয়ানামবোৰ বেছিভাগেই বৰ্ণনাধৰ্মী হোৱাৰ লগতে উপদেশমূলক গভীৰ অৰ্থ প্ৰকাশক হয়। বিবাহ কাৰ্যত এই বিয়ানামবোৰে বিশেষ ভূমিকা পালন কৰি আহিছে।

২.০৫ [illegible] —

অসম হ'ল জাতি-জনগোষ্ঠীৰ ৰাজ্য। সাহিত্য সংস্কৃতিৰ ভঁৰালেৰে চহকী অসম ৰাজ্য। প্ৰত্যেক জাতি-জনগোষ্ঠীৰে স্বকীয় বৈশিষ্টতা অনুসৰি বিবাহৰ ক্ষেত্ৰত নিজা পদ্ধতি আছে যদিও বহুসংখ্যক নীতি-নিয়মও মিল থকা দেখা যায়। সামাজিক আৰু সাংস্কৃতিক কাৰণত বিবাহ পদ্ধতিৰ পাৰ্থক্য থাকিলেও মূলতঃ বিবাহৰ উদ্দেশ্য সকলোৰে একেই।

**১) মিচিং জনজাতিৰ বিবাহ —**

মিচিং ভাষাত 'মিদাং' মানে হ'ল বিবাহ। ছোৱালী খুজিব যাওঁতে এওঁলোকে তামোল-পাণৰ টোপোলা, শুকান মাছ, আপং, আদা আদি লৈ যোৱাৰ নিয়ম। এওঁলোকৰ মাজতো পানী তোলা প্ৰথা আছে। কুমাৰী দুগৰাকী ছোৱালীৰ হতুৱাই কলচিত আম পাত ভৰাই এখন কাচিৰে পানী তোলে। মিচিং সমাজত মোমায়েকে বিয়াত বিশেষ ভূমিকা পালন কৰে। দৰাক কন্যাৰ ঘৰৰ পদুলিমুখৰ পৰা আদৰি নি নকৈ সজা চাংঘৰত জখলাৰে ওঠাই নি কইনাৰ লগত একেলগে ভোজন কৰাব দিয়ে। দৰা-কইনাক সমাজত বহাই আশীৰ্বাদ দিয়ে। কন্যাদান কৰে। দৰাপক্ষই কন্যাৰ আজীৱন দায়িত্ব গ্ৰহণৰ প্ৰতিশ্ৰুতি দি নিৰ্ধাৰিত গা-ধন আদায় দিয়ে। দৰাঘৰৰ কন্যাক আদৰাৰো প্ৰথা আছে।

মিচিং সকলৰ মাজত চাৰিটা পদ্ধতিৰে বিবাহ সম্পন্ন হয় —

১) মিদাং দাং নাম অৰ্থাৎ সামাজিক ভাৱে হোৱা বিবাহ।

২) দুগলা লাঃ অৰ্থাৎ পলুৱাইনি পতা বিবাহ।

৩) কুমচু -দঃ চুলা লাঃ নাম অৰ্থাৎ আশীৰ্বদীয়া বিবাহ।

৪) চলা লাঃ নাম অৰ্থাৎ অপহৰণ কৰি নি পতা বিবাহ।

মিচিং সমাজতো বিয়ানাম গোৱাৰ ৰীতি আছে। আগতে সেইবোৰ তেওঁলোকৰ ভাষাত গাইছিল যদিও বৰ্তমান অসমীয়া ভাষাতো গোৱা পৰিলক্ষিত হয়। এই বিয়ানামবোৰক তেওঁলোকে মিদাং নিতম্ বুলি কয়।

‘ৰাম ৰাম পানী তুলিবলৈ
ৰাম ৰাম উলাইছে দৈৰকী
অৰি মোৰ ঐ কাষতে কলচী লৈ।” [৬৪]

মিচিং সকলৰ ঘৰবোৰ যিহেতু চাংঘৰ। সেইবাবে বিবাহত নতুন জখলাই বিশেষ গুৰুত্ব পায়।

কন্যাৰ মনৰ বেথাৰ এটি মিচিং মিদাং হ’ল —

“অউঅী অউঅী
অউঅী চিল কলককীঙ
নক্কী অকুমীম মীপাগৃলা গন্দাগীবঃনী
অউৰা চেয়াৰী ৰংগামী গীয়ীপী
এগে চুমকদী ৰংগামী গীয়ীপী।” [৬৫]

অৰ্থাৎ — ‘মা অ’ মা
আজিৰে পৰা মই
তোমালোকৰ ঘৰ এৰি গৈছো
মা অ’ ঘৰৰ আসন নিমাও হ’ব
তাঁতৰ শাল নীৰৱ হৈ ৰ’ব।”

মিচিং সমাজৰ মিদাং গীতৰ অনুষ্ঠানৰ ধাৰাৱাহিকতা নাথাকিলেও নাৰীমনৰ প্ৰকাশ সুন্দৰভাৱেই পায়।

৬৪. ভেনু টাই, তথ্যদাতা, যোৰহাট

৬৫. সোনমনি বৰুৱা, অসমীয়া বিয়ানাম, এক বিশ্লেষণাত্মক অধ্যয়ন, ডিব্ৰুগড় বিশ্ববিদ্যালয়, পৃষ্ঠা নং - ১৫৬

**২) বড়ো জনজাতিৰ বিবাহ ঃ**

বড়োসকলৰ ভাষাত বিয়াক 'হাবা' বোলে। এওঁলোকে ছোৱালী খুজিব যাওঁতে তামোল-পাণ, মদ আদিৰ লগতে কইনাৰ কাৰণে সোণৰ খাৰু নিয়ে। কথা-বতৰা ছিঙাৰ পিছত পূৰ-দক্ষিণ কোণৰ ঘৰৰ ছালত খাৰুযোৰ খুচি থৈ আহে। ছোৱালীৰ সন্মতি থাকিলে খাৰুযোৰ ঘুৰাই নিদিয়ে। বৈৰাথী অবিহনে বড়ো সমাজৰ বিয়া অচল। বৈৰাগী হ'ল দুগৰাকী ছোৱালী আৰু দুজনী বিবাহিতা মহিলা। এওঁলোকৰ ৰঙা ৰঙৰ দখনা পিন্ধি থাকে। এওঁলোকৰ কাম হ'ল — তামোল-পান বিলোৱা. কইনাক সজোৱা ইত্যাদি। এওঁলোকৰ দুগৰাকীয়ে কন্যাক ভিতৰৰ পৰা ওলিয়াই নাচি নাচি চালনি বাতি ঘুৰাই বিচি লৈ দৰাৰ বাওঁহাতে বহায়।

আন দুজন মুখ্য ব্যক্তি হ'ল বৰলাংফা। এজনে মুখ্য ভাৰ আৰু আনজনে গৰখীয়া ভাৰ কঢ়িয়াই।

**৩) দেউৰী জনজাতিৰ বিবাহ ঃ**

দেউৰীসকলে তামোল-পানৰ টোপোলা, ছোৱালীলৈ এযোৰ বোৱা কাপোৰ, মাছ, মদ আদি কন্যাঘৰলৈ লৈ যায়।

দেউৰীসকলৰ মাজত নিজৰ ভাষা-সংস্কৃতিৰ পৰিৱৰ্তে অসমীয়া ভাষা-সংস্কৃতি প্ৰায় গ্ৰহণ কৰি লৈছে। দেউৰীসকলৰ বিবাহ তিনিপ্ৰকাৰৰ — বৰ বিয়া, মাজু বিয়া আৰু সৰু বিয়া। বৰ বিয়া সাতদিন, মাজু বিয়া তিনিদিন আৰু সৰু বিয়া এদিনীয়াকৈ পতাৰ নিয়ম। এওঁলোকৰ মাজত পলুৱাই নিয়া বিয়াত মেলনি বিয়া বা বুঢ়া বিয়া পাতি সমাজৰ পৰা স্বীকৃতি লয়।

দেউৰীসকলৰ মাজতো পানী তোলা, জোৰোণ দিয়া, নোওৱা, সজোৱা, দৰা আদৰা আদি অনুষ্ঠানসমূহৰ লগতে বিয়ানাম গোৱাৰো নিয়ম প্ৰচলিত আছে।

জোৰোণৰ গীত — মাৰাৰ অলংকাৰ ঐ মন লাচোন
যোৱা কাটি কৰি ঐ মন লাচোন
বাপেৰৰ অলংকাৰ থোৱা মন লাচোন
কালিলৈ নিবাগৈ চেনেহৰ দাপোন। [৬৬]

পানীতোলা গীত — "জয় পানী তুলিবলৈ
জয় ওলায় চচীপ্ৰভা

৬৬. সোণমনি বৰুৱা, অসমীয়া বিয়ানাম, এক বিশ্লেষণাত্মক অধ্যয়ন , পৃষ্ঠা নং - ১৬৭

জয় গায়নে বায়নে কৰি

জয় নানা ৰঙে কৰি।”

দেউৰীসকলৰ উচ্চাৰণৰ পাৰ্থক্য থাকিলেও অসমীয়া সমাজৰ বিয়ানামৰ লগত এওঁলোকৰ বিয়ানামৰ মিল আছে।

৪) **চাহ জনগোষ্ঠীসকলৰ বিবাহ পদ্ধতি ঃ**

চাহ জনজাতিৰ লোকসকল অসমৰ এক অভিন্ন অংগ। ইংৰাজসকলৰ দিনতে অসমলৈ অহা এই লোকসকলৰ মাজত সামাজিক ৰীতি-নীতি, আচাৰ-অনুষ্ঠানগত পাৰ্থক্য থাকিলেও এওঁলোক অসমৰে অসমীয়া।

এওঁলোকে বিবাহক ‘চাদি’ বুলি কয়। বিবাহৰ তিনিদিন আগত এওঁলোকৰ জোৰণ পিন্ধায়। দৰাপক্ষই নিয়া জোৰণৰ সামগ্ৰীক ‘দধিভাৰ’ বুলি কয়। গোপিনীসকলক আইমাই বুলি কয়। এওঁলোকে লগন বান্ধে। লগনৰ টোপোলা বন্ধা দিনা পানী তোলে। প্ৰতিদিনে একোটাকৈ লগন গাঁঠি খোলাৰ নিয়ম।

চাহ জনগোষ্ঠীৰ লোকসকলৰ মাজত হালধি ঘঁহা গীত, জল চহা গীত, সজোৱা গীত, দৰা যাত্ৰাৰ গীত, দৰা আদৰা গীত, কইনা বিদায় দিয়া গীতৰ প্ৰচলন আছে।

পানীতোলা বা জলচহা গীত —

“পুখুৰী বুড়াইলে বাবা, লহৰী লহৰী গ’

জল আনিতে বড়ি দৰ

কাল আসিবনে বৰঘৰীয়া লোক গ’

জল আনিতে বড়ি দূৰ।” [৬৭]

ৰামৰ নাম লৈ গোৱা গীতো এওঁলোকৰ মাজত প্ৰচলিত —

“কাতি কযে সাজয়ে ৰামচন্দ্ৰ ৰে লছমণ

কাতিকযে মাজত বৰ ফুল ৰে বৰিষত,

কাতিকযে সাজয়ে হাতীৰ ঘড়া হ’

কতিকযে সাজে হনুমান। [৬৮]

এওঁলোকৰ বিয়াগীতবোৰৰ মাজেদি নাৰীমনৰ প্ৰকাশৰ লগতে এওঁলোক সামাজিক প্ৰতিচ্ছবি ফুটি উঠে।

---

৬৭. সোণমনি বৰুৱা, অসমীয়া বিয়ানাম, এক বিশ্লেষণাত্মক অধ্যয়ন , পৃষ্ঠা নং - ১৭৫

৬৮. সোণমনি বৰুৱা, পূৰ্বোলিখিত, পৃষ্ঠা নং - ১৭৯

৫) **ৰাভা জনজাতিসকলৰ বিবাহ পদ্ধতি ঃ**

ৰাভাসকল বিয়াত দুয়োপক্ষ বিয়াৰ সন্মত হোৱাৰ পিছত দৰাঘৰৰ পৰা ‘পানীচিনি’ অৰ্থাৎ জোৰোণ পিন্ধায়। চোতালৰ মাজত এখন পীৰাত বহি পুৰমুৰা হৈ নিজে কইনাই খোপা মেলে। দৰাঘৰৰ মহিলা এগৰাকীয়ে মূৰত তেল ঢালি ফনিয়াই দিয়ে। আন এগৰাকীয়ে ফোট দিয়ে। জোৰোণৰ অন্যান্য বয়-বস্তুৰ লগত এখন ৰি’ফান কাম্বুং দিয়াটো এওঁলোকৰ নিয়ম।

ৰাভাসকলৰ মাজত পাঁচপ্ৰকাৰৰ বিবাহ দেখা যায়। যেনে —

‘ভুৰি চিংকায় (কইনা ধৰা),

নৰ ধাংকায় (ঘৰ সোমোৱা),

জাঙায় খংকায় (জোঁৱাই অনা),

কায় বিকায় (ছোৱালী টনা),

ক্ৰছিং ভৰি (বিধৱা বিবাহ)

ইয়াৰ উপৰিও আছে লেমা বিয়া, য’ত দৰাক কইনাৰ ঘৰলৈ লৈ যোৱা হয়।

৬) **আহোম সম্প্ৰদায়সকলৰ বিবাহ পদ্ধতি —**

আহোমসকলৰ মূল বিবাহ কৰ্ম সম্বন্ধ হয় ‘চকলং’ পদ্ধতিৰে। এশ এগচি বন্তি জ্বলই সেৰা জনাই কন্যাই ৰাইজৰ আশীৰ্বদ লয়। কন্যাই দৰাক হেংদাং আৰু কৰচ কাপোৰ প্ৰদান কৰাটো আহোমসকলৰ প্ৰধান নিয়ম।

এওঁলোকৰ বিবাহত জোৰোণ হয় বিশটা নিয়ম থাকে। যেনে — জোৰণ, নোৱনী, প্ৰীতিভোজ, ৰিক্ ধ্বান উৎসৱ, চাওবান উৎসৱ, গা ধোৱা, গাঁঠিয়ন খুন্দা, দৈয়ন দিয়া, দৰা কইনাক সাত পুৰুষৰ বুৰঞ্জী কোৱা, কড়ি খেলাৰ নিয়ম ইত্যাদি ইত্যাদি।

আহোমসকলৰ চকলঙেই বিবাহৰ মূল। চকলঙৰ বেদীটো সাতোটা ৰঙেৰে পদুম ফুলৰ আকৃতিত সাজে। এই ফুলৰ সাতোটা ডাঙৰ মৰলতে এশ এগচি চাকি জ্বলোৱা হয়। মংলুঙে মন্ত্ৰ পাঠ কৰি বিবাহ সম্পন্ন কৰে। এশ এপাহ ফুলেৰে মালা পিন্ধাই বৰ কনাই মাল্যাপৰ্ণ কৰে। বিয়ানামৰ পৰিৱেশন শৈলী একেই।

**৭) সোণোৱাল কছাৰীসকলৰ বিবাহ পদ্ধতি —**

সোণোৱাল কছাৰীসকল কিৰাতমূলীয় মংগোলীয় জনগোষ্ঠীৰ। লখিমপুৰ, ধেমাজি, যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড়, গোলাঘাট, ধেমাজি জিলাৰ বিভিন্ন অঞ্চলত এওঁলোকে বসবাস কৰে। সোণোৱাল কছাৰীসকলৰ তিনিধৰণৰ বিবাহকাৰ্য দেখা যায়। সেয়া হ'ল —

- সামাজিক প্ৰথমতে হোৱা বিবাহ
- গান্ধৰ্ব প্ৰথামতে হোৱা বিবাহ
- ৰভা সৰকাই নিয়া বিবাহ

এওঁলোকে হোম পুৰিয়ে বিবাহ সম্পন্ন কৰে। কিছুসংখ্যকে আহোমসকলৰ চকলং পদ্ধতিৰে বিয়া পাতে। সোণোৱাল কছাৰীসকলৰ বিয়ানামবোৰ বাকী বিয়ানামবোৰৰ সৈতে একেই হয়।

প্ৰত্যেক জনগোষ্ঠীৰে পদ্ধতিগত বিবাহৰ পাৰ্থক্য থাকিলেও মূলতঃ সকলোৰে উদ্দেশ্য একেই। সংসাৰ ধৰ্ম পালন, নাৰী-পুৰুষৰ মিলন। বিবাহৰ গুৰি কথা মানুহৰ জন্মগত প্ৰকৃতিৰ লগত জড়িত।

**২.০৬ ভেকুলী বিয়া —**

অসম হ'ল কৃষিপ্ৰধান দেশ ইয়াৰ প্ৰায়বোৰ উৎসৱ-পাৰ্বন, গীত-মাত কৃষিৰ লগতে জড়িত। কৃষিৰ বাবে প্ৰয়োজনীয় বৰষুণৰ বাবে প্ৰকৃতিৰ ওপৰতে নিৰ্ভৰশীল খেতিয়কসকল। কেতিয়াবা বৰষুণৰ অভাৱত কৃষকে খেতি কৰিব নোৱাৰা হয়। এনেকুৱা অনাবৃষ্টিৰ সময়ত মানুহে প্ৰকৃতিক সন্তুষ্ট কৰিবলৈ কিছুমান লোকাচাৰ পালন কৰে। তাৰে অন্যতম হ'ল ভেকুলী বিয়া। জেঠ-আহাৰ মাহত শালিধানৰ খেতি কৰিবলৈ এই লোকাচাৰ পালনৰ ফলত বৰষুণ আহে বুলি বিশ্বাস কৰা হয়। ভেকুলী বিয়াৰ ফলত ভেকুলীৰ বংশ বৃদ্ধি হৈ ভেকুলীবিলাক থাকিবৰ বাবে প্ৰয়োজন হোৱা পানীৰ অভাৱ পূৰ হ'বলৈ বৰষুণ হ'ব বুলি জনসাধাৰণৰ বিশ্বাস।

ভেকুলীৰ বিয়া ৰাজহুৱা ভাৱে অনুষ্ঠিত হয়। জ্যোতিষীৰ দ্বাৰা বিবাহৰ দিন নিৰ্ধাৰণ কৰা হয়। বিয়াৰ দুই তিনি দিন আগত দুটা ভেকুলী এজনী কন্যা এটা দৰা পাতি গাঁৱৰ দুঘৰ মানুহত থয়। তাৰ পিছত বিবাহৰ দিনা যথা নিয়মে পানী তুলি, কইনাক কলৰ দোলাৰে সজা দোলাত লৈ পেঁপা, ঢোল, তাল বজাই গাঁও ফুৰাই শেষত বিবাহ সম্পন্ন কৰি ভেকুলী কেইটা নদী বা পুখুৰীত এৰি দিয়ে। ৰাইজে ভোজ-ভাত খোৱাৰো নিয়ম আছে। ভেকুলীক ইন্দ্ৰ দেৱতাৰ পৰম বন্ধু বুলি কোৱা হয়। সেয়েহে ভেকুলীৰ টোৰটোৰণি শুনি ইন্দ্ৰদেৱতা ভেকুলী বিয়া খাবলৈ আহি একেৰাহে সাতদিন বৰষুণ দিয়ে।

ভেকুলী বিয়াৰ প্ৰাৰ্থনা এনেধৰণৰ —

“ভেকুলীৰ বিয়ালৈ
আহে ইন্দ্ৰদেৱ
বতাহ বৰষুণত তিতি
স্বৰ্গত অপেশ্বৰী নামি আহিছে
ভেকুলীৰ বিয়া শুনি।”

ৰং ধেমালীৰে ভেকুলী বিয়াৰ নাম গোৱা হয় —

“ভেকোলা ভেকুলীৰ বিয়া এ
মেঘে বৰষুণ দিয়া এ
ভেকোলা ভেকুলীৰ বিয়া এ
শিলে বৰষুণে দিয়া এ
ধান বান ভেকোলা
পানী আন ভেকুলী
আজি ভেকুলীৰ বিয়া এ

ভেকুলী বিয়াৰ শেষত নিৰ্মল আকাশৰ বুকুলৈ কলীয়া ডাৱৰ আহি ধাৰাসাৰে বৰষুণ দিয়ে। কৃষকৰ বুকু শাত পৰে।

**২.০৭ পোহন বিয়া —**

হিন্দু দৰ্শনত আছে ‘দশ সংস্কাৰ’। সেয়া হ’ল — গৰ্ভাধান, পুংসৱন, সীমান্তোনয়ন, জাতকৰ্ম, নামকৰণ, নিষ্ক্ৰমন, অন্নপ্ৰাশন, চূৰাকৰণ আৰু উপনয়ন। বৰ্তমান সময়ত প্ৰতিটো সংস্কাৰ পালন কৰা নাযায়।

মাতৃগৰ্ভত যেতিয়া ভ্ৰুণে লৰচৰ আৰম্ভ কৰে তেতিয়া পোহন বিয়া পতা উচিত বুলি কয়। বৰ্তমান ব্ৰাহ্মন সকলৰ মাজতে এই পৰম্পৰা অটুট আছে। সাধাৰণতে স্ত্ৰীৰ গৰ্ভধাৰণৰ অষ্টম মাহত এই অনুষ্ঠান পাতে। লগতে গৰ্ভধাৰণ আৰু সীমান্তোয়ণ অনুষ্ঠান ও পতা হয়। গৰ্ভধাৰণৰ অষ্টম মাহত যদি কিবা কাৰণত পোহন বিয়া পাতিব নোৱাৰে তেন্তে প্ৰথম সন্তানৰ উপনয়নৰ আগদিনা এই বিবাহ পতা হয়।

বিবাহৰ আগদিনা অধিবাস কৰে। নান্দী শ্ৰাদ্ধ, বিষ্ণু পূজা কৰাৰ পিছত দৰা-কইনাক নোৱাই-ধুৱাই হোমৰ গুৰিত বহি বিবাহৰ কৰ্ম আৰম্ভ হয়। এই বিয়াৰ বাকীবোৰ নিয়ম আগৰ বিয়াৰ দৰে একেই থাকে।

এই বিয়াৰ প্ৰয়োজনীয় সামগ্ৰীৰ ভিতৰত শ্ৰীকৃষ্ণৰ দশ অৱতাৰ অংকন কৰা ঘট, গমাৰী, বেল, ডিমৰু গুটি, ৰক্ত চন্দন, কেটেলা পহুৰ কাঁইট, টাকুৰী, সৰু ধনু, শৰ, মাগুৰ মাছ, দক্ষিণা, পুৰোহিত বৰণ,গামোচা, পঞ্চৰত্ন, আখৈ, মিঠাই, কুশ, নিয়ৰ পানী, সোমলতা ইত্যাদি।

পুৰোহিতে এই বিবাহ সম্পন্ন কৰে। দৰাই কইনাক ওৰণিৰ ওপৰেদি জীৱনধাৰী মনি পিন্ধাই। নাম আৰু উৰুলি অইন বিবাহৰ দৰেই আইসকলে গায়। দৰা-কইনাক জোকাৰে। ৰং ৰহইচ কৰে। গৃহস্থই অতিথি আপ্যায়ন কৰে।

"আহু ধানৰ মাজে মাজে সৰল কাঠৰ মূঢ়া
আইদেউৱে দৰা পাইছে বাপেকতকৈ বুঢ়া
বুঢ়া দৰা কোমল কইনা কথাৰ নাপাও অংশ
পকা দাড়িত লাগি আছে এশ মিছা মাছ।"[৬৯]

আকৌ গায় —

"হোমৰ গুৰিত আইদেউৱে কান্দিছে
মোৰ ফালৰ কোনোৱে নাই
কোনে দান দিব যৌতুক কোনে দিব
লোকৰ পলৰীয়া গাই।" [৭০]

" অ' মন তৰা
চাৰিটা বাপেকীৰ
আজি হ'ল বিয়া।"

"হোমৰ গুৰিত আদহী ৰুক্মিনী
পেটটো চোঁচৰাই ফুৰে।

---

৬৯. কুইন গগৈ, তথ্যদাতা, যোৰহাট

৭০. দুল দত্ত, তথ্যদাতা, যোৰহাট

কোঁচটো এটা ল'লাহে আহী

গৰ্ভটো এটা ল'লা।" [৭১]

এই লোকাচাৰ সমূহৰ বিভিন্ন প্ৰকাৰৰ উদ্দেশ্য থাকে। গৰ্ভৱতী মাতৃৰ স্বাস্থ্যৰ যতন, পৰিয়ালৰ সহযোগিতা, নতুন দায়িত্বৰ প্ৰতি সাজু হোৱা আদি অনেক কাৰণ ইয়াত নিহিত থাকে।

৭১. দুল দত্ত, তথ্যদাতা, যোৰহাট

# তৃতীয় অধ্যায়

# তৃতীয় অধ্যায়

**৩.০০ বিয়ানামত নাৰীমনৰ প্ৰকাশ ঃ**

বিয়ানামবোৰ মূলতঃ অসমীয়া চহা মহিলাসকলে নিজৰ জীৱনক লৈ ৰচনা কৰা। এইবোৰৰ নাৰীমনৰ চিন্তা-চেতনা মুক্ত ৰূপ দেখা পোৱা যায়। বিয়ানামবোৰৰ লগত ধৰ্ম, উৎসৱ, সামাজিক-সাংস্কৃতিক দিশ, নৈতিকতা, বিজ্ঞান, আইন আদি সকলো জড়িত আছে। বিয়ানামবোৰৰ জৰিয়তে প্ৰকাশ পায় নাৰীমনৰ সৌন্দৰ্যবোধ, সৃষ্টিশীল মনোভাৱ, ইতিহাস প্ৰীতি, আধ্যাত্মিকতা, প্ৰেম, দায়িত্বশীল আৰু কৰ্তব্যপৰায়ণ মনোভাৱ।

মানুহৰ মন স্বাভাৱিকতেই সৌন্দৰ্যপিপাসু। কলাই তাক মাত্ৰা প্ৰদান কৰিছে। দৈনন্দিন জীৱনৰ সৰু বৰ সকলোতেই সৌন্দৰ্য বিচাৰি উলিয়াই জীৱন অতিবাহিত কৰাটো মহিলাসকলৰ অভ্যাস। প্ৰকৃতিৰ মাজত নাৰীয়ে সৌন্দৰ্য বিচাৰি পায়। লোকসংগীতৰ অন্যতম বিয়ানামবোৰত সেইবাবে নাৰীসকলে নদ-নদী, পাহাৰ-পৰ্বত, নৈ, বিল, জান-জুৰি, আকাশ, জোন, বেলি, তৰা, বাগিছা, পশু-পক্ষী আদিবোৰৰ উল্লেখ কৰে। যেনে--

"অৰণ্যৰ মাজতে কি পহু কান্দিলে
কি চৰাই জুৰিলে ৰাও।" [৭২]

কইনাৰ ৰূপ বৰ্ণনা কৰে প্ৰকৃতিৰ উপমাৰে —

"অতিকে চিকুন বাহৰে ভলুকা
তাতোকৈ চিকুন মকাল
তাতোকৈ চিকুনে আমাৰ আইদেউ মুঠিতে লুকুৱা কঁকাল।"

---

৭২. দেৱেন গগৈ, অঞ্জলী গগৈ, সংখ্যা/সম্পা, বিয়ানাম, পৃষ্ঠা - ৬৩

এনেদৰে ফলমূল, গছ বিৰিখৰ উল্লেখ কৰি বিয়ানাম জোৰে আইসকলে। কাপোৰৰ সৌন্দৰ্য, আ-অলংকাৰৰ সৌন্দৰ্যতা বিয়ানামবোৰৰ জৰিয়তেই প্ৰকাশ কৰে নাৰীসকলে।

"কাণতে জিলিকে কাণৰে থুৰীয়া
হাততে জিলিকে খাৰু
দেহাতে জিলিকে পাটৰে সাজে
ডিঙিতে জিলিকে বিৰি।"

বৰ কন্যাৰ ৰূপ সৌন্দৰ্য বৰ্ণনা কৰি গায় বিয়ানাম এনেদৰে ---

"আইদেউৰ মুখলৈ চাবকে নোৱাৰি
হীৰা কি মুকুতা জ্বলে
দৰা আঙুলিতে ৰত্ন জ্বলিছে
ৰূপো ধৰিছে তুলি।"

বিভিন্ন কামৰ লগত জড়িত কৰি গায় বিয়া নাম---

"উঠিব লাগিব কুকুৰাৰ ডাকত,
ল'ব যে লাগিব বাঢ়নি হাতত।
সাৰিব লাগিব চোতালৰ জাবৰ
পেলাব লাগিব গোহালিৰ গোবৰ।"

এইদৰে অসমীয়াৰ তাঁতশাল, গামোচা, বৰ কাপোৰ আদিৰ বৰ্ণনা কৰিও বিয়ানামৰ সৌন্দৰ্য বিচাৰে আয়তীসকলে।

"বাৰীৰ পিছফালে আইদেউৰ তাঁতশাল
বহি গোলাপ ফুল বাছে।
ফুলত মোহে লাগি শহুৰৰ পুতেকে
কাটি নেমুটেঙা যাঁচে।" [৭৩]

৭৩. সোনমনি বৰুৱা, অসমীয়া বিয়ানাম, এক বিশ্লেষণাত্মক অধ্যয়ন, পৃষ্ঠা - ৯৪

নাৰীসকলৰ সৃষ্টিশীলতা প্ৰকাল পায় বিয়ানামৰ মাজত। উপমা, জতুৱা ঠাঁচ, আ- অলংকাৰ, বিভিন্ন ৰসৰ সমাহাৰ ঘটে ইয়াত।

"এঙনি জেঙনি তিনি ফেৰেঙনি
মাণিকী মধুৰী লাগে।
হৰলৈ গৌৰীক নিদিও নুবুলিবা
সৃষ্টি বাঢ়িব লাগে।" [৭৪]

বিয়ানামত ইতিহাস প্ৰীতি প্ৰকাশ পায় এনেদৰে ---

"জনক ৰজাৰ ঘৰে লাগিছে উথপথপ
আজি জানকীৰ বিয়া,
সমাজত আহি ৰামচন্দ্ৰ বহিছে
সযতনে উলিয়াই দিয়া।"

আহোমসকলৰ ইতিহাস প্ৰসিদ্ধ নামেৰে বিয়ানাম ---

"হাতীক সজালে হাতীয়াল বৰুৱা
ঘোৰাকে সজালে ঘাঁহী
দোলাক সজালে দুলীয়া বৰুৱা [৭৫]
হেঙুল হাইতালেৰে আঁকি।"

"ৰংঘৰ কাৰেংঘৰ শিলৰে সাঁকো
আইক মই নেদেখি কেনেকৈ থাকো।"

বিয়ানামৰ পৰিৱেশন ৰীতিত ধৰ্মীয় মনোভাৱ প্ৰকাশ পায়। ইয়াৰে প্ৰথমেই হ'ল উৰুলি। ই মাংগলিক ধ্বনি। শৰাই সজোৱা, তামোল পাণ আগৰঢ়োৱা, দুলৰি সজোৱা -- এই সকলোবোৰ ধৰ্মীয় ৰীতি। লগতে বিয়ানামবোৰত ৰাম-কৃষ্ণ, হৰ-গৌৰী প্ৰভৃতি ভগৱানৰ নামে আধ্যাত্মিক ভাৱধাৰা প্ৰকাশ কৰে।

"ৰাম কৃষ্ণ ওলাই দে উৰুলি
ৰাম কৃষ্ণ বজাই দে মুৰুলি

---

৭৪. সোনমনি বৰুৱা, অসমীয়া বিয়ানাম, এক বিশ্লেষণাত্মক অধ্যয়ন, পৃষ্ঠা - ৯৪

৭৫. সোনমনি বৰুৱা, অসমীয়া বিয়ানাম, এক বিশ্লেষণাত্মক অধ্যয়ন, পৃষ্ঠা - ৯৬

হৰি মোৰ ঐ বৈ যক

হালধিৰ পানী।”

বিয়ানামত নৰ-নাৰীৰ প্ৰেম, ইজনে সিজনৰ প্ৰতি টান, বান্ধোন, সম্পৰ্ক ইত্যাদিও প্ৰকাশ কৰে নাৰীমনে। প্ৰেম হ’ল উপলব্ধি। প্ৰেমত আছে বিশ্বাস, নৈতিকতা, কৰ্তব্য, সময়ত্ব, সমাজ, বিজ্ঞান সকলো। প্ৰেমে সমাজখনক বান্ধি ৰাখিছে।

“পাতিত বহি আইদেৰে

মনে মনে গুনে

দ্বাৰকাৰ পৰা কৃষ্ণ আহি

কাণ পাতি শুনে।”

নৰ-নাৰী যে ইজনে সিজনৰ সাহস, জীৱন যাত্ৰাত দুয়ো দুয়োৰে লগৰীয়া বিয়ানামবোৰৰ জৰিয়তে ইয়াকেই প্ৰকাশ পায়। কৃষ্ণ-ৰুক্মিণীৰ প্ৰেম কাহিনীৰ আধাৰত ৰচিত বিয়ানাম ---

“প্ৰভুৰ কাৰণে মোৰ বিয়াকুল মন।

শীঘ্ৰে আহি মোক যেন কৰে পৰিত্ৰান।।

যদি মোক শ্ৰী কৃষ্ণই নকৰাই বিয়া।

যমৰ হাতত মই সমৰ্পিবো হিয়া।।” [৭৬]

বিবাহৰ পূৰ্বে নাৰী হয় এগৰাকী জীয়ৰী, বান্ধৱী, ভগ্নী আৰু বিবাহৰ পিছত পত্নী, মাতৃ, মাহী, পেহী, জেঠাই সকলো। এখন ঘৰত নাৰীৰ ভূমিকা সৰ্বাধিক। ঘৰ, আলহী-অতিথি, সন্তান, স্বামী, পৰিয়াল, আত্মীয়-কুতুম, সমাজ ব্যৱস্থা সকলোবোৰ নাৰীয়ে সামৰি ল’বলগীয়া হয়। গাভৰু জীৱন এৰি সেয়েহে বিবাহত সোমাওতে নাৰীসকলৰ উদ্দেশ্যে নাৰীসকলেই উপদেশমূলক পৰামৰ্শ দিয়ে ---

“নীলাকৈ আকাশত ৰঙাকৈ বেলি।

কেনেকৈ চলাবা লোকৰ ঘৰখনি।।

উঠিব লাগিব কুকুৰাৰ ডাকত।

ল’ব যে লাগিব বাঢ়নি হাতত।।

৭৬. সোনমনি বৰুৱা, অসমীয়া বিয়ানাম, এক বিশ্লেষণাত্মক অধ্যয়ন, পৃষ্ঠা - ১০৩

ৰান্ধিব লাগিব দুবেলা ভাত।

দিব যে লাগিব মৰমৰ মাত।।"

এনেদৰে গ্ৰাহস্থ্য জীৱনত পালন কৰিবলগীয়া দায়িত্ব কৰ্তব্যৰ কথা সোঁৱৰাই দিয়ে বিয়ানামবোৰে। ইয়াত নিৰ্ভৰ কৰে দাম্পত্য জীৱনৰ সুখ আনন্দ আৰু সফলতা। এখন ঘৰ সফল হ'লে সমাজ সফল। এইদৰে সামাজিক, সাংস্কৃতিক দিশ সবল হয়। লোকমনৰ প্ৰকাশ পোৱা এই বিয়াগীতবোৰৰ জৰিয়তে নাৰীমনৰ সৰলতা প্ৰকাশ পায়।

### ৩.০১ বিয়ানামত বিশ্বায়নৰ প্ৰভাৱ ঃ

সমাজ মাত্ৰেই পৰিৱৰ্তনশীল। অতীজৰ পৰা পৰম্পৰা অটুট ৰাখি বৰ্তমানৰ ৰূপ লৈছেহি সমাজে। আদিম মানুহে অৰণ্যৰ জীৱন এৰি সমাজ পাতি বাস কৰিবলৈ লোৱাৰ পৰা ৰীতি-নীতিসমূহ প্ৰজন্মৰ পিছত প্ৰজন্মলৈ চলাই আহিছে। এই প্ৰক্ৰিয়াত নতুন সংযোজন হয়, পুৰনা কিছু হেৰাই যায়। অসমৰ বিয়া অনুষ্ঠানে কলাৰ পৰিচয় দিয়ে। বিয়ানামৰ লগত জড়িত অনুষ্ঠানবোৰে লোকমন প্ৰকাশ কৰে। বৰ্তমান বিশ্বায়নৰ প্ৰভাৱত পাশ্চাত্যৰ ধৰণ-কৰণে মানুহৰ মাজত সহযোগিতা কমাই তুলিছে।

"বিশ্বায়ন হ'ল ভৌগোলিক সীমাৰ উৰ্ধত বৃহৎ শিল্পী গোষ্ঠীবোৰৰ প্ৰসাৰতা আৰু আত্মশীল ভিত্তিত অৰ্থনৈতিক সুবিধা আৰু সম্পৰ্কৰ এক সংযুক্ত প্ৰক্ৰিয়া যিটো প্ৰক্ৰিয়াই ক্ৰমাগত পৰিৱৰ্তনৰ মাজেদি দ্ৰুত পৰিণতি লাভ কৰিছে।" [৭৭] এতিয়া বিবাহ ভৱনত পতা বিয়াত গাঁৱৰ ৰাইজৰ সহযোগিতা প্ৰয়োজন নোহোৱা হ'ল। বিদেশী খাদ্য, নানাৰঙী বিজুলী বাতি, বিদেশী সংগীতৰ লগত অসমীয়া খাদ্য, গাঁৱৰ ৰভা, বিয়ানামৰ সুৰে তাল মিলাব নোৱাৰা হৈ পৰিছে। ইয়াৰ লগতে মানুহৰ মাজত হেৰাই গৈছে মৰম, আন্তৰিকতা, দায়বদ্ধতা আদিবোৰ। নিউ ইয়েৰ, ভেলেণ্টাইন ডে', মেৰিজ ডে' আদিৰ পয়োভৰত অসমৰ লোকাচাৰসমূহ হেৰাই যাবলৈ লৈছে। মানুহৰ মনৰ সৰলতাবোৰ কমি গৈছে। লোকৰ আঁকোৱালি নিজক হেৰুৱাব লগীয়া হৈ পৰিছে।

সংস্কৃতি গতিশীল। ইয়াৰ বাবে সুস্থ চিন্তাধাৰা, সাংস্কৃতিক মানসিকতাৰ। পাৰ্থিৱ উন্নতিৰ বাবে সুস্থ চিন্তাধাৰা, সাংস্কৃতিক মানসিকতাৰ পাৰ্থিৱ উন্নতিৰ বাবে বৰ্তমান মানুহে নৈতিকতাক বিসৰ্জন দিবলৈ লৈছে। জাতিৰ বাবে ই অশুভ লক্ষণ। পৰিৱৰ্তনৰ নামত পৰম্পৰাগত ঐতিহ্যক পাহৰি যাব নালাগে।

---

৭৭. স্বপন জ্যোতি নাথ, লোক-সংস্কৃতি আৰু বিয়ানাম, পৃষ্ঠা - ১৬৬

লোকাচাৰ, লোক উৎসৱ, লোকসংগীতসমূহে অসমীয়া সমাজৰ চিত্ৰ বহন কৰে। এইবোৰ ধৰি ৰখাটো কৰ্তব্য। জাতি জনগোষ্ঠীৰ ধৰ্মীয় দৰ্শন, নীতি নিয়ম, আধ্যাত্মিকতা, চিন্তা-চেতনা বিয়ানামবোৰে ধৰি ৰাখিছে। এইবোৰেই অসমীয়া সংস্কৃতিৰ পৰিচয়। সাংস্কৃতিক পৰিচয় অবিহনে এটা জাতি নিষ্প্ৰাণ। নতুনো গ্ৰহণ কৰিব লাগিব, পুৰণাখিনিও ধৰি ৰাখিব লাগিব।

**৩.০২ বৰ্তমান সামাজিক প্ৰেক্ষাপটত বিয়ানামৰ প্ৰাসংগিকতা ঃ**

বৰ্তমান সময়ত নাৰীসকল সকলো ক্ষেত্ৰতে আগৰঢ়া। সমাজৰ লোকসংস্কৃতি বহন কৰা নাৰীসকলেও মূল। বিয়ানামবোৰত নাৰীসকল জীৱন প্ৰকাশ পায়। বিবাহ অনুষ্ঠানত এইবোৰে আনন্দ আৰু মাংগলিক পৰিৱেশ সৃষ্টি কৰে। বিয়ানামবোৰে লোকসংগীতৰ ঐতিহ্য বহন কৰে।

বিবাহ অনুষ্ঠানবোৰ এতিয়া অনুষ্ঠিত হয়। কম বেছি পৰিমাণে বিয়ানাম গায়। বিবাহৰ লগত জড়িত অনুষ্ঠান সমূহৰো পালন হয়। কিন্তু আগত যি সৰলতাৰে, আন্তৰিকতাৰে বিয়ানাম গায় তাক দেখা নাযায়। এতিয়া অনুষ্ঠানবোৰ কেৱল মাত্ৰ কৰি সামৰি থোৱা দেখা যায়। যিটো অসমীয়া সমাজৰ বাবে বেয়া লক্ষণ। কাৰণ বিয়ানামৰ মাজেৰে প্ৰকাশ পোৱা অনুষ্ঠানবোৰে মানুহৰ মাজত সম্পৰ্ক স্থাপনত সহায় কৰে।

মানুহৰ মাজত শ্ৰদ্ধা, দায়বদ্ধতা বঢ়োৱাত বিয়ানামবোৰ সহায়ক। সামাজিক বৰ্তমানৰ প্ৰাসংগিকতাত বহুলভাবে এইবোৰৰ প্ৰয়োজন আছে। পৰম্পৰাক নৱ প্ৰজন্মই আগৰঢ়াই নিব লাগিব। তাৰ বাবে পৰম্পৰাগত লোকাচাৰসমূহৰ ওপৰত গুৰুত্ব দিব লাগিব। কলাৰ প্ৰতি মানুহৰ মন সদায় আকৰ্ষিত, কলাই মাধ্যম ঐতিহ্য ৰক্ষাৰ। এতিয়া বিয়ানামৰ প্ৰতিযোগিতা হয়। আগ্ৰহ দেখা যায় জীয়াৰী বোৱাৰী। গতিকে মুক্তমনেৰে বিবাহ অনুষ্ঠানত বিয়ানামবোৰ গোৱাৰ পৰিৱেশ গঠনে সংস্কৃতি ৰক্ষাত সহায় কৰিব। পুৰণিক খামুচি নতুনক আঁকোৱালি ল'লে সঁচা অৰ্থত জাতিৰ উন্নতি হ'ব।

# চতুর্থ অধ্যায়

# চতুৰ্থ অধ্যায়

## ৪.০০ **সিদ্ধান্ত ঃ**

অসমীয়া সমাজ জীৱনত লোকসংগীত হিচাপে বিয়ানামৰ প্ৰাসংগিকতা অধ্যয়নৰ যোগেদি কেইটামান সিদ্ধান্ত পোৱা গ'ল---

১। লোকসংগীত হিচাপে বিয়ানামসমূহৰ ভূমিকা অসমীয়া সমাজত সৰ্বাধিক পোৱা যায়।

২। বিয়ানামবোৰ ক্ৰমাগতভাৱে পুৰণি ঐতিহ্য ৰক্ষা কৰি চলি অহা দেখা যায়।

৩। বিয়ানামবোৰত নাৰীমনৰ সৌন্দৰ্যবোধ, সৃষ্টিশীলতা, ইতিহাস প্ৰীতি, প্ৰেম, আধ্যাত্মিকতা, দায়ত্ব তথা কৰ্তব্যপৰায়ণতা দেখা পোৱা যায়।

৪। বিয়ানামবোৰে পৌৰাণিক উপাদানৰ লগতে নতুনত্বও বহন কৰা দেখা পোৱা যায়।

৫। বিয়ানামবোৰ লোককলাৰ সৰ্বাধিক ঠাই দখল কৰি থকা পোৱা যায়।

৬। অসমৰ অন্যান্য জাতি-জনগোষ্ঠীৰ লোকসকলৰ মাজতো বিবাহ তথা বিয়ানামৰ প্ৰচলন দেখা পোৱা যায়। বিবাহ অনুষ্ঠানৰ নীতি-নিয়মত আৰু বিয়ানামবোৰত পৰিৱেশনৰ ভাষাৰ তাৰতম্য থাকিলেও সকলোৰে উদ্দেশ্য কিন্তু একেই পোৱা যায়।

৭। বিবাহ অনুষ্ঠানৰ অন্যান্য প্ৰকাৰধৰ্মী বিবাহ পদ্ধতিও প্ৰচলিত দেখা পোৱা যায়।

৮। বিবাহ অনুষ্ঠান আৰু বিয়ানাম পৰিৱেশনত বৰ্তমান বিশ্বায়নৰ প্ৰভাৱ পৰা দেখা যায়। যিটোৱে মানুহৰ মাজত আন্তৰিকতা, দায়বদ্ধতা কমাই তুলিছে বুলি ধাৰণা কৰিব পাৰি।

৯। বিয়ানামবোৰে এনেকুৱা কিছুমান পৰম্পৰা চিহ্নিত কৰা দেখা পোৱা যায় যি অসমীয়া সংস্কৃতিৰ ৰূপ দাঙি ধৰে।

অসমৰ প্ৰায় সকলো অঞ্চলতে প্ৰচলিত এই বিবাহধৰ্মী অনুষ্ঠানবোৰ লগতে বিয়ানামবোৰৰ সংৰক্ষণৰ প্ৰয়োজন আছে। নতুবা সময়ৰ সোঁতত এইবোৰ হেৰাই গ'লে ঐতিহ্য ৰক্ষা কঠিন হৈ পৰিব। সময় থাকোতেই সংৰক্ষণৰ ব্যৱস্থা, অধ্যয়ন, পৰিকল্পনাৰ জৰিয়তে নৱ-প্ৰজন্মক আগ্ৰহী কৰি তুলিবৰ ব্যৱস্থা কৰিবৰ হ'ল।

**৪.০১ উপসংহাৰ ঃ**

প্ৰাচীন কালৰ বিবাহৰ লগত গীত পৰিৱেশন কৰাৰ নিয়ম। বিয়ানামবোৰ অসমীয়া গীত সাহিত্যৰ মূল্যৱান সম্পদ। অসমীয়া চহা মহিলাসকলে ৰচনা কৰা উপদেশমূলক বিয়ানামবোৰে নাৰীৰ মনৰ ভাবৰ গভীৰতা, সমাজ জীৱনৰ প্ৰতিফলক, প্ৰকৃতি চিত্ৰণ, কল্পনাৰে প্ৰকাশ কৰে। বিয়ানামৰ মাজেদি অসমীয়া গ্ৰাম্য সমাজৰ ৰীতি-নীতি, খাদ্যভ্যাস, সাজপাৰ, গহনা-গাঠৰি, আচ্‌বাব্‌, লোকাচাৰ, লোকবিশ্বাস, অৰ্থনৈতিক অৱস্থা, যাতায়ত ব্যৱস্থা, শিল্পকলা, ধৰ্মীয় আদৰ্শ আটাইবোৰেই ফুটাই তোলে।

বিয়ানামবোৰত কৃষ্ণ-ৰুক্মিণী, হৰ-গৌৰী, ৰাম-সীতা, ঊষা-অনিৰুদ্ধ আদি পৌৰানিক কাহিনী বা চৰিত্ৰই ঠাই পাইছে যিবোৰে অসমৰ ঐতিহ্যক ভাৰতীয় সংস্কৃতিৰ ৰূপ বহন কৰিছে। ভাৰতীয় সংস্কৃতি ফুটাই তুলিছে। জাতি জনগোষ্ঠীবোৰৰ মাজতো বিবাহকেন্দ্ৰিক গীতৰ প্ৰচলন আছে। ভাষাৰ, সুৰৰ পাৰ্থক্য থাকিলেও ভাৱধাৰা, বিষয়বস্তুৰ সাদৃশ্য আছে। দৰা-কইনাৰ বিবাহৰ লগতে বিবাহধৰ্মী অনুষ্ঠান অনুষ্ঠিত কৰাটোও বিশেষ উল্লেখনীয়। তোলনি বিয়া, ভেকুলী বিয়া, পোহন বিয়া আদিবোৰত গোৱা বিয়ানামবোৰে ইয়াৰ বৈশিষ্ট্যতা ৰক্ষা কৰিছে।

পৃথিৱীৰ সকলো বস্তুৰেই পৰিৱৰ্তন হয়। পৰিৱৰ্তন, পৰিবৰ্দ্ধন আৰু ৰূপান্তৰ ঘটায়। স্বকীয় সংস্কৃতিক সুস্থ আৰু সংস্কৃতিবান ৰূপত সংৰক্ষণ কৰি নতুন প্ৰজন্মই গ্ৰহণ কৰিব পৰাকৈ সজাই তোলাতো সকলোৰে দায়িত্ব। পৰম্পৰাগত সাংস্কৃতিক পটভূমিৰ লগত অসমীয়া সামাজিক জীৱন জড়িত। সংস্কৃতিক কেৱল সমাজত প্ৰচলিত আচাৰ ৰীতিৰ ৰূপান্তৰ যেন লাগিলেও কাৰ্যত ইয়াৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী। সংস্কৃতি সাৰ্বজনীন। সংস্কৃতিয়ে এখন সমাজৰ সকলো লোকক একেধৰণৰ লোকাচাৰ আৰু বিশ্বাসৰ প্ৰতি অনুগত্য কৰে। সামাজিক মূল্যবোধ ধৰি ৰাখে লোকসংস্কৃতিয়ে। এটা জাতিৰ পৰিচয় ইয়াৰ সাহিত্য সংস্কৃতি। এনে এক সমাজ সদায় প্ৰগতিশীল য'ত সকলোৰে নিভাঁজ নিকা ৰূপত সংস্কৃতিৰে জগত জিনিব পাৰি।

# গ্ৰন্থপঞ্জী


আহমেদ, এলি : *আমাৰ সমাজ আৰু লোক সংস্কৃতি,*
প্ৰকাশক - শ্ৰী পবিত্ৰ জীৱন বৰুৱা
শতাব্দী প্ৰকাশন, গুৱাহাটী - ৭৮১০০৩

কলিতা, থুনু : *বিবাহ উৎসৱ পৰম্পৰা আৰু বিয়ানাম*
প্ৰকাশক - ক্ৰান্তিকাল প্ৰকাশন, এম.জি. ৰ'ড, নগাঁও - ৭৮২০০১

গগৈ, লীলা : *অসমৰ সংস্কৃতি,* প্ৰকাশক - শ্ৰী মাখন হাজৰিকা
বনলতা, ডিব্ৰুগড়, ষষ্ঠ প্ৰকাশ

চেতিয়া, চন্দ্ৰ কমল : *অসমৰ সংস্কৃতি অধ্যয়ন*
প্ৰকাশক - জাগৰণ সাহিত্য প্ৰকাশন - ২০২০

দাস, ভুৱনমোহন : *অসমীয়া সংস্কৃতি সংৰক্ষণ আৰু অন্যান্য,*
প্ৰকাশক - গিৰিপদ চৌধুৰী, বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড
পাণবজাৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ, জুন ২০০০

নাথ, স্বপনজ্যোতি : *লোক সংস্কৃতি আৰু বিশ্বায়ন*

হৰিপ্ৰসাদ, গগৈ, লীলা : *অসমীয়া সংস্কৃতি*
প্ৰকাশক - অসম সাহিত্য সভাৰ হৈ শ্ৰীমাখন হাজৰিকা,
বনলতা, ডিব্ৰুগড়, চতুৰ্থ প্ৰকাশ, ২০০৩ চন

বৰুৱা, সোণমণি : *অসমীয়া বিয়ানাম ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন,*
ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত পিএইচডি উপাধিৰ
বাবে দাখিল কৰা গৱেষণা গ্ৰন্থ, ২০১৫ চন

ভট্টাচাৰ্য, বসন্ত কুমাৰ : *অসমীয়া লোকগীত সমীক্ষা*
প্ৰকাশক - শ্ৰী ৰাজেন্দ্ৰ মোহন শৰ্মা, চন্দ্ৰ প্ৰকাশ
পাণবজাৰ, গুৱাহাটী-১, তৃতীয় প্ৰকাশ, ২০০৮ চন

শইকীয়া, অনু : *লোক সংস্কৃতিৰ বাহক বিয়ানাম,*
প্ৰকাশক - যোৰহাট জিলা সাহিত্য সভা, মে' ২০১৩ চন

# পৰিশিষ্ট

## তথ্যদাতাৰ তালিকা

| ক্ৰমিক নং | নাম আৰু স্থান | বৃত্তি | বয়স |
|---|---|---|---|
| ১ | দুল দত্ত | গাঁৱৰ বয়োজ্যেষ্ঠ | ৭৫ বছৰ |
| ২ | অনু শইকীয়া<br>মধ্য অসম | প্ৰাক্তন প্ৰধান<br>শিক্ষয়িত্ৰী ও সদৌ অসম লেখিকা সমিতিৰ কাৰ্যকৰী সম্পাদিকা, অসম সাহিত্য সভাৰ সদস্য, লোকসংস্কৃতিৰ সাধক | ৭২ বছৰ |
| ৩ | অতুল দলৈ<br>পূৱ যোৰহাট | প্ৰাক্তন প্ৰধান শিক্ষক<br>বক্তা ও লেখক | ৬৬ বছৰ |
| ৪ | অনিন্দিতা ভৰালী<br>যোৰহাট | লোককলাৰ শিল্পী | ৫০ বছৰ |
| ৫ | কুইন গগৈ | লোক সংস্কৃতিৰ সাধক | ৪৩ বছৰ |

# আলোকচিত্ৰ



সমল ব্যক্তি অনু শইকীয়া বাইদেউ আৰু অনিন্দিতা ভঁৰালীৰ লগত একেলগে



গাঁৱৰ বয়োজ্যেষ্ঠ দুল দত্তৰ লগত



লোকসংগীতৰ শিল্পী কুইন গগৈৰ লগত তেওঁলোকৰ দলীয় আখৰাত

তোলনি বিয়াৰ দুনৰি সহ ঘট




পুথিভঁৰালত গ্ৰন্থ বিচাৰি



তোলনি বিয়া ৭ দিনৰ দিনা বেই তলত গা ধুৱাওতে



তোলনি বিয়াৰ দুনৰি সহ ঘট



কনাই লোৱা



পিঠাগুৰি সনা



কলপুলি আৰু মাটিৰ কলহৰ সৈতে বৰ/কন্যাৰ ঘৰৰ পদূলি



বৰ-কন্যাৰ মাকে জোৰণৰ শৰাই সলোৱা



কইনাৰ মূৰত তামোল, আঙঠি দি তেল দিয়া পৰ্ব



কইনাৰ মাকক পেটভাৰ দিয়া



পানী তুলিবলৈ বুলি



বৰক বেই পাক ঘূৰোৱা



মূৰত তেল দিয়া



বৰৰ মূৰত তুলসীৰ মালা পিন্ধাওতে



কইনা সজোৱা



কইনাৰ মাক দৰা আদৰিবলৈ বুলি



দৰাৰ ভায়েকে কইনা খুজিব আঁহোতে



কুশ ছিঙি কন্যা সম্প্ৰদান



কইনাৰ ভায়েকে আখৈ দিওঁতে



সপ্তপদী গমন



বাটি ঘূৰোৱা



চাউল চটিয়াই কইনাই বিদায় লোৱা



কইনা আদৰা



থাপনাত সেৰা



কইনাৰ লগত



বড়ো জনজাতিসকলৰ বিয়া



ৰাভা জনজাতিসকলৰ বিয়া



আহোম সকলৰ চকলং



চাহ জনগোষ্ঠীসকলৰ বিয়া



মিচিং জনজাতিসকলৰ বিয়া



ভেকুলী বিয়া



পোহন বিয়া